www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শত্রুৰে আওৰাই আহিলে আমি পিছুৰাই যাওঁ। শত্রুৰে ছুটিলে পাতিলে আমি সিংহক শলঠেকত পেলাওঁ। - মাও চে তুং

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতত জবিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

অসম বার্তা

প্রথম বছৰ ❑ সংখ্যা- ৩০২ ❑ বৃহস্পতিবাৰ ❑ ১০ ছেপ্টেম্বৰ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 302 ❑ Thursday ❑ 10th September, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

ইটানগৰত বিধানসভাৰ বিশেষ অধিৱেশনত উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণ

অৰুণাচল প্রদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ ঃ উপ-ৰাষ্ট্রপতি



নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰ উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণে বুধবাৰে অৰুণাচল প্রদেশৰ বিধানসভাৰ বিশেষ অধিৱেশনত অংশগ্রহণ কৰি ৰাজ্যখনক দেশৰ অংগীভূত এক অমূল্য সম্পত্তি বুলি অভিহিত কৰে। তেওঁ ভাষণত স্পষ্টভাৱে কয়, "অৰুণাচল প্রদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ। সাংস্কৃতিক বৈচিত্র্য, প্রাকৃতিক সম্পদ আৰু উন্নয়নৰ অপাৰ সম্ভাবনাই এই ৰাজ্যক অনন্য স্থান দিছে। আন্তঃৰাষ্ট্রীয় সীমান্ত স্পর্শ কৰা এই সীমান্তৰক্ষী ৰাজ্যখনৰ অগ্রগতি সমগ্র দেশৰ বাবে গুৰুত্বপূর্ণ।" উপ-ৰাষ্ট্রপতিগৰাকীয়ে সংবিধানৰ গুৰুত্ব উল্লেখ কৰি কয়, "ভিন্নতাৰ মাজত একতাৰে শোভিত আমাৰ দেশত সংবিধানে সকলো নাগৰিকক সমান অধিকাৰ প্রদান কৰিছে। গতিকে প্রতিজন ভাৰতীয়ই 'ৰাষ্ট্র প্রথম' মনোভাৱেৰে আগবাঢ়ি দেশসেৱাত নিজকে উৎসর্গিত কৰি 'বিকশিত ভাৰত' গঢ়ি তোলাৰ সংকল্প লব লাগে।" 'এক্টইষ্ট' নীতিৰ প্রসঙ্গত উপ-ৰাষ্ট্রপতিগৰাকীয়ে প্রয়াত প্রধানমন্ত্রী অটল বিহাৰী বাজপেয়ীৰ অবদানৰ কথা স্মৰণ কৰে। ❑ ৬ পৃষ্ঠাত

ডাঁ হীৰেন গোহাঁইলৈ অখিল গগৈৰ মুকলি চিঠি

কংগ্রেছৰ প্রতি অহেতুক দুর্বলতা'ৰ অভিযোগ



নিউজ ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ বিশিষ্ট বুদ্ধিজীবী ডাঁ হীৰেন গোহাঁইলৈ এখন মুকলি চিঠি লিখি তেওঁৰ শেহতীয়া ফেচবুক পোষ্টৰ প্রতিক্রিয়া প্রকাশ কৰিলে ৰাইজৰ দলৰ সভাপতি তথা শিবসাগৰৰ বিধায়ক অখিল গগৈয়ে। চিঠিখনত গগৈয়ে ডাঁ গোহাঁইৰ মূল্যায়নত "বুৰ্জোৱা কংগ্রেছৰ প্রতি অহেতুক দুর্বলতা" প্রকাশ পোৱাৰ ❑ ৬ পৃষ্ঠাত

BRICS সম্মিলনৰ সময়ত কেইবাখনো ৰাজ্যত বিমান প্রশিক্ষণত নিষেধাজ্ঞা



অনলাইন ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্রিকছ (BRICS) সম্মিলনৰ সময়ত নিৰাপত্তা ব্যবস্থা অধিক কটকটীয়া কৰাৰ উদ্দেশ্যে উত্তৰ প্রদেশৰ পৰা পৰিচালিত সকলো ফ্লাষ্টাৰ ট্রেইনিং অপাৰেটিঙ্গেচনে ❑ ৬ পৃষ্ঠাত

নগাঁও উপ-নির্বাচনৰ অধিসূচনা জাৰি, ১৬ ছেপ্টেম্বৰলৈ মনোনয়ন দাখিলৰ সময়সূচী

মনোনয়ন দাখিলৰ বাবে নির্দিষ্ট নিয়মাৱলী, জিলা প্রশাসনৰ প্রস্তুতি বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৯ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ বাবেনগাঁও জিলা নির্বাচনী বিষয়া আৰণ্যক শইকীয়াই আজি আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰে। অধিসূচনা অনুসৰি আজিৰ পৰাই মনোনয়ন দাখিলৰ ব্যবস্থা মুকলি ❑ ৬ পৃষ্ঠাত

সাতটা হাই-ডেনছিটি পথ চাৰিলেন কৰাৰ সিদ্ধান্ত

ৰে'ল কৰিড'ৰ আধুনিকীকৰণৰ অনুমোদন কেন্দ্রীয় কেবিনেটৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ অধ্যক্ষতাত বুধবাৰে অনুষ্ঠিত কেন্দ্রীয় কেবিনেট বৈঠকে ৰেলৰেৰ আধুনিকীকৰণৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূর্ণ প্রকল্পত অনুমোদন প্রদান কৰে। কেন্দ্রীয় মন্ত্রী অশ্বিনী বৈষ্ণৱে জানিবলৈ দিয়া অনুসৰি, দেশৰ সাতটা উচ্চ-ঘনত্ব (হাই-ডেনছিটি) ৰে'ল কৰিড'ৰক চাৰি লাইন বা চাৰিটা ট্রেকযুক্ত কৰাৰ সিদ্ধান্ত গ্রহণ কৰা হৈছে। অনুমোদন লাভ কৰা প্রকল্পসমূহৰ ভিতৰত কলকাতা-দিল্লী, চেন্নাই-কলকাতা, দিল্লী-মুম্বাই, মুম্বাই-চেন্নাই আৰু বিলাসপুৰ-কাটনি ৰেলপথ অন্যতম। ইয়াৰ উপৰিও মুম্বাই-হাওৱা উচ্চ-ঘনত্ব নেটৱর্কৰ খড়গপুৰ-ঝাৰছুগুড়া অংশত চতুর্থ ৰেল লাইন নির্মাণৰ অনুমোদন দিয়া হৈছে। খড়গপুৰ- ❑ ৬ পৃষ্ঠাত

উত্তৰ-পূর্বাঞ্চলত মূলধনী ব্যয় আৰু বিনিয়োগ বৃদ্ধিৰ লক্ষ্য

দিল্লীত কেন্দ্রীয় বিত্তমন্ত্রী নির্মলা সীতাৰামনক সাক্ষাৎ মুখ্যমন্ত্রী ডাঁ হিমন্ত বিশ্ব শর্মা, কনৰাড চাংমাৰ



নিউজ ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ কেন্দ্রীয় বিত্তমন্ত্রী নির্মলা সীতাৰামনক সাক্ষাৎ কৰিলে অসমৰ মুখ্যমন্ত্রী ডাঁ হিমন্ত বিশ্ব শর্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্রী কনৰাড চাংমাই। দিল্লীত অনুষ্ঠিত এই সাক্ষাতত উত্তৰ-পূর্বাঞ্চলৰ উন্নয়ন, মূলধনী ব্যয় বৃদ্ধি আৰু বাহিক সাহায্যপ্রাপ্ত প্রকল্পসমূহৰ গতি ত্বৰান্বিত কৰাৰ বিষয়ত বিশেষভাৱে আলোচনা কৰা হয়। সাক্ষাত প্রসংগত অসমৰ মুখ্যমন্ত্রীয়ে সামাজিক মাধ্যমত প্রকাশ কৰে যে, "উত্তৰ-পূর্বাঞ্চলত মূলধনী ব্যয় আৰু বিনিয়োগ বৃদ্ধি ❑ ৬ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ত অসমৰ বিদেশী ন্যায়াধিকৰণৰ কার্যবিধিৰ শুনানি

১১৭ গোচৰৰ বৃহৎ গোটৰ পৰীক্ষা, ন্যায়িক পর্যালোচনাৰ প্রয়োজনীয়তা সন্দর্ভত জ্যেষ্ঠ অধিৱক্তাৰ যুক্তি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ে বুধবাৰে অসমৰ বিদেশী ন্যায়াধিকৰণ (Foreigners ❑ ৬ পৃষ্ঠাত

অসম ৰাইফলছ, কেন্দ্রীয় শুল্ক বিভাগ আৰু কাছাৰ আৰক্ষীৰ যৌথ উদ্যোগ

কাছাৰত নিচা বিৰোধী যুটীয়া অভিযানত ৪৫ কোটি টকা মূল্যৰ য়াবা টেবলেট জব্দ



ষ্টাফ ৰিপৰ্টাৰ, কাছাৰ, ৯ ছেপ্টেম্বৰ ঃ নিচাজাতীয় সামগ্রীৰ বিৰুদ্ধে কাছাৰ জিলাত অভিযান অব্যাহত আছে। গোপন তথ্যৰ ভিত্তিত অসম ৰাইফলছ, কেন্দ্রীয় শুল্ক বিভাগ আৰু কাছাৰ আৰক্ষীয়ে যুটীয়াভাৱে চলোৱা এক বিশেষ অভিযানত মনিপুৰ সীমান্তবর্তী জিৰিঘাটৰ লালপানী এলেকাত ৪৫ কোটি টকা মূল্যৰ নিচাজাতীয় য়াবা টেবলেট জব্দ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে মনিপুৰৰ পৰা আহি এখন ট্রাকত তালচী চলাই ❑ ৭ পৃষ্ঠাত

চুগাৰ ডেডী'ৰ পৰিচয় পোহৰলৈ; ফ্রীজ, তেজৰ চেঁকুৰা আৰু কাপোৰ জব্দ

ৰিয়া তালুকদাৰ হত্যাকাণ্ডৰ চিন ৰিক্রিয়েচন



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ বেলতলা-বশিষ্ঠপুৰ অঞ্চলৰ ৰিয়া তালুকদাৰ হত্যাকাণ্ডৰ তদন্তত একৰ পাছত একৰকৈ গুৰুত্বপূর্ণ তথ্য পোহৰলৈ আহিছে। ইতিমধ্যে আৰক্ষীয়ে এই হত্যাকাণ্ডৰ পাছতে সমাজ মাধ্যমত চর্চালৈ অহা 'চুগাৰ ডেডী' নামৰ ❑ ৬ পৃষ্ঠাত

নগাঁও লোকসভা উপনির্বাচনক লৈ তুংগত ৰাজনৈতিক যুঁজ

নগাঁৱৰ প্রার্থিত্বৰ দৌৰত কোন ?

ৰেজাউল কৰিম সৰকাৰ-দেৱাশিস শর্মাৰ নামক লৈ সর্বত্র চর্চা, প্রার্থিত্বক লৈ কংগ্রেছতো তৎপৰতা



অসম বার্তা, বটদ্রবা, ৯ ছেপ্টেম্বৰঃ এখন আসন, প্রায় ১৯ লাখ ভোটাৰ আৰু তিনিটা প্রধান ৰাজনৈতিক শক্তিৰ মাজত তীব্র প্রতিদ্বন্দ্বিতাত সম্ভাবনা-এই তিনিটা কাৰকে ৯ নং নগাঁও লোকসভা সমষ্টিৰ উপনির্বাচনক ইতিমধ্যে ৰাজ্যৰ ৰাজনৈতিক মহলৰ অন্যতম গুৰুত্বপূর্ণ নির্বাচনী যুঁজলৈ পৰিণত কৰিছে। ৬ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া ❑ ৬ পৃষ্ঠাত

মন্ত্রী পীযুষ হাজৰিকাৰ উপস্থিতিত ২১ পঞ্চায়ত সভাপতিসহ শতাধিক নেতা-কর্মীৰ বিজেপিত যোগদান

নগাঁৱৰ উপ-নির্বাচনৰ পূর্বে ধিঙত খহিল কংগ্রেছৰ ভেঁটি



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ প্রাক্কণত ধিং অঞ্চলত কংগ্রেছৰ বাবে এক ডাঙৰ ধাক্কা। ক্রমান্বয়ে শূন্য হৈ পৰা দলটোৱে সাংগঠনিক ভেটিৰ মাজতে বিজেপিয়ে সংখ্যালঘু আধ্যায়িত এলেকাত এক বৃহৎ নির্বাচনী সভাৰ জৰিয়তে শক্তি বৃদ্ধিৰ প্রয়াস চলাইছে। ধিং উন্নয়ন খণ্ডৰ ধূপগুৰিত আয়োজিত এই সভাতে কংগ্রেছৰ পৰা বিজেপিলৈ গুৰুত্বপূর্ণ যোগদান ঘটে, যি নগাঁও উপ-নির্বাচনৰ সমীকৰণ সলনি কৰাৰ ইংগিত বহন কৰে। সভাখনত মন্ত্রী পীযুষ হাজৰিকাই সংখ্যালঘু ভোটাৰসকলক নিজা ভাষাত ভাষণ প্রদান কৰে। মুখ্যমন্ত্রী ডাঁ হিমন্ত বিশ্ব শর্মাই যাক 'মিঞা' ভোট বুলি অভিহিত কৰিছিল, তাৰেই প্রতি লক্ষ্য ৰাখি মন্ত্রী হাজৰিকাই মিঞা উপ-ভাষাত উপস্থিত পুৰুষ-মহিলাসকলক সম্বোধন কৰি বিজেপিৰ পক্ষত সমর্থন বিচাৰে। এই পদক্ষেপে বিজেপি যে সংখ্যালঘু অঞ্চলত নিজৰ গ্রহণযোগ্যতা বৃদ্ধি কৰিবলৈ সজাগ হৈ উঠিছে, সেয়া স্পষ্ট কৰে। অনুষ্ঠানটোত প্রায় ৯৭ গাঁৱকী নির্বাচিত পঞ্চায়ত পর্যায়ৰ জনপ্রতিনিধি আৰু ১০০ বো অধিক কংগ্রেছ নেতা-কর্মীয়ে আনুষ্ঠানিকভাৱে ❑ ৬ পৃষ্ঠাত

মাছ ধৰিবলৈ গৈ খেৰকটীয়া নৈত সন্ধানহীন মযূৰী পায়েং

অসম বার্তা, উজনী মাজুলী, ৯ ছেপ্টেম্বৰ ঃ মাজুলীৰ গঞ্জমুখ আৰক্ষী থানাৰ অন্তর্গত বালি জকাইবোৰা গাঁৱৰ মযূৰী পায়েং (২৫) আজি খেৰকটীয়া নৈত মাছ মাৰিবলৈ গৈ সন্ধানহীন হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, পকাঘৰ গাঁও পঞ্চায়তৰ অন্তর্গত বালি জকাইবোৰা গাঁৱৰ নিবাসী নিলমজ্যোতি পায়েঙৰ পত্নী মযূৰী পায়েং আজি পুৱা প্রায় ❑ ৬ পৃষ্ঠাত

■ সাংস্কৃতিক মন্ত্রী বিমল বড়াৰ সহায়ৰ আশ্বাস ■

১৭-১৯ ছেপ্টেম্বৰত সোণাপুৰত স্মৃতিচাৰণ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ অসমৰ জনপ্রিয় সংগীতশিল্পী তথা 'হার্টথ্বৰ' নামেৰে পৰিচিত জুবিন গার্গৰ প্রথম বার্ষিক মৃত্যু তিথিৰ মূল নীতি-নিয়মমতে বহু মহীয়া কার্যসূচী ১৩ মাহত পালন কৰা হ'ব। তেওঁৰ পত্নী গৰিমা শইকীয়া গার্গে এই সিদ্ধান্তৰ কথা স্পষ্ট কৰি কয় যে ১৭ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈ সোণাপুৰৰ জুবিন ক্ষেত্রত তিনিদিনীয়া স্মৰণীয় কার্যসূচী অনুষ্ঠিত কৰা হ'ব। ইতিমধ্যে জুবিন গার্গৰ এঘাৰ মহীয়া তিথি উপলক্ষে পত্নী গৰিমা শইকীয়া গার্গে প্রিয় স্বামীয়ে খাই ভাল পোৱা ৰুটি আৰু মাছ ভাজি প্রস্তুত কৰি শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে। এই সময়ছোৱাত তেওঁ জুবিনৰ প্রতি থকা মৰম আৰু আবেগ পুনৰবাৰ প্রকাশ কৰি কয় যে স্মৃতিসমূহ আজিও সমানে জীয়াই আছে। ১৭ ছেপ্টেম্বৰৰ দিনটো 'জুবিন দিৱস' হিচাপে পালন কৰা হ'ব বুলি জনাই গৰিমাই কয়, "বিয়লি প্রায় ৫ বজাৰ পৰা ৫.৩০ বজালৈকে ❑ ৭ পৃষ্ঠাত

অষ্ট্রেলিয়া 'এ'ৰ বিৰুদ্ধে তিনিখন এদিনীয়া শৃংখলা

পুনৰ প্রতিযোগিতামূলক ক্রিকেটলৈ হার্দিক পাণ্ডিয়া



নেশ্যনেল ডেস্ক, অসম বার্তা, ৯ ছেপ্টেম্বৰ ঃ বহুদিনীয়া অনুপস্থিতিৰ পাছত আকৌ এবাৰ প্রতিযোগিতামূলক ক্রিকেটলৈ ঘুৰি আহিবলৈ সাজু হৈছে হার্দিক পাণ্ডিয়া। অষ্ট্রেলিয়া 'এ'ৰ বিৰুদ্ধে আগন্তুক তিনিখন এদিনীয়া শৃংখলাৰ বাবে ভাৰত 'এ' দলত তেওঁ স্থান লাভ কৰিছে। অৱশ্যে তেওঁৰ খেলপথাৰত অৱতীর্ণ হওকবা নহওক, সম্পূর্ণৰূপে ❑ ৬ পৃষ্ঠাত

গুজৰাটৰ চাহ দোকানৰ পৰা বিশ্ব নেতৃত্বলৈ এক অভূতপূর্ব যাত্রা

১৭ ছেপ্টেম্বৰৰ পৰা বিজেপিৰ 'সেৱা সংকল্প অভিযান'



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ অহা ৭ অক্টোবৰত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে বাজঘৰা সেৱাত একেবাহে ২৫ বছৰ সম্পূর্ণ কৰিবলৈ চলি আছে। ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্রী হিচাপে শপত গ্রহণ কৰাৰ পৰা আৰম্ভ হোৱা এই দীর্ঘ যাত্রা ২০১৪ চনত প্রধানমন্ত্রী হোৱাৰ লগতে নতুন মাত্রা লাভ কৰে আৰু ২০১৯ আৰু ২০২৪ চনৰ নির্বাচনী বিজয়ৰ মাজেৰে ই আজিও অব্যাহত আছে। এই ঐতিহাসিক সাফল্যক স্মৰণীয় কৰিবলৈ ভাৰতীয় জনতা পার্টীয়ে আগন্তুক ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ 'সেৱা সংকল্প অভিযান' আয়োজন কৰিব বুলি ৰাষ্ট্রীয় সভাপতি নীতিন নবীয়ে ঘোষণা কৰে। অসমৰ মুখ্যমন্ত্রী ডাঁ হিমন্ত বিশ্ব শর্মাই নিজৰ এক্স হেণ্ডেলত প্রধানমন্ত্রী মোদীৰ এই ২৫ বছৰীয়া নেতৃত্বক গভীৰভাৱে বিশ্লেষণ কৰি এটি দীঘলীয়া ভাষ্য প্রকাশ কৰে। তেওঁ কয় যে ২০০১ চনত গুজৰাটৰ দায়িত্ব লওঁতে বাজ্যখন ভূমিকম্পৰ ধ্বংসলীলাৰ পৰা উত্তৰণৰ পথত আছিল; কিন্তু মোদীৰ নেতৃত্বতে সেই ধ্বংসৰ মাজৰ পৰাই পুনর্গঠন আৰু আত্মবিশ্বাসৰ ❑ ৬ পৃষ্ঠাত

ঠিকা লাভ কৰা এ জি এইডছ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডৰ ভূমিকাক সমালোচনা ৰাইজৰ

অসম মালাৰ বেংবাৰীৰ পৰা নাওকাটালৈ নিৰ্মীয়মান পথটোৰে কন্দুৱাইছে ৰাইজক

৩৬.৫১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ ৰাইজৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৯ ছেপ্টেম্বৰ ঃ অটল অবিচল অগ্ৰগামী অসম শ্লোগানেৰে ঢাক ঢোল বজাই অহা অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে দৈনিক ১৩ কিলোমিটাৰ পকী পথ আৰু এখনকৈ পকী দলং নিৰ্মাণ কৰি আন্তঃগাঁথনি উন্নয়নৰ দিশত উল্লেখনীয় সফলতা অৰ্জন কৰাৰ দাবী কৰি অহাৰ বিপৰীতে পিছে ওদালগুৰি জিলা লোক নিৰ্মাণ সংমণ্ডল কাৰ্য্যালয়ৰ অসম মালা আঁচনিৰ বেংবাৰীৰ পৰা নাওকাটালৈ নিৰ্মিয়মান পথাটোৰ লেহেমীয়া আৰু অতি নিম্ন মানৰ আসোঁৱাহপূৰ্ণ কামে কন্দুৱাইছে ৰাইজক। সুদীৰ্ঘ দিন ধৰি সহস্ৰাধিক ৰাইজক বেংবাৰীৰ পৰা নাওকাটালৈ যোৱা ৩৬.৫১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱাৰ জৰাজীৰ্ণ অৱস্থাই জীৱন যাত্ৰাত ব্যাঘাত জন্মাই যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰি অহাৰ সময়তে উক্ত পথটো পুনৰ নিৰ্মাণৰ বাবে ব্যৱহৃত বিগত ২০২৩ চনত অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অসম মালা ২.০ আঁচনিৰ অধীনত ২০২৩-২০২৪ বিত্তীয় বৰ্ষত প্ৰায় ১১৬ কোটি টকা আবন্তন দিয়াৰ লগতে টংলাৰ স্থানীয় ঠিকাদাৰ উমেশ বেৰিয়াৰ তেওঁৰ নিৰ্মাণ সংস্থা এ জি এইডছ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডে উক্ত পথটো পুনৰ নিৰ্মাণৰ ঠিকা লাভ কৰে। বেংবাৰীৰ পৰা নাওকাটালৈ যোৱা পথটোৰ লগত সংলগ্ন হৈ থকা ওদালগুৰি জিলা আৰু তামোলপুৰ জিলা দুখনৰ লাখ লাখ জনতাই স্থানীয় ঠিকাদাৰে পথটো পুনৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰাত সন্তোষ লাভ কৰিছিল যদিও হিতৰ বিপৰীতে বৰ্ত্তমান প্ৰায় ৮০ শতাংশ কাম শেষ হোৱা অৱস্থাত নিৰ্মাণৰ কামৰ নমুনা দেখি তবধ মানিছে ৰাইজে। আবন্তিত ধনৰ সিংহ ভাগ ইতিধ্যেই মুকলি কৰি নিয়া উক্ত পথটোৰ জি এছ বি, ডব্লিও এম এমত ব্যৱহাৰ কৰা মেটেলৰ ওপৰত সন্দেহ আৰু অভিযোগ আছে ৰাইজৰ। তদুপৰি বৰ্তমানলৈ পথটোৰ অধিক স্থানত ডি বি এম অৰ্থাৎ প্ৰথম কাৰপেটিং হৈছে যদিও অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰি প্ৰথম কাৰপেটিং কৰাৰ ফলত পথটো সময়তকৈ আগে নষ্ট হোৱাৰ আশংকা কৰিছে ৰাইজে। ইতিমধ্যে দুই এজাক বৰষুণতে নিৰ্মিয়মান পথটোৰ বহু স্থানত দ' গাতৰ দৰে সোমাই যোৱা পৰিলক্ষিত হৈছে। প্ৰথম কাৰ্পেটিং কৰাৰ পিছতে পথটোৰ কাষবোৰ গাঁতৰ দৰে সোমাই যোৱা পৰিলক্ষিত হৈছে যদিও সঠিক ৰূপত দ' গাতবোৰ মেৰামতি নকৰাকৈ তাৰ ওপৰতে কাৰ্পেটিং কৰাৰ ফলত অতি শীঘ্ৰে পথটো বিধ্বস্ত হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে কিছু কিছু অঞ্চলত এছ ডি বি চি অৰ্থাৎ ফাইনেল কাৰপেটিং কৰিছে যদিও বৰ্তমানে কেইবাখনো পকী দলঙৰ দুই মূৰে এপ্ৰচ্ছ খহি নপৰিবলৈ প্ৰয়োজনীয় গাৰ্ড ওৱাল অথবা বল্ডাৰ গাঁঠি দিয়া দেখা নাই ৰাইজে। বিশেষকৈ টংলা চহৰ অঞ্চলত পকী পথৰ দুই কাষে প্ৰয়োজনতকৈ অধিক উচ্চতাৰ পকী নলা নিৰ্মাণ কৰাকলৈ বিতৰ্কৰ সৃষ্টি হোৱাৰ সমান্তৰাল ভাৱে পকী নলা নিৰ্মাণৰ ক্ষেত্ৰত বহু বিসংগতি থকাৰ অভিযোগ উত্থাপিত হৈছে। সংশ্লিষ্ট বিভাগীয় অভিযন্তা আৰু মূল ঠিকাদাৰৰ কনিষ্ঠ অভিযন্তা আছে যদিও কোনো কাৰিকৰী কুশলতাৰ জ্ঞান নথকা একাংশ উপ ঠিকাদাৰ আৰু তেওঁলোকৰ কাম চোৱা-চিতা কৰা লোকৰ ময়মতালীৰ বাবে এই গুৰুত্বপূৰ্ণ পথটোৰ নিৰ্মাণত ব্যাপক অনিয়াম সংঘটিত হোৱাৰ উপৰিও নিম্ন মানদণ্ডৰ কাম হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে উক্ত পথটোৰ বিভিন্ন অঞ্চলত পথৰ কাষৰ চাইড বাম প্ৰাককলন অনুসৰি নিৰ্মাণ নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে। টংলা টাউন আৰু কুকুৰাকাটাত উক্ত পথ নিৰ্মাণৰ লগত সৌন্দৰ্য্যবৰ্ধনৰ বাবে পদ পথত ঠায়ে ঠায়ে দিয়া লোৰ ৰেলিঙ ইমানে নিম্নমানৰ আৰু পিছত পকী ধালাই ভাঙি বহুৱাত ইতিধ্যেই কেইবা ঠাইত লোৰ ৰেলিং এৰি পৰাৰ লগতে বেঁকা হৈ পৰা পৰিলক্ষিত হৈছে। ইফালে টংলা টাউন আৰু কুকুৰাকাটালৈ পুৰণি বৈদ্যুতিক ব্যৱস্থা সলনি কৰি যি নতুন বৈদ্যুতিক ব্যৱস্থা কৰিছে সেই বৈদ্যুতিক ব্যৱস্থা অতি নিম্ন আৰু আসোঁৱাহপূৰ্ণ হোৱাৰ অভিযোগ কৰিছে ৰাইজে। নিৰ্মিয়মান এই গুৰুত্বপূৰ্ণ পকী পথটোৰ প্ৰথম কাৰ্পেটিং কৰাৰ পিছতে সৃষ্টিৰ হোৱা গাতবোৰ মেৰামতি নকৰাকৈয়ে ঠায়ে ঠায়ে ফাইনেল কাৰ্পেইটিং কৰা কাৰ্য্যই অসম লোক নিৰ্মাণ বিভাগৰ ওদালগুৰি সংমণ্ডল আৰু টংলা উপ সংমণ্ডল কাৰ্য্যালয়ৰ নিৰ্লিপ্ত ভূমিকাই ৰাইজৰ মনত সন্দেহ সৃষ্টি কৰিছে। জানিব পৰা মতে দিশপুৰৰ আৰ্শীবাদপুষ্ট এইগৰাকী ঠিকাদাৰক ওদালগুৰি জিলাৰ লোক নিৰ্মাণ বিভাগে বিভাগীয় ভাবে উক্ত পথৰ কামৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ কৰাত অসুবিধা পাইছে যাৰ ফলত বিভাগীয় নিৰ্দেশ নিৰ্দেশনা নামানি ঠিকাদাৰ আৰু তেওঁৰ নিজা কনিষ্ঠ অভিযন্তা আৰু উপ ঠিকাদাৰসকলে নিজ খেয়াল খুচিৰে পথ নিৰ্মাণৰ কাম কৰিছে। ইয়াৰ ফলত অতি নিম্ন মানসম্পন্ন কাম কৰাৰ ফলতে ৰাইজে সময়ৰ পূৰ্বে ভুগিব কষ্ট। উল্লেখ যে, এজিএইডছ কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডে ৰাজ্যৰ ওদালগুৰি, দৰং, কাৰ্বি আংলং আদি বহু কেইখন জিলাত অসম মালাৰ অধীনত পথ নিৰ্মাণৰ বহু ঠিকা লৈ নিজৰ বহন ক্ষমতাতকৈ অতিৰিক্ত কামৰ বাবে ওদালগুৰিৰ দৰে কোনো এটা পথে লোক নিৰ্মাণ বিভাগে বান্ধি দিয়া নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিব সক্ষম হোৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। ইয়াৰে ব্যতিক্ৰম নহয় অসম মালাৰ বেংবাৰীৰ পৰা নাওকাটালৈ যোৱা পথৰ কাম। ডেৰ বছৰত সম্পূৰ্ণ হ'বলগীয়া পথটো তিনি বছৰটো সম্পূৰ্ণ নোহোৱা দিশে আগবাঢ়িছে। গুৰুত্বপূৰ্ণ কথা যে, পথটো নিৰ্মাণৰ পৰা পাঁচ বছৰ মেৰামতিৰ দায়িত্ব ঠিকাদাৰৰ থাকে যদিও উক্ত পথটো সম্পূৰ্ণ নিৰ্মাণ হৈ উঠাৰ পিছত মেৰামতিৰ সময়ো উকলি যাব, ফলত মেৰামতিৰ নামত সঞ্চিত ধনখিনি ঠিকাদাৰে সহজে উলিয়াই নিব পাৰিব পাৰে বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। আনহাতে ঠিকাদাৰৰ আৰ্শীবাদপুষ্ট সকলো সামাজিক ব্যক্তি বিশেষে পথটোৰ নিম্ন মানদণ্ডৰ কাম দেখিও নেদেখাৰ ভাওঁলৈ নীৰৱ ভূমিকা লোৱাক লৈও উঠিছে প্ৰশ্ন। এই বাতৰি প্ৰকাশৰ পিছত ঠিকাদাৰে নিজে তদাৰক কৰি তেওঁৰ নিজা পৈতিক বাসগৃহৰ পদূলিৰে যোৱা বেংবাৰী-নাওকাটা পকী পথটো সঠিক আৰু সুন্দৰকৈ নিৰ্মাণ কৰি টংলাবাসী ৰাইজৰ সন্মান ৰক্ষা কৰিবনে। এই ক্ষেত্ৰত ওদালগুৰি লোক নিৰ্মাণ বিভাগে বিভাগীয় ক্ষেত্ৰ ভিত্তিক পৰীক্ষা কৰি আচঁনিৰ প্ৰাককলন অনুসৰি এই গুৰুত্বপূৰ্ণ পথটো সঠিক ৰূপত নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? সমাগত শাৰদীয় দুৰ্গা পূজাৰ পূৰ্বে সঠিক ৰূপত প্ৰাককলন মতে পথটোৰ নিৰ্মাণ সম্পূৰ্ণ কৰি তুলিব দাবী জনাইছে ৰাইজে।

ডিব্ৰুগড়ত তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভা

৩৩ জনীয়া নতুন সমিতি গঠন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান ডিব্ৰুগড় তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ ত্ৰি-বাৰ্ষিক সাধাৰণ সভাখনি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰৰ সভাপতি হেম কান্ত দিহিঙ্গীয়াই। ইয়াৰ পিছতে চাও চেং ৰেণত বন্তি প্ৰজ্বলন আৰু মাংগলিক কাৰ্যসূচী সম্পন্ন কৰে কেন্দ্ৰৰ ম'লুংসকলে। সভাপতি হেম কান্ত দিহিঙ্গীয়াৰ সভাপতিত্বত মূল সাধাৰণ সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে কেন্দ্ৰৰ প্ৰয়াত সদস্যসকলৰ লগতে শেহতীয়াকৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বিভিন্ন ঠাইত সংঘটিত বানপানীত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সভাত কেন্দ্ৰৰ সাধাৰণ সম্পাদক দুৰ্লভ গগৈয়ে সম্পাদকীয় প্ৰতিবেদন উত্থাপন কৰি বিগত কাৰ্যকালত কেন্দ্ৰটোৱে গ্ৰহণ কৰা বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক কাৰ্যসূচী তথা কেন্দ্ৰৰ সামগ্ৰিক কাম-কাজৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। সদস্যসকলে বিভিন্ন পৰামৰ্শ আৰু সংযোজন আগবঢ়োৱাৰ পিছত সম্পাদকীয় প্ৰতিবেদনখন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। কেন্দ্ৰৰ বাৰ্ষিক আয়-ব্যয়ৰ হিচাপৰ প্ৰতিবেদনো সভাই সৰ্বসন্মতিক্ৰমে অনুমোদন কৰে। সভাত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। সংগীত পৰিচালক গন্ধেশ্বৰ চমুৱা আৰু জনপ্ৰিয় সংগীত শিল্পী ভুৱন গগৈয়ে গীত পৰিৱেশন কৰে। বিশিষ্ট নৃত্য পৰিচালিকা ৰুবি গগৈ সন্দিকৈৰ পৰিচালনাত কেইবাটিও নৃত্য পৰিৱেশন কৰা হয়। সভাত কেন্দ্ৰৰ উপদেষ্টা মহেন বুঢ়াগোহাঁই, তৰুণ গগৈ, কৃষ্ণ কান্ত চেতিয়া, কাৰ্যকৰী সভাপতি দীপক কুমাৰ চাংমা, উপ-সভাপতি ৰঞ্জিত বৰুৱা, মদন চন্দ্ৰ কোঁৱৰ, ম'লুংনৰ ফুকন, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক খগেন্দ্ৰনাথ চেতিয়া ফুকন, তাই সাহিত্য সভাৰ উপ-সভাপতি ইন্দ্ৰ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্যতম গুৰুত্বপূৰ্ণ সিদ্ধান্ত হিচাপে পৰৱৰ্তী তিনিটা কাৰ্যকালৰ বাবে হেম কান্ত দিহিঙ্গীয়াক সভাপতি হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। দীপক কুমাৰ চাংমাই আৰু ৰঞ্জিত বৰুৱাক কাৰ্যকৰী সভাপতি, শশাংক নেওগ, মদন কোঁৱৰ আৰু জীৱন বড়াক উপ-সভাপতি, দুৰ্লভ গগৈক সাধাৰণ সম্পাদক, ধ্ৰুৱজ্যোতি গগৈ, দিগন্ত ফুকন আৰু প্ৰাঞ্জল গগৈক সহকাৰী সম্পাদক আৰু পুতুল দুৱৰাক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। মুঠ ৩৩ জনীয়া নতুন সমিতিখনে আগন্তুক কাৰ্যকালত তাই ভাষা-সাহিত্য, সংস্কৃতি, শিক্ষা আৰু সামাজিক ক্ষেত্ৰত কেন্দ্ৰটোৰ কাম-কাজ অধিক গতিশীল কৰি তোলাৰ লগতে তাই জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা আৰু সাংস্কৃতিক স্বকীয়তা সংৰক্ষণৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ আশা প্ৰকাশ কৰা হয়।

কোকৰাঝাৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন



অসম বাৰ্তা, কোকৰাঝাৰ, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কোকৰাঝাৰতো দিনযোৰা কাৰ্যসূচী অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ বৰ্ণাঢ্য জীৱন আৰু অনন্য সৃষ্টিৰাজিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ তথা সাংস্কৃতিক ব্যক্তিত্ব হিচাপে ড° হাজৰিকাই অসমৰ লগতে সমগ্ৰ দেশৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অতুলনীয় অৱদানে এক অনন্য মাত্ৰা প্ৰদান কৰি গৈছে বুলি অনুষ্ঠানত আলোচনা কৰা হয়। আদৰণি ভাষণত অতিৰিক্ত জিলা আয়ুক্ত অনিছ ৰাছুল মজুমদাৰে ড° ভূপেন হাজৰিকাৰ সৃষ্টিৰ সাংস্কৃতিক আৰু সামাজিক তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে ড° হাজৰিকাৰ গীত কেৱল সংগীতৰ মাজতে সীমাবদ্ধ নাথাকি মানৱতা, সামাজিক সচেতনতা, সম্প্ৰীতি আৰু জনসাধাৰণৰ আশা-আকাংক্ষাৰ শক্তিশালী প্ৰকাশৰ মাধ্যম হিচাপে পৰিগণিত হৈছে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থকা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী সুমি কলিতাই ড° ভূপেন হাজৰিকাৰ গীত আৰু সৃষ্টিৰ অন্তৰ্নিহিত গভীৰ অৰ্থ আৰু মূল্যবোধৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ নতুন প্ৰজন্মক কেৱল সুৰ আৰু সংগীতৰ মাজতে ড° হাজৰিকাৰ সৃষ্টিক সীমাবদ্ধ নাৰাখি, তেওঁৰ সৃষ্টিৰ মাজত নিহিত চিন্তা-চেতনা, মূল্যবোধ আৰু সামাজিক বাৰ্তাসমূহ উপলব্ধি কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে যুৱ প্ৰজন্মক জীৱনত সৎ আৰু সঠিক পথত অটল থাকিবলৈ আৰু নেতিবাচক প্ৰভাৱ তথা অসৎ প্ৰৱণতাৰ পৰা সচেতনভাৱে আঁতৰি থাকিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ অংশ হিচাপে সমবেত কণ্ঠত ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ লগতে একক সংগীতানুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানৰ অংশ হিচাপে কোকৰাঝাৰৰ সুধাকণ্ঠ কাননত স্থাপিত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত সুপ্ৰভা ৰয়, সহকাৰী আয়ুক্ত বন্তি তালুকদাৰ, কৃষাণ জ্যোতি ডেকা আৰু পলাশ ৰাজকুমাৰ আহোমৰ লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰতিনিধি আৰু সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকল উপস্থিত থাকে।

শিল্পীগৰাকীৰ গীত পৰিৱেশনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন গোৰ্খা ছাত্ৰ সন্থাৰ

বিশিষ্ট কণ্ঠশিল্পী হুকুমলাল মগৰৰ দেহাৱসান; গোৰ্খা সমাজত শোকৰ ছাঁ



অসম বাৰ্তা, গোৰেশ্বৰ, ৯ ছেপ্টেম্বৰ ঃ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বিশিষ্ট সংগীত শিল্পী, গোৰ্খা লোকসংগীতৰ একনিষ্ঠ সাধক তথা ভ্ৰাম্যমাণ থিয়েটাৰ জগতৰ প্ৰতিষ্ঠিত সংগীত শিল্পী হুকুমলাল মগৰৰ দেহাৱসান ঘটিছে। বিগত কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা শিল্পীগৰাকীয়ে যোৱা ৫ ছেপ্টেম্বৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। তেখেতৰ মৃত্যুত অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ লগতে গোৰ্খা সমাজত গভীৰ শোকৰ ছাঁ পৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে-লগে তামোলপুৰ জিলাৰ অন্তৰ্গত নাগ্ৰিজুলীৰ সুৰপাৰাস্থিত তেওঁৰ শোকাকুল বাসগৃহত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, শুভাকাংক্ষী তথা গুণমুগ্ধৰ ভিৰ পৰে। তেখেতৰ শেষবাৰৰ বাবে এবাৰ চাবলৈ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ বহু লোক বাসগৃহত উপস্থিত হয়। অসম চৰকাৰৰ গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং, উপাধ্যক্ষ ৰাম দাহাল আৰু বিটিচিৰ কাৰ্যবাহী সদস্য লক্ষ্মী (ভজন) দাসৰ লগতে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম গোৰ্খা সন্মিলন, অসম নেপালী সাহিত্য সভাকে ধৰি বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ প্ৰয়াত হুকুমলাল মগৰৰ পাৰ্থিৱ শৰীৰত শেষ শ্ৰদ্ধা নিবেদন কৰে। ইপিনে, জিলাখনত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত নাগ্ৰীজুলি আৰু পূৱ ডেফেলীত সদ্যপ্ৰয়াত শিল্পীগৰাকীৰ স্মৃতিত পৃথকে পৃথকে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সংগঠনটোৰ সদস্যসকলে তেওঁৰ কালজয়ী গীত 'কাগজ নম্বৰমা, খুকুৰী কম্বৰমা' গীতৰ কলি পৰিৱেশন কৰি প্ৰয়াত শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহঃ সাংস্কৃতিক সম্পাদক শিবু সোণাৰ, তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিপ্লৱ চিমৰীয়াকে ধৰি বহু সাংস্কৃতিক আৰু সামাজিক কৰ্মী উপস্থিত থাকি প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে, বিশিষ্ট কণ্ঠশিল্পী হুকুমলাল মগৰে অসমীয়া আৰু নেপালী দুয়োটা ভাষাৰ সংগীত ক্ষেত্ৰলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। বহু অসমীয়া আৰু নেপালী গীতত কণ্ঠদান কৰাৰ উপৰি তেওঁ অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰ শকুন্তলা আৰু নেপালী ভাষাৰ ভ্ৰাম্যমাণ থিয়েটাৰ লালীগুৰাঁসৰ মুখ্য সংগীত শিল্পী হিচাপে দীৰ্ঘদিন সেৱা আগবঢ়াইছিল। ইয়াৰোপৰি, অসম চৰকাৰৰ গোৰ্খা উন্নয়ন পৰিষদৰ উদ্যোগত অনুষ্ঠিত গোৰ্খা লোকগীত আৰু লোকসংস্কৃতিৰ কৰ্মশালাত সংগীত প্ৰশিক্ষক তথা শিল্পী হিচাপেও তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বিশেষকৈ তেওঁৰ কণ্ঠত জনপ্ৰিয়তা লাভ কৰা 'কাগজ নম্বৰমা, খুকুৰী কমৰমা' শীৰ্ষক গীতটো গোৰ্খা সমাজৰ বিভিন্ন সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠানত আজিও বিশেষভাৱে সমাদৃত। গীতটোৰ সৈতে পৰিৱেশন কৰা খুকুৰী নৃত্যই গোৰ্খা জনগোষ্ঠীৰ সাহস, বীৰত্ব আৰু গৌৰৱগাথাক সাংস্কৃতিকভাৱে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কঢ়িয়াই নিয়াত বিশেষ ভূমিকা পালন কৰি আহিছে। ইপিনে, শিল্পীগৰাকীৰ বিয়োগত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, অসম গোৰ্খা সন্মিলন, অসম নেপালী সাহিত্য সভা, গোৰ্খা উন্নয়ন পৰিষদকে ধৰি বিভিন্ন দল সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

পূষ্পা বৰগোঁহাই সোঁৱৰণি আন্তঃ ক্লাব ফুটবল লীগ

মণ্টু লাচনৰ হেট্ৰিকসহ ৪টা গলেৰে আৰ.এন. জি ক্লাব ছেমিত প্ৰৱেশ

অসম বাৰ্তা, চেপন, ৯ ছেপ্টেম্বৰ ঃ মৰাণহাট ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা পূষ্পা বৰগোঁহাই সোঁৱৰণি আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাত আৰ.এন. জি ক্লাব, মৰাণে জয়ৰ ধাৰা অব্যাহত ৰাখিছে। প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেলত আৰ.এন.জি. ক্লাব, মৰাণে নিউ জেনেৰেচন ফুটবল ক্লাবক ৭-১ গলৰ ব্যৱধানত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। সম্পূৰ্ণ একপক্ষীয় খেলখনত আৰ.এন. জি ক্লাবৰ হৈ খেলৰ ১২ মিনিটত দীপাংকৰ লিকচনে ১-০ ৰ অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পাছতে পুনৰ আৰ.এন. জি ক্লাবৰ হৈ মণ্টু লাচন (২৫ মিনিট) এটা গল স্ক'ৰ কৰাত বিৰতিলৈকে দলটো ২-০ ত আগবাঢ়ি থাকে। আনহাতে দ্বিতীয়াৰ্ধৰ আৰম্ভণিৰ পৰা আৰ.এন. জি ক্লাবৰ দলটো অধিক আক্ৰমনাত্মক হৈ উঠে আৰু খেলৰ ৩৭ মিনিটত ব্যক্তিগতভাৱে দ্বিতীয়টো গল স্ক'ৰ কৰি গলৰ সংখ্যা ৩-০ লৈ বৃদ্ধি কৰে। অৱশ্যে ইয়াৰ ১ মিনিটৰ পাছতে নিউ জেনেৰেচন ক্লাবৰ সুযোগ সন্ধানী খেলুৱৈ যতীন পাটগিৰিয়ে এটা গল দিবলৈ সক্ষম হোৱাত গলৰ সংখ্যা ৩-১ লৈ হ্ৰাস পায়। ইয়াৰ পাছতে আৰ.এন. জি ক্লাবৰ হৈ দিব্যজ্যোতি লাচনে ৪৪ মিনিটত এটা আৰু মণ্টু লাচনে ৫০, ৫৭ আৰু ৬৫ মিনিটত ক্ৰমাগতভাৱে তিনিটাকৈ গল স্ক'ৰ কৰি প্ৰতিযোগিতাখনত প্ৰথমটো হেট্ৰিক অৰ্জন কৰাৰ লগতে নিউ জেনেৰেচন ক্লাৱক এক প্ৰকাৰৰ বিধস্ত কৰি নিজ দলক ছেমিফাইনেলত উপনীত কৰায়। আজিৰ খেলত বিধিনিষিদ্ধভাৱে বিপক্ষৰ খেলুৱৈক আক্ৰমণ কৰাৰ আৰ.এন. জি ক্লাব, মৰাণৰ মণ্টু লাচনক খেল পৰিচালকে হালধীয়া কাৰ্ড প্ৰদৰ্শন কৰি সতৰ্ক কৰি দিয়াৰ উপৰি দিব্যজ্যোতি লাচনক ৰঙা কাৰ্ড দেখুৱাই খেলপথাৰৰ পৰা বাহিৰ কৰি দিয়ে। আজিৰ খেলখন পৰিচালনা কৰে চৰাইদেউৰ বিষ্ণুজ্যোতি লাচন, কিৰন মিলি, বিকাশ বৰগোঁহাই আৰু নীলঞ্জন চেতিয়াই। ইয়াৰ পূৰ্বে আজিৰ খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে চেপন ক্ৰীড়া সন্থাৰ মুখ্য সম্পাদক অজয় সূতে কাইলৈ প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। বিয়লি ২-৩০ বজাৰ পৰা আৰম্ভ হ'ব লগা খেলখন মৰাণ খুমটাই আঞ্চলিক ক্ৰীড়া সন্থা একাদশ আৰু বিপ্ৰাঘাট ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব।

নগাঁও জিলাৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়তে ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি



অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পবিত্ৰ জন্ম-শতবাৰ্ষিকী আজি নগাঁও জিলাৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়ত উদযাপন কৰা হয়। পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা আয়ুক্ত আৰণ্যক শইকীয়াই সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধা জনায়। এই কাৰ্যসূচীত অতিৰিক্ত আয়ুক্ত মৃদুল বড়ো, সহকাৰী আয়ুক্ত শেখৰন ফুকনৰ উপৰি জিলা প্ৰশাসনৰ অন্যান্য বিষয়া তথা কৰ্মচাৰীসকলো উপস্থিত থাকে। সকলোৱে সমবেত হৈ সুধাকণ্ঠৰ প্ৰতিচ্ছবিত ফুল দি অসমীয়া জাতিৰ এই মহান পুৰুষজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ উপৰিও জিলাখনৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়, লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়, মীন উন্নয়ন বিষয়াৰ কাৰ্যালয়, পৰিবহণ, কৃষি, ৰেচম, শিক্ষা প্ৰমুখ্যে প্ৰতিটো বিভাগ আৰু ৰহা আৰু কলিয়াবৰ সম-জিলা আয়ুক্তৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আদিতো অনুৰূপ কাৰ্যসূচীৰে সংগীত আৰু সাহিত্য জগতৰ মনিষী গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। কোনো কোনো কাৰ্যালয়ত সমবেত বিষয়া কৰ্মচাৰী সকলে ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি "মানুহে মানুহৰ বাবে" সমস্বৰে গাই ড' হাজৰিকাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে।

বিশ্বনাথত ১২টাকৈ কেকো সাপ উদ্ধাৰ

অসম বাৰ্তা, জিনজিয়া, ৮ ছেপ্টেম্বৰ ঃ শোণিতপুৰ জিলাৰ জীয়াভৰালী দলঙৰ ওচৰত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিশেষ সংস্থা ডি আৰ আইৰ অভিযানত পোহৰলৈ আহিল এক বৃহৎ বন্যপ্ৰাণী সৰবৰাহৰ ঘটনা। এক বহুদিনীয়া গোপন অভিযানৰ ভিত্তিত ডি আৰ আইৰ দলটোৱে অতৰ্কিতে চলোৱা অভিযানত ১২টাকৈ মূল্যৱান কেকো সাপ উদ্ধাৰ হয়। এই অভিযানকালত দলটোৱে ঘটনাৰ লগত জড়িত দুজনকৈ সৰবৰাহকাৰীক কৰায়ত্ত কৰে। অভিযান সমাপ্তিৰ পাছতে কেন্দ্ৰীয় অভিযানকাৰী দলটোৱে উদ্ধাৰ হোৱা সকলো কেকো সাপ আৰু ধৃত দুই ব্যক্তিক বিশ্বনাথ বন সংমণ্ডলৰ অপৰাধ অনুসন্ধান শাখাৰ বিষয়া-কৰ্মীৰ হাতত আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰে। আন্তঃৰাষ্ট্ৰীয় বজাৰত কোটি টকা মূল্যৰ এই কেকো সাপসমূহ ক'লৈ নিয়াৰ পৰিকল্পনা আছিল, সেই বিষয়ে বন বিভাগে আৰম্ভ কৰিছে তদন্ত। তদন্ত আধাৰত নিশা পুনৰ অভিযান চলাই আৰু দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোক কেইজনৰ প্ৰথমে ধৰা দুজন ক্ৰমে সন্তোষ বাচফৰ, ৰঞ্জিত সাহানী আৰু নিশা পুনৰ অভিযান চলাই আটক কৰা কেইজন হৈছে বাটৰাজ কুজুৰ আৰু জয়দেৱ পল।

আপোচ-মীমাংসাৰে বিবাদ নিষ্পত্তিৰ আহ্বান জিলা আইন সেৱা প্ৰাধিকাৰীৰ

নাজিৰা-শিৱসাগৰত ১২ ছেপ্টেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত

অসম বাৰ্তা, গেলেকী, ৯ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত অহা ১২ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে, শনিবাৰে শিৱসাগৰত এক ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলা ন্যায়িক আদালত আৰু নাজিৰা মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ চৌহদত এই লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতৰ জৰিয়তে বিভিন্ন বিচৰাধীন বিবাদ পাৰস্পৰিক বুজাবুজি আৰু আপোচৰ মাধ্যমেৰে দ্ৰুতগতিত নিষ্পত্তি কৰাৰ বিশেষ সুযোগ লাভ কৰিব সংশ্লিষ্ট পক্ষসমূহে। পুৱা ১০ বজাৰ পৰা এই কাৰ্যসূচী আৰম্ভ হ'ব। এই লোক আদালতৰ দ্বাৰা দীৰ্ঘদিনীয়া বিবাদসমূহ সহজ, দ্ৰুত আৰু কম খৰচত মীমাংসা কৰা, জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰা, আদালতৰ বোজা হ্ৰাস কৰি সৌহাদ্যপূৰ্ণ পৰিৱেশ সৃষ্টি কৰাৰ লক্ষ্য। "আহক, আমাৰ অমিলবোৰ সমিল-মিলেৰে মীমাংসা কৰোঁ" এই বাৰ্তাৰে জিলা আইন সেৱা প্ৰাধিকাৰীয়ে সংশ্লিষ্ট সকলো পক্ষকে এই সুযোগ গ্ৰহণ কৰি নিজৰ বিবাদসমূহ আপোচ-মীমাংসাৰ জৰিয়তে নিষ্পত্তি কৰিবলৈ বিনম্ৰ আহ্বান জনাইছে।

নগাঁও উপ-নিৰ্বাচন; নিয়ন্ত্ৰণ কক্ষ স্থাপন, প্ৰচাৰ পত্ৰ চপোৱাৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি, অস্ত্ৰ-শস্ত্ৰ জমা দিয়াৰ নিৰ্দেশ

অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কলিয়াবৰ আৰু বড়মপুৰকে সামৰি সমগ্ৰ জিলাখনতে জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ১২৭ (ক) ৰ অধীনত জিলা দণ্ডাধীশ আৰণ্যক শইকীয়াই নিৰ্বাচন সংক্ৰান্তিয় যিকোনো প্ৰচাৰপত্ৰ চপোৱাৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। প্ৰতিখন প্ৰচাৰপত্ৰত প্ৰকাশক আৰু মুদ্ৰকৰ নাম উল্লেখ থাকিব লাগিব। ইয়াৰ অন্যথা কোনো প্ৰচাৰপত্ৰ প্ৰকাশ পাব নোৱাৰিব। অকৰ্তৃত্বশীলভাবে আৰু আপত্তিজনক বিষয়ক কোনো প্ৰচাৰপত্ৰ ছপাব আৰু বিতৰণ কৰিব নোৱাৰিব। তদুপৰি ছপাশাল সমূহে সকলো ৰাজনৈতিক প্ৰচাৰ পত্ৰ, পোষ্টাৰ আদি ছপাৰ তথ্য পঞ্জীয়ন বহীত লিখি ৰাখিব লাগিব। ইফালে, আন এক আদেশ যোগে জিলাখনত অসামৰিক ব্যক্তিৰ হাতত থকা অনুজ্ঞাপত্ৰপ্ৰাপ্ত সকলো আগ্নেয়াস্ত্ৰ সংশ্লিষ্ট আৰক্ষী থানাত তাৎক্ষণিকভাৱে জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা নিৰ্বাচন বিষয়াই নিৰ্বাচন উপলক্ষে ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকা এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰিছে। ইয়াৰ মাচুল বিহীন নম্বৰটো হৈছে ১০৭৭ আৰু লেণ্ডলাইন নম্বৰ ০৩৬৭২-২৩৮০০০। এই দুটা নম্বৰত নিৰ্বাচনী আচৰণ বিধি সম্পৰ্কীয় কোনো অভিযোগ বা খবৰ জনাব বিচাৰিলে জনাব পাৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই এখন প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে। তেওঁ আৰু জনোৱা মতে জিলাখনত থকা সকলো চৰকাৰী প্ৰচাৰ পত্ৰ আঁতৰাই পেলাবলৈ আৰু কোনো ৰাজনৈতিক নেতাৰ ফটো সম্বলিত যিকোনো সামগ্ৰীৰ বিতৰণ স্থগিত ৰাখিবলৈকো নিৰ্দেশ দিছে। ইতিমধ্যে নিৰ্বাচন উপলক্ষে বিভিন্ন কোষ গঠন কৰা হৈছে।

নাজিৰাৰ জ্যেষ্ঠ সাংবাদিক ৰফিকুৰ ৰহমান গুৰুতৰভাৱে অসুস্থ

অসম বাৰ্তা, নামতি, ৮ ছেপ্টেম্বৰ ঃ নাজিৰাৰ দৈনিক জনমভূমি কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰফিকুৰ ৰহমান(ভাইটী) কালি সন্ধিয়া উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ গুৰুতৰভাৱে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ নাজিৰা লিগিৰী পুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে পৰামৰ্শ দিয়ে। বৰ্তমান অসম চিকিৎসা মহাবিদ্যালয়ৰ আই চি উ ত ভৰ্তি কৰোৱা হৈছে সাংবাদিক গৰাকীক। বিগত প্ৰায় তিনিটা দশক ধৰি সংবাদসেৱাৰ জৰিয়তে ৰাইজৰ সেৱা আগবঢ়াই অহা সাংবাদিক গৰাকীৰ দ্ৰুত আৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছে পৰিয়াল, সতীৰ্থসকলৰ লগতে শুভাকাংক্ষী সকলে।

বাইক চোৰৰ বিৰুদ্ধে ধাৰাবাহিক অভিযানত ৩ বাইকসহ ৬ চোৰক গ্ৰেপ্তাৰ

গোৰেশ্বৰ আৰক্ষী বৃহৎ সফলতা

অসম বাৰ্তা, গোৰেশ্বৰ, ৯ ছেপ্টেম্বৰ ঃ তামোলপুৰ জিলাৰ গোৰেশ্বৰ অঞ্চলত সঘনাই সংঘটিত মটৰচাইকেল চুৰিৰ ঘটনাই আৰক্ষী প্ৰশাসনৰ লগতে ৰাইজৰ মাজত উদ্বেগ সৃষ্টি কৰাৰ সময়তে বাইক চোৰৰ বিৰুদ্ধে গোৰেশ্বৰ আৰক্ষীয়ে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে। শেহতীয়াকৈ গোৰেশ্বৰ থানাৰ আৰক্ষী বিষয়া হিতেশ বসুমতাৰীৰ নেতৃত্বত চলোৱা এক অভিযানত অৰুণাচল প্ৰদেশলৈ চুৰাংকৈ বিক্ৰীৰ উদ্দেশ্যে নিয়া এখন চুৰি পালচাৰ বাইক উদ্ধাৰ কৰাৰ লগতে দুজন অভিযুক্ত বাইক চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে উদ্ধাৰ কৰা পালচাৰ বাইকখনৰ পঞ্জীয়ন নম্বৰ এএছ-২১ এফ-৪৬৫৩। ধৃত অভিযুক্ত দুজন হৈছে বাঁ জিলাৰ নিকাছিৰ জাচ্ছি বড়ো আৰু মাজুলীৰ ৩নং ওদালগুৰিৰ উদয় বড়ো। আৰক্ষী সূত্ৰে জানিব পৰা মতে, জাচ্ছি বড়োক নলবাৰীৰ পৰা গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে উদয় বড়োক অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ কালাক টাঙৰ পৰা চুৰি বাইকখনসহ গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য যে, যোৱা ১৬ আগষ্টত গোৰেশ্বৰৰ মহৰিপাৰাৰ দীঘলীপাৰৰ পৰা পালচাৰ বাইকখন চুৰি হৈছিল। ঘটনা সন্দৰ্ভত বাইকৰ গৰাকীয়ে গোৰেশ্বৰ থানাত গোচৰ ৰুজু কৰাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে। তদন্তৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত অভিযান চলাই আৰক্ষীয়ে অৰুণাচল প্ৰদেশৰ পৰা চুৰি বাইকখন উদ্ধাৰ কৰাৰ লগতে দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পূৰ্বে যোৱা ২৯ আগষ্টতো গোৰেশ্বৰ আৰক্ষীয়ে বাংলাদেশলৈ চোৰাংকৈ বিক্ৰী কৰিবলৈ নিয়া দুখন চুৰি বাইকসহ চাৰি বাইক চোৰক মেঘালয়ৰ মৌচিনৰামৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। এইদৰে গোৰেশ্বৰ আৰক্ষীৰ ধাৰাবাহিক অভিযানত বৰ্তমানলৈকে ৩খন চুৰি বাইক উদ্ধাৰ কৰাৰ লগতে ৬জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীৰ এই অভিযানৰ জৰিয়তে অঞ্চলটোত সক্ৰিয় হৈ থকা এটা বৃহৎ আন্তঃৰাজ্যিক বাইক চুৰি চক্ৰ উৎখাত কৰাৰ দিশত গুৰুত্বপূৰ্ণ সফলতা লাভ কৰা বুলি জানিব পৰা গৈছে।

নাৰীদেহ ব্যৱসায়ৰ অভিযোগত হোটেল ব্ৰহ্মপুত্ৰ ভেলীৰ ২১টা কোঠা ছীল

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৯ ছেপ্টেম্বৰ ঃ নাৰীদেহ ব্যৱসায় চলাৰ গুৰুতৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত বঙাইগাঁও চহৰৰ হোটেল ব্ৰহ্মপুত্ৰ ভেলীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। আজি দুপৰীয়াৰ ভাগত হোটেলখনৰ ২১টা কোঠা চীল কৰে প্ৰশাসনে। জিলা কাৰ্যবাহী দণ্ডাধীশ আৰু আৰক্ষী বিষয়াৰ উপস্থিতিত চলা অভিযানত হোটেলখনৰ কোঠাৰ ভিতৰে-বাহিৰে বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা হয়। উল্লেখ্য যে, যোৱা দেওবাৰে নিশা নাৰী দেহ ব্যৱসায়ৰ অভিযোগত বঙাইগাঁও আৰক্ষীয়ে হোটেলখনত অভিযান চলাই চাৰিগৰাকী কিশোৰীক উদ্ধাৰ কৰিছিল। বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ অভিযোগ অনুসৰি, বিভিন্ন জিলাৰ পৰা কিশোৰীক আনি হোটেলখনত গোপনে ৰখা হৈছিল। ঘটনাৰ সন্দৰ্ভত হোটেলৰ স্বত্বাধিকাৰী প্ৰসেনজিত ঘোষ আৰু মেনেজাৰ বিমল দে'ক আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে। আনহাতে, অভিযোগত নাম অহা এন্থনী হুছেইনসহ আন এগৰাকী ব্যক্তি বৰ্তমানেও পলাতক বুলি জানিব পৰা গৈছে। ইফালে, বঙাইগাঁও চহৰৰ হোটেল আৰু স্পা-পাৰ্লাৰ সমূহত চলি থকা অনৈতিক কাৰ্যকলাপ বন্ধ কৰাৰ দাবী জনাইছে সচেতন মহলে।

কমাৰগাঁৱত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন

অসম বাৰ্তা, নুমলীগড়, ৯ ছেপ্টেম্বৰ ঃ সমগ্ৰ অসমৰ লগতে কমাৰগাঁৱতো বিভিন্ন দল-সংগঠন অনুষ্ঠান- প্ৰতিষ্ঠান তথা শিক্ষানুষ্ঠানে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন কৰে। উল্লেখ্য যে কমাৰগাঁও অঞ্চলৰ আগশাৰী অনুষ্ঠান কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ উদ্যোগত কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদ্‌যাপন কৰে। এই উপলক্ষে প্ৰথম কাৰ্যসুচী বন্তি প্ৰজ্বলন কৰে কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ সভাপতি পূৰ্ণকান্ত বৰুৱাই। নিৰ্দিষ্ট বক্তা ৰূপে ভাষণ প্ৰদান কৰে কমাৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰজিত ফুকনে। সন্মানীয় অতিথি ৰূপে অংশ লৈ বক্তব্য প্ৰদান কৰে খুমটাই জ্ঞানদীপ উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক প্ৰাঞ্জল হাজৰিকাই। সভাত সন্মানীয় অতিথি ৰূপে অংশ লয় শিক্ষক ৰমেন কুমাৰ বৰা, অৰ্চনা বৰুৱা, মুকুন্দ বৰগোঁহাই, কমাৰগাঁও প্ৰেছ ক্লাবৰ সম্পাদক সাগৰজ্যোতি হাজৰিকা আদিয়ে। সভাতেই ভাগ্যশ্ৰী শইকীয়া, প্ৰজ্ঞাপ্ৰিয়া হাজৰিকা আৰু কৃষ্টিনা হাজৰিকাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ অন্তত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি কুইজ প্ৰতিযোগিতাখনিত কুইজ মাষ্টাৰ ৰূপে অংশ লয় ৰিণ্টু দুৱৰা আৰু দেৱপ্ৰসাদ মেছে। প্ৰতিযোগিতাখনিত শ্ৰেষ্ঠ প্ৰতিযোগী ৰূপে তেজস্বী সোণোৱাল নিৰ্বাচিত হয়। আনহাতে সমলয় সংগীত গোষ্ঠী, কমাৰগাঁৱৰ উদ্যোগত কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত উদ্‌যাপন কৰে। দীপক বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শিখামণি গগৈয়ে। কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী সকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত সুন্দৰ ফুকন, বিৰেণ পেগু, দীপক বৰুৱা, পাপৰি দত্ত, মালবিকা হাজৰিকা, পবিত্ৰ গগৈ, বিশ্বজিৎ মৰাঙ, ধৰ্মিষ্ঠা শইকীয়া, ভাগ্যশ্ৰী শইকীয়াই গীত পৰিৱেশন কৰাৰ লগতে ৰাকেশ পাঠৰীয়ে বাঁহী প্ৰদৰ্শন কৰে। অনুষ্ঠানটিত জ্যেষ্ঠ শিল্পী উত্তৰা শইকীয়া আৰু তনুজ শইকীয়াক বিপুল সম্বৰ্ধনা জনায়।

বঙাইগাঁৱত এইচ আই ভি সজাগতাৰ ৬০ দিনীয়া অভিযান আৰম্ভ



অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৯ ছেপ্টেম্বৰ ঃ বঙাইগাঁও জিলাত এইচআইভি সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আজি ৬০ দিনীয়া আইইচি (IEC) অভিযানৰ শুভাৰম্ভ কৰা হয়। বিৰঝৰা বিজ্ঞান মহাবিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত সজাগতামূলক বাৰ্তা প্ৰচাৰৰ বাবে আইইচিবাহন এখন ফ্লেগ-অফ কৰা হয়। অভিযানটোৰ জৰিয়তে এইচআইভি প্ৰতিৰোধ, সময়মতে পৰীক্ষা আৰু চিকিৎসাৰ গুৰুত্বৰ বিষয়ে ৰাইজক সজাগ কৰাৰ লগতে এইচআইভি আক্ৰান্ত লোকৰ প্ৰতি থকা সামাজিক অপবাদ আৰু বৈষম্য হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য), জিলা আইন সেৱা প্ৰাধিকৰণৰ সদস্য সচিব, যুটীয়া জিলা স্বাস্থ্য সেৱা সঞ্চালক, জিলা মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, বিৰঝৰা বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ, জিলা এডছ নিয়ন্ত্ৰণ বিষয়া, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মী, আশা আৰু এএনএম কৰ্মী, শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত বিষয়াসকলে এইচআইভি সম্পৰ্কে শুদ্ধ তথ্য প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি সময়মতে এইচআইভি পৰীক্ষা আৰু চিকিৎসা গ্ৰহণৰ বাবে ৰাইজক আহ্বান জনায়। লগতে এইচআইভি আক্ৰান্ত লোকৰ প্ৰতি বৈষম্যমূলক আচৰণ পৰিহাৰ কৰি সামাজিক সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হয়। ৬০ দিনীয়া অভিযানৰ সময়ছোৱাত আইইচি বাহনখনে বঙাইগাঁও জিলাৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি এইচআইভি সংক্ৰমণৰ কাৰণ, প্ৰতিৰোধমূলক ব্যৱস্থা, পৰীক্ষা আৰু চিকিৎসাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতামূলক বাৰ্তা প্ৰচাৰ কৰিব। জিলা স্বাস্থ্য সমিতি, বঙাইগাঁৱৰ উদ্যোগত স্বাস্থ্য বিভাগ, শিক্ষানুষ্ঠান আৰু স্থানীয় ৰাইজৰ সহযোগত অভিযানটো ৰূপায়ণ কৰা হৈছে।

বৰপেটাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি তৰ্পণ অনুষ্ঠান

অসম বাৰ্তা, বৰপেটাসদৰ, ৯ ছেপ্টেম্বৰ ঃ বৰপেটা জিলা প্ৰশাসনে আজি অসমৰ বৰেণ্য শিল্পী, সংগীতজ্ঞ, সুৰকাৰ তথা চলচ্চিত্ৰ নিৰ্মাতা ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰে। যিগৰাকী সুধাকণ্ঠৰ সংগীতে আজিও প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে, সেই মহান শিল্পীগৰাকীৰ কালজয়ী স্মৃতিত বৰপেটা জিলা প্ৰশাসনে তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শতবাৰ্ষিকী উদযাপনৰ মূল কাৰ্যসূচী বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত হয়। কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰীসকলে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি কৰাৰ পিছতেই এই অনুষ্ঠানৰ শুভাৰম্ভ হয়। ইয়াৰ পিছতে দিব্যাংগ শিল্পী মনোজ কলিতাই ড° হাজৰিকাৰ কালজয়ী গীত "অসম আমাৰ ৰূপহী" পৰিৱেশন কৰাৰ লগে-লগে সমগ্ৰ গৃহটি ভূপেন্দ্ৰ সংগীতেৰে মুখৰিত হৈ পৰে। হাজৰিকাদেৱৰ জন্ম দিৱসৰ সৈতে সংগতি ৰাখি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী তথা শিল্পী উৎপল দাসে কালজয়ী শিল্পীগৰাকীৰ জীৱন আৰু কৃতিৰ বিষয়ে ভাষণ প্ৰদান কৰে। তেওঁ ড° হাজৰিকাৰ শৈশৱ, কলাত্মক যাত্ৰা আৰু অসমীয়া সংস্কৃতি তথা সংগীত জগতলৈ আগবঢ়োৱা অপূৰ্ব অৱদানৰ কথা আলোকপাত কৰে। বৰপেটাৰ অতিৰিক্ত জিলা আয়ুক্ত (সাংস্কৃতিক) প্ৰাঞ্জল প্ৰতিম কোঁৱৰে ড° হাজৰিকাৰ জীৱনৰ বহুটো স্মৰণীয় ঘটনা ৰোমন্থন কৰি উপস্থিত ৰাইজক মহান শিল্পীগৰাকীৰ ব্যক্তিত্বৰ এক বিশেষ আভাস প্ৰদান কৰে। অনুষ্ঠানৰ শেষত উপস্থিত সকলোৱে একত্ৰিত হৈ ড° ভূপেন হাজৰিকাৰ অন্যতম কালজয়ী তথা মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰতীক মূলক গীত "বিস্তীৰ্ণ পাৰৰে" সমস্বৰে পৰিৱেশন কৰে। বৰপেটা জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া বিদ্যুৎ বিকাশ দাসে এই সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে। জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশস্বৰূপে বৰপেটা জিলাৰ সকলো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠান প্ৰতিষ্ঠানতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান তথা সাংস্কৃতিক কাৰ্যসূচীৰে ড° ভূপেন হাজৰিকাৰ অসমীয়া সমাজ আৰু ভাৰতীয় সংস্কৃতিলৈ থকা অভূতপূৰ্ব অৱদানক স্মৰণ কৰা হয়। ইয়াৰ ভিতৰত জিলা বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত দক্ষিণ বৰপেটা বিদ্যামন্দিৰ স্কুলত ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতিৰ ওপৰত আধাৰিত এক জিলা ভিত্তিক মুকলি কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ শদিয়াত জন্মগ্ৰহণ কৰা ড° ভূপেন হাজৰিকা ভাৰতৰ অন্যতম শ্ৰেষ্ঠ সাংস্কৃতিক কাণ্ডাৰী আছিল। অসমৰ জনজীৱন আৰু প্ৰাকৃতিক দৃশ্যপটৰ সৈতে গভীৰভাৱে জড়িত তেওঁৰ গীতবোৰে মানৱতা, ভ্ৰাতৃত্ববোধ, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সহানুভূতিৰ বিশ্বজনীন বাৰ্তা বহন কৰিছিল। "সুধাকণ্ঠ" নামেৰে প্ৰসিদ্ধ এই মহান শিল্পীগৰাকীৰ সৃষ্টিৰাজি ভাষা আৰু ভৌগোলিক সীমা অতিক্ৰমী সৰ্বজনীন হৈ পৰিছিল। ড° ভূপেন হাজৰিকাক ১৯৯২ চনত দাদাচাহেব ফাল্কে বঁটাৰে ভূষিত কৰা হৈছিল আৰু ২০১৯ চনত মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান "ভাৰতৰত্ন" প্ৰদান কৰা হয়।

বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগ-সমস্বৰে পৰিৱেশন কৰিলে "বিস্তীৰ্ণ পাৰৰে..."

বিশ্বনাথতো ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান

অসম বাৰ্তা, বিহালী, ৯ ছেপ্টেম্বৰ ঃ অসম আৰু অসমীয়াৰ জাতীয় চেতনা, আবেগ আৰু স্বাভিমানৰ অন্যতম প্ৰতীক সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বৰ্ষজোৰা জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান আজি বিশ্বনাথ জিলাতো অনুষ্ঠিত কৰা হয়। বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত বিশ্বনাথ চাৰিআলিৰ কাছাৰী ময়দানত অনুষ্ঠিত হোৱা আজিৰ মনোজ্ঞ অনুষ্ঠানটিত সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি কাৰ্যসুচীৰ পাতনি মেলে বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, জিলা আয়ুক্ত কবৰী শইকীয়া কৰণ প্ৰমুখ্যে আমন্ত্ৰিত অতিথিসকলে। আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত কবৰী শইকীয়া কৰণে যুগনায়কগৰাকীয়ে অসমীয়া জাতিটোৰ কাৰণে, অসমৰ সাংস্কৃতিক বৰঘৰ চহকী কৰিবৰ বাবে যিখিন অৱদান আগবঢ়াই থৈ গ'ল, সেয়া উল্লেখ কৰি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনীতা তাঁতী, বিশ্বনাথ



চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাক স্মৰণ কৰাৰ লগতে তেওঁৰ সৃষ্টিৰাজীক নৱপ্ৰজন্মই চৰ্চা আৰু সাধনা কৰিব লাগিব বুলি মন্তব্য কৰে। ৰণজিৎ শইকীয়াই আঁত ধৰা নাতিদীৰ্ঘ অনুষ্ঠানটিত বিশিষ্ট গীতিকাৰ, কৃতি শিক্ষক, 'সংগীত সিন্ধু' উপাধিৰে বিভূষিত ধ্ৰুৱজ্যোতি ৰাজখুৱাই নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকি নাতিদীৰ্ঘ ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা গৰাকীয়ে কয় যে, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ সুৰ এক অনন্য আৰু কালজয়ী সৃষ্টি, যাৰ সুৰৰ বৈচিত্ৰ্যই অসমীয়া সংগীতক বিশ্বদৰবাৰত এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। তেখেতৰ সুৰ কেৱল মনোৰঞ্জনৰ মাধ্যম নাছিল, বৰং ই আছিল মানৱতাবাদ, সমন্বয়, আৰু সমাজ চেতনাৰ এক সুৰীয়া সত্ত্বা বুলিও উল্লেখ কৰে। আজিৰ এই বিশেষ কাৰ্যসুচীত মানৱ শৃংখল সৃষ্টি কৰি সমস্বৰে পৰিবেশন কৰা হয় যুগনায়কগৰাকীৰ অমৰ সৃষ্টি 'বিস্তীৰ্ণ পাৰৰে...' শীৰ্ষক গীতটি। আজিৰ অনুষ্ঠানটিত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ৰঞ্জিত কোঁৱৰ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আচিফ আহমেদ, অতিৰিক্ত জিলা আয়ুক্তদ্বয় অসীম বৰগোহাঁই আৰু প্ৰভাত পেগু, সহকাৰী আয়ুক্ত সকল, বিশ্বনাথ জিলা প্ৰশাসনৰ বিষয়া আৰু কৰ্মচাৰীসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, মহিলা ছাত্ৰ-ছাত্ৰী আদি উপস্থিত আছিল।

সংবাদমেলযোগে প্ৰাক্তন ছাত্ৰীসকলৰ সহযোগিতা কামনা কৰিলে উদ্‌যাপন সমিতিয়ে

১২ আৰু ১৩ ছেপ্টেম্বৰত উৰিয়াগাঁও মজলীয়া বিদ্যালয়ৰ শতবাৰ্ষিকী অনুষ্ঠান

মধ্য অসমৰ প্ৰথমখন নাৰী শিক্ষাৰ অনুষ্ঠান বিদ্যালয়-খনৰ শতবাৰ্ষিকী উপলক্ষে এক উৎসৱমুখৰ পৰিৱেশ



অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ জ্ঞানৰ পোহৰ বিলাই নাৰী শিক্ষাৰ এক শক্তিশালী ভেঁটি নিৰ্মাণ কৰা মধ্য অসমৰ প্ৰথমখন স্ত্ৰী শিক্ষাৰ অনুষ্ঠান উৰিয়াগাঁও বালিকা মজলীয়া বিদ্যালয়ে এইবৰ্ষত এশ বছৰত ভৰি দিলে। নানা ঘাট-প্ৰতিঘাটৰ মাজত গৌৰৱোজ্বল শতবৰ্ষ গৰকা এই বিদ্যালয়খন ইতিহাসৰ স্বাক্ষৰ বহন কৰি আজিও উৰিয়াগাঁও ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই কাষতে জ্ঞানৰ পোহৰ বিলাই আছে। এই বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰা বহু ছাত্ৰীয়ে ৰাজ্যৰ বিভিন্ন স্থানত উচ্চ পদস্থ পদত কাম কৰি বিদ্যালয় খনৰ সুনাম অটুত ৰাখাৰ লগতে অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৯২৬ চনত প্ৰতিষ্ঠা হোৱা বিদ্যালয় খনৰ গৌৰৱোজ্বল শতবাৰ্ষিকী উদযাপনৰ বাবে অহা ১২ আৰু ১৩ ছেপ্টেম্বৰত দিন নিৰ্ধাৰণ কৰিছে উদযাপন সমিতিয়ে। আজি এই বিষয়ে এক সংবাদমেলৰ আয়োজন কৰে উদযাপন সমিতিৰ বিষয়ববীয়া আৰু প্ৰাক্তন ছাত্ৰীসকলে। বিশেষকৈ দূৰ-দূৰণিত কৰ্মৰত হৈ থকা প্ৰাক্তন ছাত্ৰীসকলে যাতে বিষয়টো অৱগত হৈ গৌৰৱোজ্বল শতবৰ্ষ অনুষ্ঠানত উপস্থিত থাকিব পাৰে তাৰ বাবেই উদযাপন সমিতিয়ে আয়োজন কৰিলে সংবাদমেলৰ। উদ্‌যাপন সমিতিৰ হৈ সভানেত্ৰী দীপামণি শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী শ্যামলী শইকীয়া, প্ৰধান শিক্ষয়িত্ৰী ৰীমা বৰাই দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা কাৰ্যসূচী সমূহৰ বিষয়ে সংবাদ মাধ্যমত অৱগত কৰে। শতবাৰ্ষিকী উপলক্ষে বিদ্যালয়ত এক উৎসৱমুখৰ পৰিবেশ বিৰাজ কৰাৰ লগতে উদযাপন সমিতি, শিক্ষক শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰী সকলে দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা কাৰ্যসূচী সমূহ সফল কৰিবলৈ উঠিপৰি লাগিছে। সংবাদমেলত ঘোষণা কৰা কাৰ্যসূচী অনুসৰি ১২ ছেপ্টেম্বৰত পুৱা ৯ বজাত পতাকা উত্তোলন। মূল পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি মৃণ্ময় শৰ্মাই। ইয়াৰ পিছতে শতবৰ্ষ উপলক্ষে এশখন পতাকা উত্তোলন কৰিব অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলে। ১০ বজাত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ১০-৩০ বজাত বৃক্ষৰোপণ আৰু মানুহে মানুহৰ বাবে গীত পৰিৱেশন। ১১-৩০ বজাত প্ৰাক্তন শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ গুৰু প্ৰণাম আৰু অন্তৰংগ আলাপ অনুষ্ঠান। বিয়লি ৩ বজাত ন পুৰণি ছাত্ৰীৰ বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন শিক্ষয়িত্ৰী কুঞ্জলতা হাজৰিকাই আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট অভিনেত্ৰী চেতনা দাস। সন্ধ্যা ৬ বজাত এশগছি বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব প্ৰাক্তন শিক্ষক চুনিধৰ বৰাই। ১৩ ছেপ্টেম্বৰত পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰিব বিধায়ক ৰূপক শৰ্মাই। দুপৰীয়া এক বজাত উদযাপন সমিতিৰ সভানেত্ৰী দীপামণি শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰী অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° মণিকা শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কৃষি, জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকা। সন্মানীয় অতিথি হিচাপে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী উপস্থিত থকাৰ উপৰিও শিক্ষা বিষয়া বিভুতি চৰণ বৰুৱা, শংকৰ ছেত্ৰী উপস্থিত থাকিব। বিশিষ্ট অতিথি হিচাপে ৰূপহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ নাথ, প্ৰাক্তন অধ্যাপিকা তথা বিদ্যালয় খনৰ প্ৰাক্তন ছাত্ৰী ড° অৰুন্ধতী মহন্ত, লেখক প্ৰদ্যুন্ন গোস্বামী, লেখিকা দীপালী মহন্ত গোস্বামীৰ উপৰিও অৱসৰপ্ৰাপ্ত আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকিব। সন্ধ্যা ৫-৩০ বজাত বন্তি প্ৰজ্বলনৰ পিছতেই নিশালৈ শিল্পী আৰোহণ বৰদলৈৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠান স্থানীয় ৰাইজৰ লগতে প্ৰাক্তন ছাত্ৰীসকলৰ উপস্থিতি উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

দেৰগাঁৱত ড্ৰাগছ সৰবৰাহকাৰী আটক; নগদ ২, ৮৭০ টকা উদ্ধাৰ

অসম বাৰ্তা, দেৰগাঁও, ৯ ছেপ্টেম্বৰ ঃ দেৰগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই এজন সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানৰ মাজতে স্কুটীৰে পলায়নৰ চেষ্টা কৰা এজন যুৱকক খেদি খেদি আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীৰ অভিযানৰ সময়ত AS-03Q-6723 নম্বৰৰ স্কুটী লৈ পলায়নৰ চেষ্টা কৰে তিনি নং গেটৰ ইউছুফ শ্বেখ নামৰ যুৱকজনৰ। কিন্তু দেৰগাঁও আৰক্ষীয়ে পিছুৱা কৰি লাহতি চাৰিআলিৰ সমীপত তেওঁক আটক কৰে। আৰক্ষীয়ে আটকাধীন ইউছুফ শ্বেখৰ পৰা বুজন পৰিমাণৰ সন্দেহযুক্ত নিষিদ্ধ হেৰ'ইন আৰু নগদ ২, ৮৭০ টকা উদ্ধাৰ কৰা বুলি জানিব পৰা গৈছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জব্দ কৰি ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইফালে, দেৰগাঁও অঞ্চলত ড্ৰাগছৰ অবৈধ সৰবৰাহক লৈ সচেতন মহলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। বিশেষকৈ ড্ৰাগছৰ কু-প্ৰভাৱত যুৱপ্ৰজন্মৰ একাংশ ক্ষতিগ্ৰস্ত হোৱাৰ অভিযোগ উত্থাপন হৈ অহাৰ সময়তে আৰক্ষীৰ এই অভিযানক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত কৰিছে সচেতন ৰাইজে। ড্ৰাগছৰ বিৰুদ্ধে অধিক কঠোৰ অভিযান চলাই সৰবৰাহৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবীও উত্থাপন হৈছে।

নলবাৰীত বিদ্যালয়সমূহৰ পাঠদানৰ সময় সলনি

অসম বাৰ্তা, নলবাৰী, ৯ ছেপ্টেম্বৰ ঃ উৎকট গৰমৰ বাবে নলবাৰী জিলাৰ বিদ্যালয়সমূহৰ বাবে ১৪আগষ্ট তাৰিখৰ নিৰ্দেশনামৰ্মে যি পাঠদানৰ সময় সাময়িকভাৱে সলনি কৰা হৈছিল সেয়া বাতিল কৰি ৯চেপ্তেম্বৰৰ পৰা আগৰ দৰে নিয়মিত পাঠদান হ'ব বুলি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ এক নতুন নিৰ্দেশনা জাৰি কৰা হৈছে। এই নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক, মজলীয়া বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় ১৪আগষ্ট, ২০২৬ তাৰিখৰ পূৰ্বৰ সময় অনুসৰি হ'ব আৰু উক্ত নিৰ্দেশনা পালন কৰিবলৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা বিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীক কোৱা হৈছে।

সম্পাদকীয়

পৰীক্ষাৰ সময়সূচী ঃ এক যুক্তিসংগত সিদ্ধান্ত

অসম চৰকাৰৰ শিক্ষা বিভাগে চলিত বৰ্ষত দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠদানৰ সময়সীমা বৃদ্ধি কৰি সেই অনুসৰি বাৰ্ষিক পৰীক্ষা পিছুৱাই দিয়াৰ যি সিদ্ধান্ত লৈছে, সেয়া বৰ্তমান পৰিস্থিতিত সময়োপযোগী আৰু দূৰদৰ্শী বুলিয়েই ক'ব লাগিব। শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে ঘোষণা কৰাৰ দৰে দশম শ্ৰেণীৰ পাঠ্যক্ৰম ২০২৭ চনৰ ২২ ফেব্ৰুৱাৰীলৈ আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম ৮ মাৰ্চলৈ অব্যাহত ৰখাৰ সিদ্ধান্তই স্পষ্ট কৰি দিয়ে যে চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত শৈক্ষিক প্ৰয়োজনৰ ওপৰত গুৰুত্ব দিছে, কেৱল সময়সূচীৰ প্ৰতি অন্ধ আনুগত্য দেখুৱা নাই।

চলিত বছৰ উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত হোৱা ভয়াবহ আকস্মিক বানে বহু বিদ্যালয়ৰ শিক্ষাদান প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ব্যাহত কৰিছিল। বহু বিদ্যালয় গৃহ বানপানীৰ কবলত পৰিছিল, কিছুমান ঠাইত সেই গৃহবোৰ শিবিৰ হিচাপেও ব্যৱহাৰ কৰিবলগীয়া হৈছিল। ইয়াৰ উপৰিও পঞ্চায়ত বা স্থানীয় নিৰ্বাচন সম্পৰ্কীয় লোকপিয়লৰ কামত বহু শিক্ষক নিয়োজিত হোৱাৰ ফলতো নিয়মীয়া শ্ৰেণী পৰিচালনাত ব্যাঘাত ঘটিছিল। এনে পৰিস্থিতিত নিৰ্ধাৰিত সময়তে পাঠ্যক্ৰম সম্পূৰ্ণ কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছিল। সেই বাস্তৱতাক স্বীকাৰ কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে সময়সীমা বৃদ্ধিৰ যি পদক্ষেপ লৈছে, ইয়াক লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত লোৱা এক ন্যায়সংগত সিদ্ধান্ত বুলিয়েই গণ্য কৰা উচিত।

এই সিদ্ধান্তৰ সবাতোকৈ ইতিবাচক দিশটো হ'ল, ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰম সম্পূৰ্ণৰূপে আয়ত্ত কৰাৰ অতিৰিক্ত সময় পাব। যিসকল ছাত্ৰ-ছাত্ৰী বানপানীৰ বাবে দীৰ্ঘদিন শ্ৰেণীকোঠাৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল, তেওঁলোকৰ বাবে এই অতিৰিক্ত সময়সীমাই মানসিক চাপ কিছু পৰিমাণে হ্ৰাস কৰিব। শিক্ষা মহলৰ পৰাও এই সিদ্ধান্তক স্বাগত জনোৱা হৈছে, আৰু অভিভাৱকসকলেও ইয়াক যুক্তিসংগত বুলি মত প্ৰকাশ কৰিছে, যিয়ে দেখুৱায় যে এই সিদ্ধান্তয়ে সমাজৰ বহুপক্ষীয় সমৰ্থন লাভ কৰিছে।

তথাপি, এই সিদ্ধান্তৰ লগত জড়িত কিছুমান প্ৰায়োগিক চিন্তাও উত্থাপিত হোৱাটো স্বাভাৱিক। প্ৰথমতে, পৰীক্ষা পিছুৱাৰ ফলত পৰীক্ষাৰ ফলাফল প্ৰকাশ, উচ্চ শিক্ষাত নামভৰ্তিৰ প্ৰক্ৰিয়া, আৰু বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সময়সূচীৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিব পাৰে। এই বিষয়ে শিক্ষা বিভাগে আগতীয়াকৈ পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত শৈক্ষিক যাত্ৰাত কোনো বাধাৰ সৃষ্টি নহয়, তাক নিশ্চিত কৰাটো অপৰিহাৰ্য। দ্বিতীয়তে, যিসকল বিদ্যালয়ত বানপানীৰ প্ৰভাৱ তুলনামূলকভাৱে কম আছিল, সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে অতিৰিক্ত সময়সীমাই কিছু অসামঞ্জস্যও সৃষ্টি কৰিব পাৰে। সেয়ে জিলাভিত্তিক বা প্ৰয়োজন সাপেক্ষে বিদ্যালয়ভিত্তিক নমনীয় ব্যৱস্থাৰ কথাও চিন্তা কৰিব লাগে। তৃতীয়তে, লোকপিয়লৰ দৰে চৰকাৰী কামত শিক্ষকসকলক বাৰম্বাৰ নিয়োজিত কৰাৰ প্ৰৱণতায়ো এই সমস্যাৰ এটা মূল কাৰণ। ভৱিষ্যতে এনে পৰিস্থিতি এৰাবলৈ শিক্ষকসকলক শিক্ষাদানৰ বাহিৰে অন্য চৰকাৰী দায়িত্বৰ পৰা যথাসম্ভৱ মুক্ত ৰখাৰ বিষয়েও চৰকাৰে গুৰুত্ব দিয়া উচিত। ইয়াৰ উপৰিও, বানপানীপ্ৰৱণ অঞ্চলৰ বিদ্যালয়বোৰৰ বাবে দীৰ্ঘম্যাদী স্থিতিস্থাপক পৰিকাঠামো নিৰ্মাণ আৰু বিকল্প পাঠদান পদ্ধতি (যেনে অনলাইন শ্ৰেণী বা ৰেডিঅ'-শিক্ষা) সম্পৰ্কেও চৰকাৰে ভাবিবলগীয়া।

সামগ্ৰিকভাৱে, শিক্ষামন্ত্ৰী ড° ৰণোজ পেগু আৰু শিক্ষা বিভাগে লোৱা এই সিদ্ধান্ত প্ৰাকৃতিক দুৰ্যোগ আৰু প্ৰশাসনিক দায়িত্বৰ মাজত ভাৰসাম্য ৰক্ষা কৰি ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ এক আন্তৰিক প্ৰয়াস। তথাপি ইয়াৰ সফল ৰূপায়ণৰ বাবে সময়মতে পৰীক্ষাৰ সবিশেষ সময়সূচী প্ৰকাশ, ছাত্ৰ-ছাত্ৰীৰ মাজত সঠিক তথ্য প্ৰচাৰ, আৰু ভৱিষ্যতৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা অত্যাৱশ্যক। কেৱল সংকটকালীন সমাধানতে সীমাবদ্ধ নাথাকি, ৰাজ্যৰ শিক্ষা ব্যৱস্থাক দুৰ্যোগ-সহনশীল কৰি তোলাটোৱেই হ'ব লাগে দীৰ্ঘম্যাদী লক্ষ্য।



পুথিভঁৰাল, অধ্যয়ন স্পৃহা আৰু সাম্প্ৰতিক সমাজ

অধ্যয়ন স্পৃহাৰ এই অৱনতিয়ে সমাজৰ সৃজনশীলতা আৰু উদ্ভাৱনী শক্তিকো পোনপটীয়াকৈ প্ৰভাৱিত কৰে। সৃজনশীলতা কেৱল এক নতুন ধাৰণাৰ জন্ম নহয়, ই আচলতে অতীতৰ জ্ঞান, বিভিন্ন সংস্কৃতিৰ আদান-প্ৰদান আৰু গভীৰ মননৰ এক সুসংহত ফল। কিতাপ পঢ়াৰ যোগেদি আমি মানৱ ইতিহাসৰ শ্ৰেষ্ঠ চিন্তা, সাহিত্য, কলা আৰু দৰ্শনৰ সৈতে পৰিচিত হওঁ। এই পৰিচয় আৰু গভীৰ জ্ঞানে আমাৰ মনৰ কল্পনাশক্তিক উৰ্দ্ধগামী কৰে আৰু নতুন দিশেৰে চিন্তা কৰিবলৈ উৎসাহিত কৰে। কিন্তু যেতিয়া এই জ্ঞানৰ উৎস শুকাই যায়, তেতিয়া মানুহৰ চিন্তা সংকুচিত হৈ পৰে, তেওঁলোকে মৌলিক চিন্তা কৰাৰ পৰিৱৰ্তে কেৱল প্ৰচলিত ধাৰণাসমূহক অনুকৰণ কৰিবলৈ আৰম্ভ কৰে। এখন জাতিয়ে বিশ্বৰ মঞ্চত আগবাঢ়ি যাবলৈ হ'লে ইয়াৰ নাগৰিকসকলৰ মাজত মৌলিক গৱেষণা, দাৰ্শনিক আলোচনা আৰু উচ্চ মানৰ সাহিত্যৰ সৃষ্টি হোৱাটো বাধ্যতামূলক। অধ্যয়নৰ অভাৱে এই বৌদ্ধিক ভেটিটোক দুৰ্বল কৰি তোলে, যাৰ ফলত সমাজত নতুন উদ্ভাৱন, বিজ্ঞান আৰু মানৱীয় দৰ্শনৰ বিকাশ স্থবিৰ হৈ পৰে। এই অৱক্ষয়ে কেৱল বিজ্ঞান আৰু প্ৰযুক্তিতেই প্ৰভাৱ নেপেলায়, ই সমাজৰ কলা, সাহিত্য, সংস্কৃতি আৰু নৈতিকতাৰ মানদণ্ডকো নিম্নগামী কৰি তোলে।

পুথিভঁৰাল, মানৱ সভ্যতাৰ এক গৌৰৱোজ্জ্বল প্ৰতীক। ই প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি সঞ্চিত হৈ অহা জ্ঞান, সংস্কৃতি, দৰ্শন আৰু ইতিহাসৰ এক জীৱন্ত ধাৰক। পুথিভঁৰালে অতীতৰ মহান চিন্তাবিদসকলৰ মননশীলতাক বৰ্তমানৰ সৈতে সংযোগ কৰি ভৱিষ্যতৰ বাবে পথ প্ৰশস্ত কৰাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ইয়াত থকা প্ৰতিখন কিতাপেই আছিল একোটা যুগৰ সাক্ষী, একোখন নতুন জগতৰ দুৱাৰ। এসময়ত যি স্থান আছিল অলেখ অধ্যয়নপ্ৰিয় ব্যক্তিৰ বাবে এক শান্ত, নীৰৱ আশ্ৰয়, য'ত জ্ঞানৰ অন্বেষণ আছিল এক পৱিত্ৰ কাৰ্য, সেই একেটা স্থান আজি বহুক্ষেত্ৰত এক 'মৃতপ্ৰায়' অৱস্থালৈ গতি কৰিছে। এই মৃতপ্ৰায়তাই আমাৰ সামূহিক বৌদ্ধিক জীৱনৰ এক মৰ্মান্তিক অৱনতিৰ ইংগিত বহন কৰিছে। এই নিস্তব্ধতাৰ সমান্তৰালকৈ, আধুনিক জীৱনৰ দ্ৰুততা আৰু ক্ষণস্থায়ী মনোৰঞ্জনৰ প্ৰভাৱত মানুহৰ মাজত অধ্যয়নৰ প্ৰতি থকা স্পৃহা আৰু গভীৰ মননশীলতাৰ আগ্ৰহ ভয়াবহভাৱে কমি আহিছে। কিতাপ পঢ়া, দীঘলীয়া সময় ধৰি কোনো জটিল বিষয়ৰ ওপৰত মনোযোগ দিয়া বা গভীৰ বিশ্লেষণ কৰাৰ ধৈৰ্য ক্ৰমাৎ হেৰাই গৈছে। মৃতপ্ৰায় পুথিভঁৰাল আৰু অধ্যয়ন স্পৃহাৰ এই অৱনতি দৰাচলতে এক ভয়ংকৰ সামাজিক ব্যাধিৰ দুটা লক্ষণ, যাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ সমাজৰ ভৱিষ্যত, ইয়াৰ বৌদ্ধিক মানদণ্ড আৰু গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত পৰাটো নিশ্চিত। এই পৰিৱৰ্তনসমূহে এক এনে সংকটৰ সৃষ্টি কৰিছে, য'ত তথ্যৰ প্ৰাচুৰ্য থাকিব পাৰে, কিন্তু সেই তথ্যসমূহক সঁচা জ্ঞানলৈ ৰূপান্তৰিত কৰাৰ মননশীল শক্তিৰ অভাৱ দেখা যাব।

একবিংশ শতিকাৰ ডিজিটেল বিপ্লৱে জ্ঞান আহৰণৰ পদ্ধতিত ব্যাপক পৰিৱৰ্তন আনিছে। ইণ্টাৰনেট আৰু ডিজিটেল মাধ্যমত তথ্যৰ সহজলভ্যতাই পুথিভঁৰালৰ পৰম্পৰাগত প্ৰয়োজনীয়তা ক্ৰমাৎ কমাই আনিছে। কিন্তু এইটো মনত ৰখা প্ৰয়োজন যে ডিজিটেল মাধ্যমত পোৱা বেছিভাগ তথ্যই পৃষ্ঠীয়, খণ্ড-বিখণ্ড আৰু প্ৰায়ে ভিত্তিহীন হয়। ইয়াৰ বিপৰীতে, পুথিভঁৰালত থকা কিতাপসমূহে এক নিৰ্দিষ্ট বিষয়ৰ ওপৰত সুসংগঠিত, বিশদ আৰু সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা গভীৰ জ্ঞান দাঙি ধৰে। প্ৰযুক্তিৰ প্ৰত্যাহ্বানৰ উপৰিও, পুথিভঁৰালসমূহৰ অৱক্ষয়ৰ বাবে চৰকাৰী উদাসীনতাও বহু পৰিমাণে দায়ী। শিক্ষা আৰু সাংস্কৃতিক উত্তৰাধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত পুথিভঁৰালক এক গুৰুত্বপূৰ্ণ স্থান দিয়াৰ পৰিৱৰ্তে, ইয়াক এক অলাগতিয়াল সংস্থা হিচাপে গণ্য কৰা হয়। ইয়াৰ ফলত পুথিভঁৰালসমূহলৈ আৱশ্যকীয় পুঁজিৰ যোগান নধৰা হয়, যিয়ে আধুনিকীকৰণ, নতুন গ্ৰন্থ সংগ্ৰহ, আন্তঃগাঁথনি উন্নয়ন আৰু উপযুক্ত কৰ্মচাৰী নিয়োগত বাধা দিয়ে। পুৰণি আৰু অস্বাস্থ্যকৰ ভৱন, ডিজিটেল সুবিধাৰ অভাৱ, আৰু সেৱাৰ মানদণ্ডৰ অৱনতিয়ে যুৱ প্ৰজন্মক ইয়ালৈ অহাত বাধা দিয়ে। পুথিভঁৰাল আছিল বৌদ্ধিক সমতাৰ এক প্ৰধান কেন্দ্ৰ; ইয়াৰ নিস্তেজতাই সমাজে নিজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলক মৌলিক আৰু উচ্চ মানৰ জ্ঞান আহৰণৰ সুবিধাৰ পৰা বঞ্চিত কৰিছে, যাৰ ফলত বৌদ্ধিক বৈষম্যৰ ভেটি আৰু অধিক সুদৃঢ় হৈ পৰিছে। এই উদাসীনতাই এক সামূহিক ক্ষতিৰ সৃষ্টি কৰিছে, য'ত জ্ঞানৰ প্ৰাচীন উৎসসমূহ ক্ৰমাৎ বিস্মৃতিৰ গৰ্ভত জাহ গৈছে।

পুথিভঁৰাল সমূহৰ পতনৰ সমান্তৰালভাৱে, সমাজত দেখা দিয়া অধ্যয়নৰ প্ৰতি থকা স্পৃহাৰ অৱনতিয়ে এক গভীৰ মানসিক আৰু বৌদ্ধিক সংকটৰ সৃষ্টি কৰিছে। আধুনিক জীৱনৰ দ্ৰুত গতি, অহৰহ প্ৰবাহিত হৈ থকা সামাজিক মাধ্যমৰ আকৰ্ষণ আৰু ক্ষিপ্ৰ মনোৰঞ্জনৰ সহজলভ্যতাই মানুহৰ মনোযোগৰ সময়সীমা অত্যন্ত কমাই দিছে। কিতাপ পঢ়া বা কোনো জটিল বিষয়ৰ ওপৰত দীঘলীয়া সময় ধৰি মনন কৰাৰ বাবে যি ধৈৰ্য, নীৰৱতা আৰু একাগ্ৰতাৰ প্ৰয়োজন, সেই সকলোবোৰ অভ্যাস এই ডিজিটেল আৱেগে নিঃশেষ কৰি পেলাইছে। অধ্যয়ন স্পৃহাৰ অৱনতি মানে কেৱল পুথি পঢ়াৰ অভ্যাস হেৰুওৱাই নহয়, ইয়াৰ অৰ্থ হৈছে দীঘলীয়া, বিশ্লেষণাত্মক আৰু গভীৰ চিন্তা কৰাৰ ক্ষমতা হেৰুওৱা। কিতাপ পঢ়িলে মানুহৰ মনত এক সুসংগঠিত চিন্তাৰ কাঠামো গঢ়ি উঠে, য'ত তেওঁলোকে বিভিন্ন ধাৰণাসমূহক যুক্তিৰে সংযোগ কৰিব পাৰে আৰু এক জটিল বিষয়ৰ ওপৰত বহু দিশৰ পৰা বিবেচনা কৰিব পাৰে। কিন্তু ডিজিটেল পৃথিৱীত, মানুহে কেৱল খণ্ড-বিখণ্ড আৰু তাৎক্ষণিকভাৱে হজম কৰিব পৰা তথ্যৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে, য'ত গভীৰ মননশীলতাৰ কোনো স্থান নাথাকে। এনে অগভীৰ চিন্তাধাৰাৰ ফলস্বৰূপে মানুহে জীৱনৰ বা সমাজৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ বিষয়ে এক ক্ষিপ্ৰ আৰু পৃষ্ঠীয় মতামত ল'বলৈ আৰম্ভ কৰে। এই প্ৰৱণতাই যুক্তিৰ স্থানত আৱেগিকতা, আৰু গভীৰ বিশ্লেষণৰ স্থানত ভিত্তিহীন উৰাবাতৰিৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি কৰে। এই মানসিকতাৰ ফলস্বৰূপে সমাজত যি অস্থিৰতা আৰু ভুল ধাৰণাৰ প্ৰচলন হয়, সি গণতান্ত্ৰিক আৰু বৌদ্ধিক প্ৰগতিৰ বাবে এক ডাঙৰ বাধা হৈ পৰে।



হিমাংশু ৰণ্জন ভূঞা

অধ্যয়ন স্পৃহাৰ এই অৱনতিয়ে সমাজৰ সৃজনশীলতা আৰু উদ্ভাৱনী শক্তিকো পোনপটীয়াকৈ প্ৰভাৱিত কৰে। সৃজনশীলতা কেৱল এক নতুন ধাৰণাৰ জন্ম নহয়, ই আচলতে অতীতৰ জ্ঞান, বিভিন্ন সংস্কৃতিৰ আদান-প্ৰদান আৰু গভীৰ মননৰ এক সুসংহত ফল। কিতাপ পঢ়াৰ যোগেদি আমি মানৱ ইতিহাসৰ শ্ৰেষ্ঠ চিন্তা, সাহিত্য, কলা আৰু দৰ্শনৰ সৈতে পৰিচিত হওঁ। এই পৰিচয় আৰু গভীৰ জ্ঞানে আমাৰ মনৰ কল্পনাশক্তিক উৰ্দ্ধগামী কৰে আৰু নতুন দিশেৰে চিন্তা কৰিবলৈ উৎসাহিত কৰে। কিন্তু যেতিয়া এই জ্ঞানৰ উৎস শুকাই যায়, তেতিয়া মানুহৰ চিন্তা সংকুচিত হৈ পৰে, তেওঁলোকে মৌলিক চিন্তা কৰাৰ পৰিৱৰ্তে কেৱল প্ৰচলিত ধাৰণাসমূহক অনুকৰণ কৰিবলৈ আৰম্ভ কৰে। এখন জাতিয়ে বিশ্বৰ মঞ্চত আগবাঢ়ি যাবলৈ হ'লে ইয়াৰ নাগৰিকসকলৰ মাজত মৌলিক গৱেষণা, দাৰ্শনিক আলোচনা আৰু উচ্চ মানৰ সাহিত্যৰ সৃষ্টি হোৱাটো বাধ্যতামূলক। অধ্যয়নৰ অভাৱে এই বৌদ্ধিক ভেটিটোক দুৰ্বল কৰি তোলে, যাৰ ফলত সমাজত নতুন উদ্ভাৱন, বিজ্ঞান আৰু মানৱীয় দৰ্শনৰ বিকাশ স্থবিৰ হৈ পৰে। এই অৱক্ষয়ে কেৱল বিজ্ঞান আৰু প্ৰযুক্তিতেই প্ৰভাৱ নেপেলায়, ই সমাজৰ কলা, সাহিত্য, সংস্কৃতি আৰু নৈতিকতাৰ মানদণ্ডকো নিম্নগামী কৰি তোলে। ফলস্বৰূপে, ভৱিষ্যতৰ প্ৰজন্মই মৌলিক চিন্তা আৰু গভীৰ মননশীলতাৰ অভাৱত এক স্থবিৰ আৰু নিৰ্জীৱ বৌদ্ধিক পৰিৱেশৰ সন্মুখীন হ'বলগীয়া হয়।

এই দুয়োটা কাৰকৰ গভীৰ প্ৰভাৱ সমাজৰ ভৱিষ্যতৰ ওপৰত এক প্ৰচণ্ড সংকট হিচাপে দেখা দিছে। পুথিভঁৰালৰ মৃত্যুঘণ্টা আৰু মননশীলতাৰ অৱনতিয়ে এক এনে সমাজৰ সৃষ্টিৰ পথ প্ৰশস্ত কৰিছে, য'ত মানুহে প্ৰচুৰ তথ্যৰ মাজতো জ্ঞানৰ দৰিদ্ৰতাত ভুগিব। এই তথাকথিত 'জ্ঞানী' কিন্তু অগভীৰ সমাজে জটিল সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাসমূহৰ মোকাবিলা কৰিবলৈ সম্পূৰ্ণৰূপে অসমৰ্থ হ'ব। গণতান্ত্ৰিক ব্যৱস্থাৰ সফলতা নিৰ্ভৰ কৰে নাগৰিকসকলৰ সঠিকভাৱে বাছি লোৱাৰ আৰু যুক্তিসংগত সিদ্ধান্ত লোৱাৰ ক্ষমতাৰ ওপৰত। কিন্তু যেতিয়া নাগৰিকসকলে গভীৰ অধ্যয়ন আৰু বিশ্লেষণৰ জৰিয়তে নিজৰ মনক সমৃদ্ধ নকৰে, তেতিয়া তেওঁলোক সহজে মিথ্যা প্ৰচাৰ, আৱেগিক আহ্বান আৰু ভিত্তিহীন উৰাবাতৰিৰ দ্বাৰা প্ৰভাৱিত হয়। ইয়াৰ ফলত, সুস্থ গণতান্ত্ৰিক আলোচনা আৰু যুক্তিনিষ্ঠ ৰাজনৈতিক প্ৰক্ৰিয়া দুৰ্বল হৈ পৰে, আৰু ৰাজনৈতিক সিদ্ধান্তসমূহত গভীৰ চিন্তাৰ অভাৱ দেখা দিয়ে। অধ্যয়নৰ ম্লানতাই মানুহৰ মাজত নৈতিকতা, সামাজিক দায়বদ্ধতা আৰু মানৱীয় মূল্যবোধৰ ক্ষেত্ৰতো এক বৃহৎ শূন্যতাৰ সৃষ্টি কৰে। সাহিত্য, ইতিহাস আৰু দৰ্শনৰ কিতাপসমূহে মানুহক সহমৰ্মিতা, ন্যায় আৰু আনৰ দৃষ্টিভংগী বুজি পোৱাৰ গভীৰ জ্ঞান দিয়ে। এই জ্ঞানৰ অভাৱত মানুহৰ মাজত আত্মকেন্দ্ৰিকতা বাঢ়ে, সামাজিক বন্ধন শিথিল হয়, আৰু সহনশীলতাৰ অভাৱ দেখা দিয়ে। এইদৰে, বৌদ্ধিক দৰিদ্ৰতাৰ বাবে সৃষ্টি হোৱা এই বিভাজিত সমাজে ভৱিষ্যতে এক সুস্থ আৰু সবল জাতি হিচাপে নিজৰ অস্তিত্ব বজাই ৰখাত গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

এই জটিল সমস্যাৰ মোকাবিলা কৰিবলৈ হ'লে এক সৰ্বাত্মক, সুপৰিকল্পিত আৰু সমন্বিত পদক্ষেপ লোৱাটো সময়ৰ আহ্বান। পুথিভঁৰালসমূহক পুনৰ সজীৱ কৰি তুলিবলৈ ইয়াৰ পৰম্পৰাগত ভূমিকাক আধুনিক প্ৰযুক্তিৰ সৈতে একত্ৰিত কৰিব লাগিব। পুথিভঁৰালসমূহক কেৱল কিতাপ সংৰক্ষণৰ কেন্দ্ৰ হিচাপে নহয়, বৰঞ্চ 'ডিজিটেল আৰু বৌদ্ধিক সংযোগৰ কেন্দ্ৰ' হিচাপে গঢ়ি তুলিব লাগিব। ইয়াত ডিজিটেল গৱেষণাৰ সুবিধা, ই-বুক সংগ্ৰহ, উচ্চ গতিৰ ইণ্টাৰনেট আৰু মাল্টিমিডিয়া প্ৰেজেণ্টেচনৰ সুবিধা থাকিব লাগিব। চৰকাৰে পুথিভঁৰালসমূহৰ উন্নয়ন আৰু নতুন গ্ৰন্থৰ নিয়মীয়া সংগ্ৰহৰ বাবে এক সুনিৰ্দিষ্ট আৰু যথেষ্ট পুঁজিৰ যোগান ধৰিব লাগিব। পুথিভঁৰাল পৰিচালনা সমিতিসমূহে স্থানীয় সমাজৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ বিভিন্ন জ্ঞানভিত্তিক কৰ্মশালা, পঢ়া চক্ৰ, লেখকৰ সৈতে মুখামুখি অনুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচী নিয়মীয়াকৈ আয়োজন কৰি ইয়াক এক সক্ৰিয় আৰু আকৰ্ষণীয় কেন্দ্ৰ হিচাপে গঢ়ি তুলিব লাগিব। পুথিভঁৰালৰ কৰ্মচাৰীসকলক আধুনিক জ্ঞান ব্যৱস্থাপনাত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব, যাতে তেওঁলোকে জ্ঞান অন্বেষণত সহায়ক হিচাপে এক নতুন ভূমিকা পালন কৰিব পাৰে।

অধ্যয়ন স্পৃহা পুনৰ ঘূৰাই আনিবলৈ হ'লে শিক্ষা আৰু সামাজিক পৰিৱেশত এক মৌলিক পৰিৱৰ্তন আনিব লাগিব। শিক্ষাব্যৱস্থাত কেৱল পৰীক্ষা কেন্দ্ৰিক অধ্যয়নৰ পৰা আঁতৰি আহি, গভীৰ পঠন, সমালোচনা আৰু বিশ্লেষণাত্মক চিন্তাধাৰাক উৎসাহিত কৰিব লাগিব। শিশুসকলক শৈশৱৰ পৰাই কিতাপৰ প্ৰতি এক মৰম আৰু আগ্ৰহ গঢ়ি তুলিবলৈ অভিভাৱক আৰু শিক্ষকসকলে এক নিৰন্তৰ প্ৰচেষ্টা চলাব লাগিব। বিদ্যালয়সমূহত কিতাপ পঢ়াক এক আনন্দদায়ক অভ্যাস হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব, আৰু ইয়াৰ বাবে উপযুক্ত সময় আৰু পৰিৱেশ দিব লাগিব। উচ্চ শিক্ষাৰ ক্ষেত্ৰত, গৱেষণা আৰু মৌলিক চিন্তাধাৰাক প্ৰাধান্য দিব লাগিব, আৰু ছাত্ৰ-ছাত্ৰীক পুথিভঁৰালৰ গভীৰ জ্ঞানৰ সৈতে পৰিচয় কৰাই দিব লাগিব। সমাজে সকলো স্তৰতে কিতাপ পঢ়াৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰিব লাগিব। সংবাদ মাধ্যম, সাহিত্যিক আৰু সামাজিক নেতাসকলে এই বৌদ্ধিক সংকটৰ বিষয়ে সৰৱ হ'ব লাগিব আৰু মানুহক পুনৰ কিতাপৰ জগতলৈ ঘূৰি আহিবলৈ উৎসাহিত কৰিব লাগিব। ডিজিটেল মাধ্যমসমূহক কিতাপৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ এক সহায়ক মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পাৰি, যেনে কিতাপ সমালোচনাৰ ভিডিঅ' বা অনলাইন পঢ়া গোটসমূহৰ সৃষ্টি। ইয়াৰ উদ্দেশ্য হ'ব লাগিব ক্ষণস্থায়ী তথ্যৰ পৰা আঁতৰাই মানুহক গভীৰ মননশীলতাৰ দিশে ধাৱিত কৰা।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, পুথিভঁৰালৰ নিস্তেজতা আৰু অধ্যয়ন স্পৃহাৰ অৱনতিয়ে আমাৰ সামূহিক জীৱনৰ ওপৰত এক বিশাল প্ৰভাৱ পেলাইছে। এই সংকটৰ মোকাবিলা কৰিবলৈ হ'লে আমি সকলোৱে — চৰকাৰ, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী, আৰু সাধাৰণ নাগৰিকে — একত্ৰিত হৈ কাম কৰিব লাগিব। জ্ঞানৰ কেন্দ্ৰসমূহক পুনৰ জীৱন্ত কৰি তোলা আৰু মানুহৰ মনত গভীৰ মননশীলতাৰ বীজ পুনৰ ৰোপণ কৰাটোৱেই হৈছে এক সুস্থ, শক্তিশালী আৰু প্ৰগতিশীল সমাজৰ আধাৰশিলা স্থাপন কৰাৰ একমাত্ৰ পথ। যদি আমি এই দিশত কাম কৰিবলৈ ব্যৰ্থ হওঁ, তেন্তে ভৱিষ্যতৰ সমাজ এক জ্ঞানবিহীন, সহজে প্ৰভাৱিত আৰু বৌদ্ধিকভাৱে দৰিদ্ৰ সমাজলৈ পৰিণত হোৱাৰ সম্ভাৱনা আছে। পুথিভঁৰালৰ পুনৰুজ্জীৱন আৰু অধ্যয়ন স্পৃহাৰ পুনৰ জাগৰণেই হৈছে এক উন্নত মানৱীয় ভৱিষ্যতৰ দিশে যোৱাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নৈতিক আৰু বৌদ্ধিক দায়িত্ব। জ্ঞানৰ এই নিস্তব্ধতা ভংগ কৰি আমাক মননশীলতাৰ পোহৰলৈ ঘূৰাই অনাটোৱেই হৈছে সময়ৰ দাবী।

মানুহৰ পৃথিৱীত মানৱতাৰ জয়গান

ড° পংখী প্ৰিয়া শৰ্মা

"অস্পৃশ্যতাৰ মহাদানৱক
আপোন হাতেৰে নাশিম
নতুন সমাজ গঢ়িম..."

বিংশ শতিকাৰ পৰা সাম্প্ৰতিক সময়লৈকে অসমীয়াৰ সামাজিক, সাংস্কৃতিক দিশত নিজস্ব সৃষ্টিশীল প্ৰতিভাৰে গভীৰভাৱে প্ৰভাৱিত কৰি ৰখা বিৰল প্ৰতিভা হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। তেখেত দৰাচলতে এক অনুষ্ঠান, অসমীয়া জাতিৰ অনন্য সম্পদ। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত জন্মগ্ৰহণ কৰা হাজৰিকাৰ সংগীতৰ বিশ্বমুখী যাত্ৰাই অসম আৰু অসমীয়াক গৌৰৱান্বিত কৰিলে, বিশ্ব দৰবাৰত অসমীয়া সংগীত তথা অসমীয়া সংস্কৃতিক সুপ্ৰসিদ্ধ কৰিলে। সামাজিকভাৱে গভীৰ দায়বদ্ধ ড° ভূপেন হাজৰিকাৰ গীতত আছে গভীৰ আশাবাদী দৃষ্টিভংগী। সেয়ে তেওঁ গাইছিল — "জীয়াই থাকি এখন সমাজ গঢ়িবৰ মোৰ পণ আছে/ য'ত সোণতকৈও মানুহৰ দাম অলপ হ'লেও বেছি আছে।"

নিৰাশাই আগুৰি ধৰা মনবোৰক সুধাকণ্ঠৰ গীতসমূহে আশাবাদী কৰি আহিছে। উল্লেখযোগ্য যে, ড° ভূপেন হাজৰিকাই সুৰ দিয়া প্ৰথমটো গীত ৰচিছিল দেউতাক নীলকান্ত হাজৰিকাই। গীতটো আছিল — "অ' মইনা কেতিয়া আহিলি তই / অহাৰে লগতে বননিৰ মাজতে / ফুলে বৰণীয়া জাঁই।" (উল্লিখিত, অপৰূপ সৃষ্টিৰ ৰূপকাৰ ভূপেন হাজৰিকা, লেখক: ৰঞ্জন কুমাৰ দত্ত, পৃষ্ঠা ৬৩)

সুধাকণ্ঠৰ গীতসমূহলৈ লক্ষ্য কৰিলে, বিষয়বস্তুৰ বৈচিত্ৰ্য সহজেই পৰিলক্ষিত হয়। অসমৰ বিভিন্ন জাতি - জনগোষ্ঠীৰ জীৱনৰ ভিন্নধৰ্মী চিত্ৰ প্ৰকাশ হোৱাৰপৰা আৰম্ভ কৰি সমাজ বাস্তৱতাৰ বিভিন্ন দিশ, ইতিহাস - ঐতিহ্য চেনতা আদিয়ে হাজৰিকাৰ গীতসমূহত মুখ্য বিষয় হিচাপে প্ৰকাশ লাভ কৰিছে। অসমৰ বিভিন্ন বিষয় গীতৰ মাধ্যমেৰে তেখেতে পোহৰলৈ অনাত যিমান সফল হ'ল, তেনেদৰে অন্যান্য গীতিকাৰ, গায়কসকল হ'ব পাৰিছে বুলি একেমুখেই ক'ব নোৱাৰি। মহাবাহু ব্ৰহ্মপুত্ৰক শৈশৱৰ পৰা প্ৰেৰণাৰ উৎস হিচাপে বহন কৰা সুধাকণ্ঠৰ বিভিন্ন গীতত মহাবাহু সমন্বয় আৰু মহামিলনৰ আধাৰ হিচাপে প্ৰকাশিত হৈছে।

জাতি -ধৰ্ম -বৰ্ণৰ ভেদাভেদ পৰিহাৰ কৰি একতাৰে আগবাঢ়ি গ'লেহে যে অসমৰ প্ৰগতি সম্ভৱ, সেই কথা সুধাকণ্ঠই মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছিল। অসমখনক উজনি -নামনি হিচাপে ভাগ ভাগ কৰিও এচামে সাধাৰণ জনগণৰ মাজত বিভেদৰ সৃষ্টি কৰিব বিচাৰে। সেই কথা ড° ভূপেন হাজৰিকাই যে গভীৰভাৱে হৃদয়ংগম কৰিব পাৰিছিল, তাৰেই উজ্জ্বল নিদৰ্শন হৈছে 'আমি ভাইটি - ভণ্টি' শীৰ্ষক গীতটি। গীতটিত প্ৰেম আৰু ভাতৃত্ববোধৰ প্ৰকাশ হৈছে এনেদৰে — "ধুবুৰীৰ ভণ্টি/ আৰু তেজপুৰীয়া ভাইটি/ শিৱসাগৰৰ গোহাঁইৰ স'তে/ লুইতৰ মুখৰ খামতি/ ইস্মানসোপা ভাই-ভনীটিৰ একে দেখোন মনটি।"

অসমৰ জনগণে বৃহত্তৰ স্বাৰ্থৰ বাবে এক হৈ থাকিব নোৱাৰিবনে? ভূপেন হাজৰিকাৰ গীতত এই শুভবোধৰ প্ৰকাশ এনেদৰে হৈছে — "মানুহে মানুহে মিলি / মহা অজগৰৰূপী / মহা বান্ধ সাজি সাজি / পানীৰ ঔদ্ধত্যক / চূৰ্ণ কৰিম।"

১৯৭৯ চনত সুধাকণ্ঠই সৃষ্টি কৰা 'মহাবাহু ব্ৰহ্মপুত্ৰ' শীৰ্ষক গীতটিত বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বিভিন্ন জাতি -ধৰ্ম -বৰ্ণৰ অৱদানৰ কথা এনেদৰে প্ৰকাশিত হৈছে — "সুদূৰ কান্যকুব্জৰেপৰা বাৰভূঞা আহিছিলে / সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে / মৰুৰ দেশৰে আজান ফকীৰে / মধুৰ জিকিৰ ৰচিলে / দিল্লীৰ দিলোৱাৰে আহি হস্তী -পুথি আঁকিলে .."

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ শব্দৰ চয়ন সঁচাকৈ বিস্ময়জনক। তেখেতে অসমীয়া জাতিটোক জগাই তোলিবলৈ লিখা এই কথাখিনিতো তাৰেই প্ৰমাণ পোৱা যায় — "উন্মত্ত ধৰাৰে / কুৰুক্ষেত্ৰৰে / শৰশয্যাতে /আলিংগন কৰা /ভীষ্মৰূপী / অজস্ৰ বীৰক / জগাই নোতোলা কিয়?"

নৱপ্ৰজন্মক ঐক্য, সম্প্ৰীতিৰ মনোভাৱেৰে জীৱন যাত্ৰাত আগবাঢ়ি যাবলৈ তেখেতে গীতেৰেই কৈছিল — " তুমি নতুন পুৰুষ, তুমি নতুন নাৰী/অনাগত দিনৰ জাগ্ৰত প্ৰহৰী/ কেঁচা জীৱন সোঁতক সিঞ্চন কৰি / সজাবা সমাজ নিজ হাতেৰে গঢ়ি।"

ভাষা আন্দোলনৰ সময়ত ৰচিত গীতসমূহতো মানৱ মৈত্ৰী, ভাতৃত্বৰ বাণী ঘোষিত হৈছে। তাৰেই অপূৰ্ব নিদৰ্শন বহন কৰিছে এই গীতটিয়ে — "গঙ্গাৰ চাপৰিৰ তলিতে দেখিবা/ লুইতৰ পলসো আছে / তোমাৰে মোৰে আইয়ে কান্দিলে / একেই চকুপানী মচে।"

জীৱন যুঁজত ভাগি নপৰা সঁচা মানুহৰ কাহিনী ড° ভূপেন হাজৰিকাৰ গীতত যিদৰে প্ৰকাশিত হৈছে, একেদৰে প্ৰকাশিত হৈছে সকলোধৰণৰ সামাজিক বৈষম্য, জাত -পাতৰ সংকীৰ্ণতা, অন্যায়-অবিচাৰৰ বিৰুদ্ধে সজাগ হৈ উঠাৰ আহ্বান। বৰ্তমান জাতি-ধৰ্মৰ নামেৰে খণ্ড খণ্ড হ'ব ধৰা জনগণে সুধাকণ্ঠৰ গীতসমূহৰপৰা শিক্ষা লোৱা উচিত। বৃহৎ অসমীয়া জাতিৰ স্বকীয়তা, নিজস্ব ঐতিহ্য আদি বিভিন্ন সৰু-বৰ জাতি-জনগোষ্ঠীসমূহ বিভাজিত হৈ পৰিলে অতি সোনকালেই যে নিঃশেষ হৈ পৰাৰ উপক্ৰম হ'ব সেয়া সহজেই অনুমান কৰিব পাৰি। ইয়াৰ পৰৱৰ্তী সময়ত সুধাকণ্ঠক স্মৰণ কৰি সমন্বয়ৰ গীত গালেও অসমীয়াৰ ভৱিষ্যত সুৰক্ষিত নহ'ব। ভেদাভেদ পৰিহাৰ কৰি একত্ৰিত হৈ অসমক প্ৰগতিৰ পথলৈ লৈ যোৱাই হওক সুধাকণ্ঠৰ প্ৰতি প্ৰত্যেকজন অসমীয়াৰ প্ৰকৃত শ্ৰদ্ধা, ভক্তি।

কীৰ্ত্তন-ঘোষাত প্ৰতিফলিত ভক্তিতত্ত্ব আৰু আত্মশুদ্ধি

প্ৰাণ প্ৰতিমা বড়া

কীৰ্ত্তন-ঘোষা মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় আৰু সাহিত্যিক জীৱনৰ অক্ষয় কীৰ্ত্তিস্বৰূপ। কীৰ্ত্তন-ঘোষা প্ৰধানকৈ এখন আখ্যান প্ৰধান গ্ৰন্থ। কীৰ্ত্তন-ঘোষা বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত অন্যতম। কীৰ্ত্তনৰ বিভিন্ন আখ্যানসমূহৰ জৰিয়তে ভক্তিতত্ত্বক প্ৰাধান্য দিয়া হৈছে। ভক্তিৰ মাজেৰে ভক্তসকলৰ আচাৰ-নীতি উল্লেখ আছে কীৰ্ত্তন পুথি। ভক্তিৰ মাধ্যমেৰে ভগৱান সন্তুষ্ট হয় আৰু ভক্তৰ সৈতে মিলিত হয়। ভক্তিৰ মাধ্যমেৰে ভক্তসকলে আত্মিক শান্তি লাভ কৰে। ভক্তিৰ মাধ্যমেৰে ভক্তই ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰে। মহাপুৰুষজনাই কৈ গৈছে ভক্তিৰ ক্ষেত্ৰত কোনো জাতি, বৰ্ণ, লিংগৰ ভেদ থাকিব নোৱাৰে। ভক্তিৰ ক্ষেত্ৰত ধন-ঐশ্বৰ্যৰো প্ৰয়োজন নাই। প্ৰহ্লাদ চৰিত্ৰত কোৱা হৈছে-

"তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।"

কীৰ্ত্তন পুথিৰ সমল হৈছে- শ্ৰীমদ্ভাগৱতপুৰাণ, পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ। সুত সংহিতা, ভাগৱত বিষ্ণু ধৰ্মোত্তৰ আগম, ব্ৰহ্মপুৰাণ আদি।

কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিত্ৰত আছে-
শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুৰ
কৰিব দেহা অৰ্পণ।।

মহাপুৰুষজনাই কীৰ্ত্তন পুথিত নৱবিধ ভক্তিৰ কথা উল্লেখ কৰিছে। সেই নৱবিধ ভক্তি হৈছে- শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্যভাৱ, সখ্য আৰু আত্মনিবেদন। এই নৱবিধ ভক্তিৰ মাধ্যমেৰে ভগৱানক পোৱা যায় বুলি মহাপুৰুষজনাই উল্লেখ কৰিছে। এই নৱবিধ ভক্তিৰ ভিতৰত উৎকৃষ্ট হৈছে শ্ৰৱণ আৰু কীৰ্ত্তন।

কীৰ্ত্তন পুথিত গুৰুজনাই উল্লেখ কৰিছে-
"শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ
সমস্ত ভূতকে দেখিবেক নাৰায়ণ।"

মহাপুৰুষজনাই কৈছে সমস্ত ভূতকে নাৰায়ণ বুলি মানি লৈ ভক্তিত আত্মনিবেদন কৰিবলৈ কৈছে। ভগৱানৰ পৰম সত্যক উপলব্ধি কৰিবলৈ জ্ঞানতকৈ ভক্তিৰ মাহাত্ম্যহে অধিক গুৰুত্বপূৰ্ণ বুলি কৈছে। ভগৱান কৃষ্ণৰ নাম, লীলা, গুণ আদিৰ উচ্চাৰণ কৰায়েই কীৰ্ত্তন। কীৰ্ত্তন পুথিৰ আখ্যান সমূহৰ জৰিয়তে মহাপুৰুষজনাই 'ধৰ্মৰ তত্ত্ব অৰ্থৰ পৰাতত্ত্ব' বুলি মানি লৈ ভগৱান কৃষ্ণৰ মাহাত্ম্য উল্লেখ কৰিছে। সমাজৰ বাস কৰা প্ৰতিজন লোকেই এই আখ্যান সমূহ ভক্তি ভাৱেৰে হৃদয়ঙ্গম কৰিলে মানুহৰ আত্মশুদ্ধি হয়। আত্মশুদ্ধি হ'বলৈ হ'লে ভক্তিমাৰ্গৰ দিশটো অনুকৰণ কৰিব লাগিব। আত্মশুদ্ধি হ'বলৈ হ'লে- মানুহৰ মনত ঠাই লোৱা আমাৰ শত্ৰুবোৰ যেনে- অহংকাৰ, কাম, ক্ৰোধ, হিংসা, ক্ষোভ, লোভ-মোহ আদি মনৰ বিকাৰবোৰক মনৰ পৰা আঁতৰাবলৈ যত্ন কৰিব লাগিব। আমি মানুহবোৰৰ মন মায়া মোহত অন্ধ হৈ পৰোঁ বাবে আমি ভক্তিমাৰ্গৰ পথটো অনুকৰণ কৰিবলৈ কষ্টকৰ হয়। সেয়ে আমি আত্মশুদ্ধিৰ পথটো আকোঁৱালি ল'বলৈ আমি অপাৰগ হৈ পৰোঁ। গুৰুজনাই দেখুৱাই যোৱা পথেৰে আমি আগুৱাই যাবলৈ হ'লে আমি এই আখ্যান সমূহৰ নীতিক আঁকোৱালি ল'ব লাগিব।

সমাজৰ জাতিভেদ, অনৈক্যতাআদি আতঁৰাই হৰিনামৰ শ্ৰৱণ কীৰ্ত্তনকে ধৰি নৱবিধ ভক্তিৰ জৰিয়তে কীৰ্ত্তনৰ মাধ্যমেৰে শূদ্ৰ-অন্ত্যজ আদি নিম্ন শ্ৰেণীক আকোঁৱালি লৈ এখন সংস্কাৰপূৰ্ণ সমাজ গঢ়ি তুলিবলৈ অপ্ৰাণ চেষ্টা চলাই গৈছিল মহাপুৰুষজনাই। কীৰ্ত্তন-ঘোষাৰ আখ্যানসমূহৰ জৰিয়তে জনসাধাৰণৰ মাজত নীতি শিক্ষা আৰু ধৰ্মৰ শিক্ষা দিয়াটোৱেই তেওঁৰ মূল উদ্দেশ্য আছিল। গতিকে এই মহান গ্ৰন্থৰ আখ্যান সমূহ হৃদয়ঙ্গম কৰি আমাৰ সংস্কাৰ কৰ্ম জৰিয়তে আত্মশুদ্ধিৰ মাধ্যমেৰে ভক্তিৰসত মিলিত হৈ নিজৰ লগতে সমাজৰ কল্যাণ কৰিবলৈ আমি সামৰ্থ্য হ'ব পাৰিম। কীৰ্ত্তন-ঘোষা পুথিখন অসমীয়া জাতীয় জীৱনৰ সৰ্বশ্ৰেষ্ঠ ভক্তিতত্ত্ব পুথি হিচাপে স্বীকৃতি দিব পাৰি।

নাজিৰাৰ জ্যেষ্ঠ সাংবাদিক ৰফিকুল (ভাইটী) ৰহমানৰ দেহাৱসান

অসম বাৰ্তা, নামতি, ৯ ছেপ্টেম্বৰ ঃ নাজিৰাৰ জ্যেষ্ঠ সাংবাদিক তথা নাজিৰা প্ৰেছ ক্লাব আৰু মুক্ত সাংবাদিক সন্থাৰ উপ-সভাপতি তথা নাজিৰা সাংবাদিক মঞ্চৰ উপদেষ্টা ৰফিকুল ৰহমান ওৰফে ভাইটী ৰহমানে আজি বিয়লি প্ৰায় তিনি বজাত ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত জীৱন নাটৰ সামৰণি পৰে। সুদীৰ্ঘ তিনি দশকধৰি নাজিৰা সমজিলাৰ ভিন্ন প্ৰান্তৰ বা-বাতৰি পৰিৱেশন কৰি অহা শিমলুগুৰি নগৰৰ বাসিন্দা তথা শিমলুগুৰিৰ জেউতি চিনেমা হ'লৰ স্বত্বাধিকাৰী ভাইটি ৰহমানে ৬ ছেপ্টেম্বৰৰ সন্ধিয়া কন্যাৰ সৈতে এক চমু শৈক্ষিক কাৰ্য্যসূচীত ভাগ লৈ উলটিবৰ সময়তে তেওঁ গুৰুতৰভাৱে অসুস্থ হৈপৰে। নিজ গৃহৰপৰা প্ৰায় আধা কিঃমিঃ দূৰত্বৰ বালিঘাট তিনিআলিৰ পৰা নিজৰ দুচকীয়া বুলেট বাহনেৰে ঘৰলৈ উলটিবৰ সময়ত হঠাৎ উচ্চ ৰক্তচাপত আক্ৰান্ত জ্যেষ্ঠ সাংবাদিক জনে থিতাতে বহি পৰাৰ লগতে অনুষ্ঠানৰ উদ্যোক্তা আৰু শুভাকাংক্ষী সকলে তাৎক্ষণিক ভাৱে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া নাজিৰা মহকুমা অসামৰিক চিকিৎসালয়লৈ লৈ যায়। চিকিৎসকে পলম নকৰি তেওঁক উন্নত চিকিৎসাৰ বাবে পুনৰ ডিব্ৰুগড়লৈ লৈ যোৱাৰ পৰামৰ্শ দিয়ে। নিশা সাংবাদিকজনক ডিব্ৰুগড়লৈ নিয়াৰ পথত ডিমৌৰ ৰজাবাৰীস্থ চাওলুং চুকাফা চিকিৎসালয়ত ভৰ্ত্তি কৰি প্ৰাথমিক পৰিচৰ্য্যাৰ লগতে বিভিন্ন পৰীক্ষা সমূহ সম্পন্ন কৰা হয়। পৰিয়ালৰ লগতে আত্মীয় সকলে নিশালৈ তেওঁক বিশেষ তৎপৰতাৰে অসম চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ "আই চি ইউ"ত ভৰ্ত্তি কৰোৱায়। সম্প্ৰতি চিকিৎসকে তেওঁৰ মগজুত হোৱা ৰক্তক্ষৰণৰ বিপৰীতে চিকিৎসা প্ৰদান কৰি আছিল। "দৈনিক জনমভূমি"ৰ জ্যেষ্ঠ সাংবাদিক ভাইটি ৰহমানে শেহতীয়াকৈ "দৈনিক অসম"ৰ শিমলুগুৰিৰ প্ৰতিনিধি হিচাপেও সংবাদ সেৱা অব্যাহত ৰাখিছে। নাজিৰা প্ৰেছ ক্লাব আৰু নাজিৰা মুক্ত সাংবাদিক সন্থাৰ উপ-সভাপতিৰ লগতে নাজিৰা সাংবাদিক মঞ্চৰ উপদেষ্টাৰ দায়িত্বত কাৰ্য্যনিবাহ কৰি থকা ৰহমানৰ আশু আৰোগ্যৰ বাবে বিভিন্নজন শুভাকাংক্ষীয়ে প্ৰাৰ্থনা জনোৱাৰ লগতে নাজিৰা প্ৰেছ ক্লাব, নাজিৰা সাংবাদিক মঞ্চ, নাজিৰা মুক্ত সাংবাদিক সন্থাই তেওঁৰ ক্ষিপ্ৰ নিৰাময়ৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই ছিল যদিও অৱশেষত নিয়তিৰ ওচৰত হাৰ মানি জীৱন নাটৰ সামৰণি পেলাই ৰফিকুল ৰহমান ওৰফে ভাইটী ৰহমানৰ পৰলোকৰ সময়ত পত্নীসহ দুগৰাকী কন্যা, এজন পুত্ৰ, এজন ককায়েক, বৌয়েক, দুগৰাকী বায়েক, ভিনিহীয়েক, ভতিজা ভতিজী, ভাগিন আত্মীয় স্বজন ইহ সংসাৰত এৰি থৈ যায়। ৫৩ বছৰ বয়সতে ভাইটী ৰহমানে ইহ সংসাৰৰ পৰা বিদায় লোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে তেখেতৰ শিমলুগুৰিস্থ বাসভৱনত অগণন গুণমুগ্ধই ভিৰ কৰে আৰু নশ্বৰদেহ ডিব্ৰুগড়ৰ পৰা নিজ গৃহ আহি পোৱাত নাজিৰা প্ৰেছক্লাব, নাজিৰা মুক্ত সাংবাদিক সন্থা, নাজিৰা সাংবাদিক মঞ্চ, শিৱসাগৰ প্ৰেছ ক্লাব, অসম ৱাৰ্তাজীৱি সংঘ, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থা, শিমলুগুৰি ব্যৱসায়ী সন্থা, নাজিৰা কবি সন্মিলন, নাজিৰা নাগৰিক সমিতি, সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থা, নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁই, প্ৰাক্তন বিধায়ক তথা অসম বিধানসভাৰ বিৰোধী দলৰ প্ৰাক্তন দলপতি দেৱব্ৰত শইকীয়া আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

গোলাঘাট কমাৰ্চ কলেজত এন চি চি কেডেটৰ সৈতে টি বি মুক্ত ভাৰত অভিযানৰ কাৰ্যসূচী সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৯ ছেপ্টেম্বৰ ঃ টিবি মুক্ত ভাৰত অভিযানৰ অংশ স্বৰূপে আজি গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত এনচিচি কেডেট সকলক সাঙুৰি জন-ভাগীদাৰীক শক্তিশালী কৰি যুৱক-যুৱতীসকলক যক্ষ্মা (টিবি)ৰ বিৰুদ্ধে যুঁজত জড়িত কৰাৰ উদ্দেশ্যেৰে এক সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ টিবি মুক্ত ভাৰতৰ প্ৰচেষ্টাৰ লগত সংগতি ৰাখি এই কাৰ্যসূচী আয়োজন কৰা হয়। ২৪ জুনত অনুষ্ঠিত প্ৰগতি বৈঠকৰ সময়ত আলোচনা কৰা মৰ্মে দেশৰ প্ৰধানমন্ত্ৰীয়ে প্ৰদান কৰা নিৰ্দেশনা অনুসৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে বিভিন্ন বিভাগ সমূহৰ সহযোগিতামূলক ব্যৱস্থা অব্যাহত ৰাখি যুৱ পৰিক্ৰমা বিভাগৰ সৈতে সহযোগিতা আগবঢ়াইছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি এন চি চি কেডেটসকলে টিবি মুক্ত ভাৰত অভিযানৰ সৈতে জড়িত কৰি 'মাই ভলোঁটিয়েৰ' বুলি চিনাক্ত কৰা হ'ব। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত এন চি চি কেডেটসকলক টিবি প্ৰতিৰোধ, টিবিৰ লক্ষণসমূহ, আগতীয়াকৈ চিনাক্তকৰণৰ গুৰুত্ব, সময়মতে ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা, যক্ষ্মা ৰোগৰ সৈতে জড়িত ভ্ৰান্তি বা ভুল ধাৰণা হ্ৰাস কৰাৰ বিষয়ে সংবেদনশীল কৰা হয়। কেডেটসকলক তেওঁলোকৰ সমনীয়া, পৰিয়াল আৰু সমাজত টিবিৰ বিষয়ে সঠিক তথ্য প্ৰচাৰ কৰাৰ ক্ষেত্ৰত সক্ৰিয় অংশীদাৰ হ'বলৈ উৎসাহিত কৰা হয়। এই পদক্ষেপে এনচিচিৰ কেডেটসকলক নিক্ষয় মিত্ৰ হিচাপে পঞ্জীয়ন কৰিবলৈ আৰু ভৱিষ্যতে টিবিৰ লগত জড়িত বিভিন্ন সভা আৰু প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ, আৰু সমুদায় পৰ্যায়ৰ সজাগতামূলক কাৰ্যক্ৰমত সহযোগ কৰিবলৈ উৎসাহিত কৰা হয়। তদুপৰি টিবি সংক্ৰমণ ৰোধৰ বাবে ধঁপাত/ ধূমপান, মদ আৰু ড্ৰাগছ পৰিহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি স্বচ্ছতা আৰু নিচা মুক্তিকে ধৰি যুৱক-যুৱতীসকলৰ জৰিয়তে সুস্থ জীৱনশৈলী আৰু স্বাস্থ্য বাৰ্তা প্ৰচাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ভাৰত চৰকাৰে টিবি হাৰেগা, দেশ জীতেগা মূলমন্ত্ৰৰে যক্ষ্মা নিৰ্মূলৰ দিশত অগ্ৰগতি কৰাৰ বাবে বিভিন্ন বিভাগ, যুৱ সংগঠন আৰু সামূহিক প্ৰতিষ্ঠানক জড়িত কৰি সমন্বিত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। অনুষ্ঠিত কাৰ্যসূচীত ১২ অসম বেটেলিয়ন, গোলাঘাটৰ লেফটেনেণ্ট, টি কন্যাক কে, কমাৰ্চ কলেজৰ অধ্যক্ষ, ড° উৎপল শৰ্মা, জিলা যক্ষ্মা বিষয়া, ডাঃ উৎপল বৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, গোলাঘাটৰ জিলা সংবাদ বিশেষজ্ঞ, পূৰ্বালি হাজৰিকা, পি পি এম সমন্বয়ক, প্ৰেৰণা শইকীয়া, ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচী, গোলাঘাট গোটৰ, অপূৰ্ব বৰা, অবিনাশ গগৈ, পৰীস্মিতা কোঁৱৰ আৰু এনচিচি তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সাঙুৰি ৮৫জন যুৱক যুৱতী উপস্থিত থাকে।

নগাঁৱত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপন

অসম বাৰ্তা, পুৰণিগুদাম, ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে জন্ম শতবৰ্ষ উদ্‌যাপন কৰা হয়। আজি সন্ধিয়া ৫ বজাত নগাঁও জিলা কাৰ্যালয় চৌহদত আয়োজিত এই অনুষ্ঠানত সুধাকণ্ঠ গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শতাধিক বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও কেন্দ্ৰীয় শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া কয়, ভাৰত ৰত্ন, সুধাকণ্ঠ ড' ভূপেন হাজৰিকা কেৱল এজন শিল্পী নহয়, তেওঁ অসমৰ জাতীয় চেতনাৰ প্ৰতীক। তেওঁৰ গীতত অসমৰ মাটিৰ গোন্ধ, মানুহৰ দুখ-যন্ত্ৰণা আৰু ঐক্যৰ বাৰ্তা আছে। তেওঁৰ জন্মশতবৰ্ষত তেওঁক স্মৰণ কৰাটো আমাৰ নৈতিক দায়িত্ব। গুৰুজনাৰ পাছতেই বিষ্ণু প্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ পাছতেই ভূপেন হাজৰিকা ডাঙৰীয়াই অসমীয়া সাহিত্য, সংস্কৃতিৰ জগতখন আগুৱাই নিছিল। তেওঁ লগতে কয় যে, নতুন প্ৰজন্মক ভূপেন হাজৰিকাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'ব লাগে বুলি মতপোষণ কৰে। আজিৰ এই বন্তিপ্ৰজ্বলন অনুষ্ঠানত জিলা সমিতিৰ বহু বিষয়ববীয়াৰ লগতে নগাঁও নগৰ সমিতিৰ সতীৰ্থ সকল উপস্থিত থাকে। শেষত সকলোৱে সুধাকণ্ঠৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" সমবেত কণ্ঠেৰে পৰিবেশন কৰে।

হাউলীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন

অসম বাৰ্তা, কুমুল্লী পাৰা, ৯ ছেপ্টেম্বৰ ঃ 'সাংস্কৃতিক মহাসভা অসম'ৰ হাউলী শাখাৰ উদ্যোগত আজি হাউলীৰ চণ্ডীবৰুৱা স্মৃতি ভৱন প্ৰাংগণত সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। অসমীয়া জাতিৰ সাংস্কৃতিক জগতৰ মহান কণ্ঠশিল্পী তথা বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টি আৰু অসমীয়া সমাজ-সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানক স্মৰণ কৰি অনুষ্ঠানটিত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল বিশিষ্ট শিল্পী মাধৱ নাথৰ সংগীত পৰিৱেশন। শিল্পীগৰাকীয়ে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত পৰিৱেশন কৰি অনুষ্ঠানৰ পৰিৱেশ সুৰীয়া কৰি তোলে। তেওঁৰ সংগীত পৰিৱেশনে উপস্থিত ৰাইজৰ মাজত বিশেষ সমাদৰ লাভ কৰে। অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ জীৱন, কৰ্ম আৰু অসমীয়া সংগীত-সংস্কৃতিলৈ তেওঁৰ অসামান্য অৱদানৰ বিষয়ে আলোচনা কৰা হয়। বক্তাসকলে কয় যে ড° ভূপেন হাজৰিকাৰ গীত কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়, বৰং মানৱতা, সাম্য, সম্প্ৰীতি আৰু সামাজিক চেতনাৰ এক শক্তিশালী বাৰ্তা বহন কৰে। 'সাংস্কৃতিক মহাসভা অসম'ৰ হাউলী শাখাৰ এনে উদ্যোগে নতুন প্ৰজন্মৰ মাজত সুধাকণ্ঠৰ সৃষ্টি আৰু আদৰ্শৰ সৈতে পৰিচয় গঢ়ি তোলাৰ লগতে অসমীয়া সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত সহায় কৰিব বুলি অনুষ্ঠানত মত প্ৰকাশ কৰা হয়।

গোলাঘাটত একেদিনাই ৩০টা ড্ৰাগছ সৰবৰাহকাৰী, সেৱনকাৰীক গ্ৰেপ্তাৰ

থানাৰ পৰা আদালতলৈ সমদল



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৯ ছেপ্টেম্বৰ ঃ গোলাঘাটৰ ৰাজপথত এইবাৰ দেখা গ'ল এক বিশেষ সমদল। সমদলটো কোনো সংগঠন অথবা অনুষ্ঠানৰ নাছিল, সমদলটো আছিল একাংশ ড্ৰাগছ সৰবৰাহকাৰী আৰু সেৱনকাৰীৰ থানাৰ পৰা আদালতলৈ কৰা এক সমদল। আজি গোলাঘাট আৰক্ষীয়ে মাৰাত্মক ড্ৰাগছৰ লগত বিভিন্ন প্ৰকাৰে জড়িত ৩০টা অভিযুক্তক গ্ৰেপ্তাৰ কৰি সমদল কৰাই আদালতলৈ নিয়ে। প্ৰথমবাৰৰ বাবে আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ মাজত দীঘলীয়া শাৰী কৰাই আদালতলৈ অভিযুক্ত নিয়া এই দৃশ্য প্ৰত্যক্ষ কৰিলে গোলাঘাটবাসীয়ে। উল্লেখযোগ্য যে, শেহতীয়াকৈ দেৰগাঁৱ লাচিত বৰফুকন পুলিচ একাডেমীত অনুষ্ঠিত হোৱা আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ড্ৰাগছৰ প্ৰয়োভৰ সমূলঞ্চে নাইকিয়া কৰিবলৈ আৰক্ষী সকলক কঠোৰ নিৰ্দেশ দিয়াৰ পাছতে ড্ৰাগছৰ বিৰুদ্ধে অধিক তৎপৰ হৈ পৰিছিল গোলাঘাট আৰক্ষী। গোলাঘাট আৰক্ষীয়ে কালি বিয়লিৰে পৰা গোলাঘাট নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল সমূহত অভিযান চলাই ৩০ টাকৈ ড্ৰাগছ সৰবৰাহকাৰী আৰু সেৱনকাৰীৰ আটক কৰিছিল। কালি সোধপোছৰ অন্তত আজি আৰক্ষীয়ে আটাইকেইটা ড্ৰাগছ সৰবৰাহকাৰী আৰু সেৱনকাৰীৰ এনেদৰেই গোলাঘাট থানাৰ পৰা নগৰৰ মাজেৰে সমদল কৰি আনি গোলাঘাটৰ ন্যায়িক আদালতত হাজিৰ কৰে। আৰক্ষীৰ এক সূত্ৰই জনোৱা মতে গ্ৰেপ্তাৰ কৰা এই ৩০টা ড্ৰাগছ সৰবৰাহকাৰী আৰু সেৱনকাৰীৰ ভিতৰত কেইটাও গভাইত চোৰ চিনাক্ত কৰা হৈছে। ড্ৰাগছ সেৱনৰ বাবেই এই চোৰ কেইটাই বিগত কিছুদিন ধৰি গোলাঘাট নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত চুৰি কাৰ্য সংঘটিত কৰি আহিছিল।

ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চাৰি গৰাকী কৃতী শিক্ষকক ঘৰে-ঘৰে গৈ সম্বৰ্ধনা

অসম বাৰ্তা, ৰহা, ৯ ছেপ্টেম্বৰ ঃ ঐতিহাসিক ৰহাৰ ৰহঘৰালৈ সন্মান আৰু গৌৰৱ কঢ়িয়াই অনা চাৰিগৰাকী কৃতী শিক্ষকক আজি ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা উষ্ম অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। যোৱা শিক্ষক দিৱসৰ দিনা নগাঁও জিলা প্ৰশাসন, নগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত আৰু নগাঁও জিলাৰ শিক্ষক সংগঠন সমূহৰ সহযোগত আয়োজিত জিলা পৰ্যায়ৰ কৃতী শিক্ষকৰ বঁটা প্ৰদান অনুষ্ঠানত ৰহাৰ তিনিগৰাকী শিক্ষকে জিলা কৃতী শিক্ষকৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। তেওঁলোক হ'ল- শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ৰঞ্জিৎ পাটৰ, দৰঙীগাঁও আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক অৰুণ দাস আৰু গড়াজান জয়ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক দীপক সুত। তেওঁলোকৰ এই সফলতাই সমগ্ৰ ৰহা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। আনহাতে, একেটা অনুষ্ঠানতে ভাৰতীয় ষ্টেট বেংক, নগাঁও শাখাৰ উদ্যোগত সমাজ, সংস্কৃতি, জাতীয় জীৱন আৰু ছাত্ৰ-ছাত্ৰীৰ হকে আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে ৰহাৰ সৰাগাঁও নিবাসী বিশিষ্ট শিক্ষক, সুলেখক, কবি আৰু সমাজ সংগঠক লক্ষ্মী প্ৰসাদ ডেকাক বিশেষ কৃতী শিক্ষক তথা সমাজকৰ্মী বঁটাৰে সন্মানিত কৰা হয়। এই চাৰিওগৰাকী গৌৰৱোজ্জ্বল ব্যক্তিক আজি নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি তথা ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতিৰ নেতৃত্বত এটা দলে তেওঁলোকৰ নিজা বাসগৃহলৈ গৈ ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰে উষ্ম অভিনন্দন জনায়। দলটোত উপস্থিত থাকে শিক্ষক অতুল নাথ, সাংবাদিক ছয়েল খেতান আৰু নৱজ্যোতি ভূঞা। এই সম্বৰ্ধনা অনুষ্ঠানত ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কয় যে, এই চাৰিগৰাকী কৃতী শিক্ষকৰ সাধনা আৰু ত্যাগে ৰহাৰ নৱ-প্ৰজন্মক শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱাত যথেষ্ট প্ৰেৰণা যোগাব। তেওঁলোকৰ এই সন্মানে আন শিক্ষাগুৰু সকলৰ বাবেও এক আদৰ্শ হৈ ৰ'ব। ছাত্ৰ সন্থাৰ এই মহান পদক্ষেপক ৰহাৰ বিভিন্ন দল-সংগঠন, শিক্ষক সমাজ আৰু সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

নলবাৰী বাণিজ্য মহাবিদ্যালয় গোটৰ পূৰ্ণাংগ সমিতি গঠন

নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ গুৰুত্বপূৰ্ণ সাংগঠনিক সভা



অসম বাৰ্তা, নলবাৰী, ৯ ছেপ্টেম্বৰ ঃ আজি নলবাৰী চহৰৰ এন. টি. ৰোডস্থিত জিলা কাৰ্যালয়ত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজেৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী চহৰ সমিতিৰ অন্তৰ্গত অন্যতম সক্ৰিয় তথা শক্তিশালী গোট 'নলবাৰী বাণিজ্য মহাবিদ্যালয় গোট'ৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা সুকলমে সম্পন্ন হৈ যায়। মহাবিদ্যালয়খনৰ ছাত্ৰ দেৱাশিস শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিতিৰে সৌষ্ঠৱ বৃদ্ধি কৰে পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতা, শিক্ষা সম্পাদক ভাস্কৰজ্যোতি বৰ্মন আৰু প্ৰচাৰ সম্পাদক অমিত ডেকাই। ইয়াৰ সমান্তৰালকৈ নলবাৰী চহৰ সমিতিৰ সাধাৰণ সম্পাদক চাহিল মল্লিক, উপ-সভাপতি নৱজ্যোতি ডেকা, যুটীয়া সম্পাদক নিহাৰ তালুকদাৰ আৰু বিত্ত সম্পাদক সমৰজ্যোতি বৈশ্যৰ উপস্থিতিয়ে অনুষ্ঠানটি অধিক সমৃদ্ধ কৰে। মহাবিদ্যালয়খনৰ অৰ্ধশতাধিক উৎসাহী ছাত্ৰ-ছাত্ৰীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণেৰে মুখৰিত হোৱা এই সভাত জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগী আৰু আদৰ্শৰ বিষয়ে এক তাৎপৰ্যপূৰ্ণ ব্যাখ্যা আগবঢ়ায়। আনহাতে, জিলা শিক্ষা সম্পাদক ভাস্কৰজ্যোতি বৰ্মনে নৱপ্ৰজন্মৰ মাজত জাতীয়তাবাদী চিন্তা-চেতনাৰ উন্মেষ ঘটোৱাৰ লগতে স্বদেশপ্ৰেমৰ সুস্থিৰ ভাৱধাৰাৰে উদ্বুদ্ধ হ'বলৈ নৱাগত সতীৰ্থসকলৰ প্ৰতি এক উদাত্ত আহ্বান জনায়। উক্ত সভাৰ সৰ্বসন্মত সিদ্ধান্ত মৰ্মে, দেৱাশিস কলিতাক সভাপতি আৰু লিকুমনি দাসক সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব অৰ্পণ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ 'নলবাৰী বাণিজ্য মহাবিদ্যালয় গোট'টি আনুষ্ঠানিকভাৱে এক পূৰ্ণাংগ ৰূপত গঠন কৰা হয়।

দৰঙত ৬০ দিনীয়া এইছ আই ভি আৰু এইডছ সন্দৰ্ভত বিস্তৃত সজাগতা অভিযানৰ শুভাৰম্ভ

অসম বাৰ্তা, দেওমৰনৈ, ৯ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ আন ৩৫খন জিলাৰ লগতে দৰং জিলাতো আজিৰে পৰা আৰম্ভ হৈছে এইছআইভি আৰু এইডছৰ সন্দৰ্ভত বিস্তৃত সজাগতা অভিযান। আজি এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত এই সজাগতামূলক অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জিলা আয়ুক্ত আয়ুষী জৈনে। স্বাস্থ্য বিভাগৰ উদ্যোগত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা শুভ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা আৰু মীন বিভাগৰ মন্ত্ৰী নীলিমা দেৱীয়ে কয় যে, শেহতীয়াভাৱে ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দৰঙতো এইছ আই ভি আৰু এইডছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। মূলতঃ সজাগতা সৃষ্টিৰ জৰিয়তেহে ইয়াৰ প্ৰাদুৰ্ভাৱ পৰা মুক্ত হ'ব পৰা যাব বুলি উল্লেখ কৰি তেওঁ উপস্থিত ছাত্ৰ ছাত্ৰী সকলক ড্ৰাগছৰ প্ৰাদুৰ্ভাৱৰ পৰা নিজকে মুক্ত কৰি ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে এই বিশেষ সজাগতামূলক অভিযান আজিৰে পৰা দুমাহ চলিব আৰু এই সময়ছোৱাত জিলাখনৰ ১২০খন গাওঁ সামৰি লোৱা হ'ব। কাৰ্য্যসূচী উদ্বোধন কৰি জিলা আয়ুক্ত আয়ুষী জৈনেও দৰং জিলাত বৃদ্ধি পোৱা ড্ৰাগছৰ প্ৰাদুৰ্ভাৱৰ কথা উল্লেখ কৰি ইয়াৰ কৰাল গ্ৰাসৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক আঁতৰি থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে ড্ৰাগছ আৰু এইছআইভি, এইডছৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই সজাগতামূলক কাৰ্য্যসূচী খুব সময় উপযোগী হৈছে বুলি মন্তব্য কৰে। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কমলাকান্ত শৰ্মাই ভাষণ প্ৰসংগত যুৱ প্ৰজন্মৰ মাজত এই ৰোগৰ লগতে ড্ৰাগছৰ প্ৰাদুৰ্ভাৱ যথেষ্ট বৃদ্ধি পাইছে আৰু এইটো খুবেই ভয়াবহ বুলি উল্লেখ কৰে। আনহাতে জিলা এইডছ নিয়ন্ত্ৰণ বিষয়া ডাঃ মালবিকা গগৈয়ে এইছ আই ভি আৰু এইডচ সন্দৰ্ভত উপস্থিত সকলোকে উদ্দেশ্যি বিশদভাৱে বুজাই কয়। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ পৰামৰ্শদাতা দীপক শইকীয়াই আঁত ধৰা অনুষ্ঠানত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱা, বিদ্যালয়খনৰ অধ্যক্ষা ললিতা ডেকা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা মাধ্যম বিশেষজ্ঞ জাহ্নৱী শৰ্মাৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী, এন জি অৰ প্ৰতিনিধি আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই শুভ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি এক সজাগতামূলক শোভাযাত্ৰাও উলিওৱা হয়। মঙলদৈ চহৰৰ মাজেৰে উলিওৱা এই সজাগতামূলক শোভাযাত্ৰা ফ্লেগ অব্‌ কৰে স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱাই।

মাকুম আৰক্ষীৰ সফলতা; এখন চোৰাং খাৰুৱা তেল ভৰ্তি বাহন জব্দ

অসম বাৰ্তা, মাকুম, ৯ ছেপ্টেম্বৰ ঃ আজি নিশা মাকুম আনন্দবাগ বাই পাছত মাকুম আৰক্ষীৰ তহলদাৰী দল এটাই খেদি খেদি এখন চোৰাং ভাৱে কঢ়িওৱা খাৰুৱা তেল ভৰ্তি বাহন জব্দ কৰিবলৈ সক্ষম হয়। এ এচ ২৩ ডিচি ৬০৩৯ নম্বৰৰ এখন বলেৰ' মে' বাহনত ১৫টা ড্ৰামত ৩,০০০ লিটাৰ খাৰুৱা তেল মজুত আছিল। জব্দ কৰা স্থানৰ পৰা বাহন খনৰ চালকজন পলায়ন কৰিবলৈ সক্ষম হয়। জব্দকৃত খাৰুৱা তেল সহ বাহনখন মাকুম আৰক্ষী থানাত ৰখা হোৱাৰ লগতে উক্ত চুৰি কাৰ্যৰ লগত জড়িত থকা চুৰি চক্ৰটোৰ সন্ধানত আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে।

চক্ৰ বিষয়াৰ নিৰ্দেশনাত লোকপিয়লৰ গণনা

বৰক্ষেত্ৰীত সূচাৰুৰূপে সম্পন্ন ৫৩,২৮৪টা গৃহৰ গণনা

অসম বাৰ্তা, দৌলাশাল, ৯ ছেপ্টেম্বৰ ঃ দেশৰ জনসংখ্যা, পৰিয়াল, বাসগৃহ আৰু অন্যান্য সামাজিক-অৰ্থনৈতিক তথ্যৰ সঠিক পৰিসংখ্যা সংগ্ৰহৰ উদ্দেশ্যে ২০২৬ চনৰ লোকপিয়ল চলি আহিছে। লোকপিয়লৰ জৰিয়তে দেশৰ প্ৰতিটো অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ জনসংখ্যা আৰু প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি থকা হৈছে। লোকপিয়লৰ তথ্যসমূহৰ জৰিয়তেই দেশৰ ভৱিষ্যৎ উন্নয়নমূলক পৰিকল্পনা, চৰকাৰী আঁচনি প্ৰস্তুতকৰণ আৰু জনসাধাৰণৰ বাবে বিভিন্ন সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ অৰ্থে এই প্ৰক্ৰিয়া চলি আহিছে। দেশ তথা ৰাজ্যৰ আন প্ৰান্তৰ দৰে নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিতো সুচাৰুৰূপে চলি আহিছে লোকপিয়লৰ গণনা। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ১২৯খন ৰাজহ গাঁৱত ৫১৬ গৰাকী বিষয়া- কৰ্মচাৰীয়ে ২০২৬ চনৰ লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল প্ৰস্তুত কৰা কাৰ্য তৎপৰতাৰে চলাই গৈছে। বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথৰ দিকনিৰ্দেশনাত বৰক্ষেত্ৰীৰ দুৰ্গম চৰাঞ্চলকে ধৰি বৰক্ষেত্ৰীৰ বিভিন্ন গাঁৱত এই প্ৰক্ৰিয়া চলি আহিছে। বিভিন্ন গাঁৱত নিয়োজিত গণনাকাৰী বিষয়াসকলে পৰ্যবেক্ষক আৰু স্থানীয় গাঁওপ্ৰধানসকলৰ সহযোগত গৃহ গণনা কাৰ্য (গৃহ তালিকা আৰু গৃহ পিয়ল) সম্পাদন কৰি আহিছে। প্ৰতিটো গৃহ আৰু ভৱনৰ প্ৰয়োজনীয় তথ্য সঠিকভাৱে সংগ্ৰহ কৰি লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত গণনাকাৰীসকলে তৎপৰতাৰে এই কাম কৰি আহিছে। দায়িত্বত নিয়োজিত সকলে বৰক্ষেত্ৰীৰ দুৰ্গম চৰাঞ্চললৈ ইঞ্জিনচালিত নাৱৰ সহায়ত উপস্থিত হৈ গৃহ তালিকা আৰু গৃহ পিয়ল সুচাৰুৰূপে সম্পন্ন কৰি আহিছে। তদুপৰি বৰক্ষেত্ৰীৰ বহু ভিতৰুৱা গাঁৱলৈ দায়িত্বত নিয়োজিতসকলে একাঁঠু পৰ্যন্ত বোকা পানী গচকি গৃহ গণনা কাৰ্য সম্পাদনা কৰি আহিছে। প্ৰতিকূল বতৰ আৰু প্ৰখৰ ৰ'দকো নেওচি বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথৰ তৎপৰতাত ৬৫ গৰাকী পৰ্যবেক্ষকৰ সহযোগত গণনাকাৰীসকলে অধিক তীব্ৰতাৰে প্ৰতিটো গৃহ আৰু প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা কাৰ্য সম্পাদনা কৰি নিজৰ নিজৰ দায়িত্ববোধৰ পৰিচয় দাঙি ধৰিছে। চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথে নিজেই বৰক্ষেত্ৰীৰ চৰাঞ্চলকে ধৰি বিভিন্ন দুৰ্গম অঞ্চললৈ গৈ কাম-কাজ পৰ্যবেক্ষণ কৰি আহিছে। বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথে জানিবলৈ দিয়া অনুসৰি আজি দিনৰ ৩ বজালৈকে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ ১২৯খন গাঁৱত ৮৫ শতাংশ কাম সমাপন কৰি ৫৩, ২৮৪টা গৃহৰ গণনা সম্পূৰ্ণ কৰিছে। উল্লেখযোগ্য যে লোকপিয়লৰ কামত নিয়োজিত পৰ্যবেক্ষকসকলে (শিক্ষক) ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি সময়ে সময়ে বিদ্যালয়ত পাঠদানো কৰি আহিছে বুলি জানিব পৰা গৈছে।

বৰপেটাৰোডত চাঞ্চল্য; ৫ দিন ধৰি সন্ধানহীন হৈ থকা যুৱকৰ মৃতদেহ উদ্ধাৰ, ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে পত্নীৰ গুৰুতৰ অভিযোগ

অসম বাৰ্তা, বৰপেটাৰোড, ৯ ছেপ্টেম্বৰ ঃ বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপৰ কলহভাঙাত আজি এক চাঞ্চল্যৰ সৃষ্টি হয়। যোৱা পাঁচ দিন ধৰি সন্ধানহীন হৈ থকা এজন যুৱকৰ মৃতদেহ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এক ঘন জংঘলত উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ উত্তেজনা বিৰাজ কৰিছে। উদ্ধাৰ হোৱা মৃতদেহটো কলহভাঙাৰ নিবাসী ভৰেশ চক্ৰৱৰ্তী (৩৫) বুলি চিনাক্ত কৰা হৈছে। পেচাত এজন গাড়ীৰ মেকানিক ভৰেশ যোৱা শুকুৰবাৰে নিচেই পুৱাতেই ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছিল। পৰিয়ালৰ লোকে বহু বিচাৰ-খোচৰ কৰিও তেওঁৰ কোনো শুংসূত্ৰ লাভ কৰা নাছিল। ঘটনাটোৱে অধিক ৰহস্যৰ সৃষ্টি কৰিছে কাৰণ দুদিন পূৰ্বে যুৱকজনৰ ফোনটোলৈ পৰিয়ালৰ ফালৰ পৰা কল কৰা হৈছিল যদিও কোনো অজ্ঞাত ব্যক্তিয়ে ফোনটো ৰিচিভ নকৰাকৈ কাটি দিছিল। আজি স্থানীয় ৰাইজে জংঘলৰ মাজত মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। ইফালে, এই ঘটনাক লৈ মৃত ভৰেশ চক্ৰৱৰ্তীৰ পত্নীয়ে এক বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। পত্নীৰ মতে, কলহভাঙাৰ আলী নামৰ এজন ড্ৰাগছ ব্যৱসায়ীয়ে ভৰেশক ড্ৰাগছ খুৱাই আহিছিল। এই মৃত্যুৰ অন্তৰালত ড্ৰাগছ ব্যৱসায়ী আলীৰ হাত থকাৰ সন্দেহ প্ৰকাশ কৰিছে শোকাকুল পত্নীয়ে। মৃত যুৱকজনৰ পত্নীয়ে সংবাদ মাধ্যমৰ আগত কয়, "মোৰ স্বামীক আলীয়ে ড্ৰাগছ খুৱাই শেষ কৰি দিলে। মই এই ঘটনাৰ উচিত তদন্ত বিচাৰো আৰু দোষীক কঠোৰ শাস্তি দিয়াটো বিচাৰো।" ইতিমধ্যে আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। অঞ্চলটোত শিপোৱা ড্ৰাগছৰ কবলে এজন যুৱকৰ প্ৰাণ কাঢ়ি নিয়াৰ আশংকাই এতিয়া সমগ্ৰ বৰপেটাৰোডতে শোকৰ ছাঁ পেলাইছে। আৰক্ষীৰ তদন্তৰ পিছতহে প্ৰকৃত ৰহস্য পোহৰলৈ আহিব।

ড° হীৰেন গোহাঁইলৈ অখিল গগৈৰ

অভিযোগ উত্থাপন কৰে আৰু তেওঁক "ভ্ৰষ্টাচাৰী কংগ্ৰেছক ক্লিনশ্বিট দি দলটোৰ ঢাল হিচাপে থিয় দিয়া" বুলি সমালোচনা কৰে। অখিল গগৈয়ে ড° গোহাঁইৰ বিৰুদ্ধে ব্যক্তিকেন্দ্ৰিক আক্ৰমণ আৰু চৰিত্ৰহননৰ অভিযোগ তোলে। চিঠিখনত উল্লেখ কৰে যে এজন নিৰ্বাচিত জনপ্ৰতিনিধিক "বিপজ্জনক" আখ্যা দিয়াটো ড° গোহাঁইৰ "দুষ্ট প্ৰয়াস" আৰু তেওঁক নিৰ্বাচনত পৰাস্ত কৰিবলৈও ড° গোহাঁয়ে উঠি-পৰি লাগিছিল বুলি দাবী কৰে। ইফালে, ড° গোহাঁইক "নিৰাশাবাদী দৃষ্টিভংগীৰ বুদ্ধিজীৱী" আখ্যা দি গগৈয়ে ৰাইজৰ দলৰ ৰাজনৈতিক অৱস্থান স্পষ্ট কৰে। লগতে ৰাইজৰ দলৰ মতাদৰ্শৰ সৈতে মতভেদ থাকিলেই "অখিল গগৈ কেনেকৈ হিমন্ত বিশ্ব শৰ্মা হ'ল?" বুলি প্ৰশ্ন উত্থাপন কৰে। চিঠিখনৰ আৰম্ভণিতে অখিল গগৈয়ে ড° গোহাঁইক সশ্ৰদ্ধ প্ৰণাম জ্ঞাপন কৰি কয় যে যোৱা ৫ ছেপ্টেম্বৰৰ ফেচবুক লেখাটোৰ উত্তৰ নিজে লগ ধৰি দিব বুলি ভাবিলেও উজনি অসমৰ বানপানীৰ পৰিপ্ৰেক্ষিতত সময় উলিয়াব নোৱাৰিলে। জ্বৰত বিছনাত পৰিও শ্ৰুতলিপিৰ মাধ্যমেৰে এই চিঠি লিখিবলগীয়া হোৱা বাবে ক্ষমা প্ৰাৰ্থনা কৰে। ড° গোহাঁইৰ অসমৰ বৌদ্ধিক আৰু সামাজিক জীৱনত অৱদান অনস্বীকাৰ্য বুলি স্বীকাৰ কৰিও গগৈয়ে কয় যে ৫ ছেপ্টেম্বৰৰ লেখাটোৱে তেওঁক গভীৰভাৱে চিন্তিত কৰি তুলিছে। তেওঁৰ মতে, এই মূল্যায়নত বয়োজ্যেষ্ঠ বাঁওপন্থী চিন্তাবিদৰ বস্তুনিষ্ঠ বিশ্লেষণ নাই, বৰঞ্চ এক ধাৰণাগত একদেশদৰ্শিতা আৰু কংগ্ৰেছৰ প্ৰতি অহেতুক দুৰ্বলতাহে প্ৰকাশ পাইছে। গগৈয়ে ড° গোহাঁইৰ লেখাত কৰা ব্যক্তিগত চৰিত্ৰহননৰ নিন্দা কৰি কয় যে "প্ৰথমতে অখিলৰ প্ৰধান লক্ষ্য, যি কোনো উপায়ে নিজক যিমান পাৰি ওপৰলৈ তোলা" বুলি কোৱাটো বিশুদ্ধ ব্যক্তিকেন্দ্ৰিক আক্ৰমণ। ইয়াত কোনো মাৰ্ক্সীয় চিন্তাৰ বস্তুনিষ্ঠতা নাই বুলি উল্লেখ কৰি গগৈয়ে দাবী কৰে যে কাৰাৰুদ্ধ অৱস্থাতো নিৰ্বাচিত হোৱা জনপ্ৰতিনিধিক তথ্য-প্ৰমাণহীনভাৱে 'বিপজ্জনক' বুলি আখ্যা দিয়াটো পাঠকক মনস্তাত্ত্বিকভাৱে প্ৰভাৱিত কৰাৰ দুষ্ট প্ৰয়াস। ৰাজনৈতিক পক্ষপাতদুষ্টতাৰ অভিযোগ উত্থাপন কৰি গগৈয়ে কয় যে কংগ্ৰেছে বিৰোধী ঐক্য গঢ়িবলৈ ব্যৰ্থ হোৱা, ২০২৬ৰ নিৰ্বাচনত সংসদীয় ইতিহাসৰ সবাতোকৈ বেয়া ফলাফল দিয়া, আৰু বিৰোধী ঐক্য ভাঙি দিয়াকে ধৰি নিজৰ ভুলবোৰৰ বাবে কংগ্ৰেছে কোনো সমালোচনা নাপালে; দোষাৰোপ কৰা হৈছে কেৱল আঞ্চলিক দল ৰাইজৰ দলক। চিঠিখনৰ মূল অংশত ৰাইজৰ দলৰ বিকল্প অসম গঢ়াৰ কৰ্মসূচী আগবঢ়ায় গগৈয়ে। তেওঁ কয় যে আধুনিক জলসিঞ্চন আৰু বৈজ্ঞানিক পদ্ধতিৰে কৃষিক খাদ্য-উদ্বৃত্ত আৰু লাভজনক খণ্ডত পৰিণত কৰি কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্যৰ গেৰাণ্টি দিয়া হ'ব, যাক তেওঁ সেউজ স্বৰাজ হিচাপে অভিহিত কৰে। প্ৰতিখন গাঁও আৰু নগৰৰ ৱাৰ্ডত ক্ষুদ্ৰ, লঘু আৰু মাক্ৰ' উদ্যোগ প্ৰতিষ্ঠা কৰি উৎপাদন বৃদ্ধি আৰু নিবনুৱামুক্ত অসম গঢ়ি তোলা হ'ব, যি হ'ল গ্ৰাম্য স্বৰাজ। চহৰসমূহক ডিজিটেল ডেলিভাৰী নেটৱৰ্ক, ফ্ৰিলেন্সাৰ আৰু ডিজিটেল ইক'নমীৰ জৰিয়তে যোগান শৃংখলৰ মূল কেন্দ্ৰ কৰি তোলা হ'ব, যাক নগৰ স্বৰাজ বুলি নামকৰণ কৰা হৈছে। প্ৰতিজন নিবনুৱা যুৱক-যুৱতীক বিশ্বমানৰ কাৰিকৰী আৰু পেছাগত দক্ষতা প্ৰদান আৰু নিশ্চিত কৰ্মসংস্থাপনৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানত 'ফিনিছিং স্কুল' নামৰ অনুষ্ঠান গঢ়ি তোলা হ'ব। উৎপাদিত কৃষি আৰু উদ্যোগিক সামগ্ৰীৰ বাবে থলুৱা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰি দালালৰাজ আৰু ছিণ্ডিকেটৰাজ উৎখাত কৰি স্বাৱলম্বী অৰ্থনীতি নিৰ্মাণ কৰা হ'ব। লগতে কেন্দ্ৰীয় চৰকাৰৰ একনায়কত্ববাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি ভাৰতীয় সংবিধানৰ প্ৰকৃত সংঘীয় কাঠামোত অসমৰ সম্পদ, মাটিৰ অধিকাৰ আৰু স্বায়ত্তশাসন সুনিশ্চিত কৰিবলৈ সংবিধানৰ ৩৭১ক অনুচ্ছেদ আদায় কৰি অনা হ'ব বুলি গগৈয়ে উল্লেখ কৰে। চিঠিৰ সামৰণিত অখিল গগৈয়ে ড° গোহাঁইক উদ্দেশ্যি কয় যে তেওঁ বয়োজ্যেষ্ঠ আৰু গঠনমূলক সমালোচনা সদায় কাম্য, কিন্তু যদি বাৰে বাৰে কেৱল বুৰ্জোৱা-কংগ্ৰেছীয় ৰাজনীতিৰ ঢাল হৈ থিয় দিয়ে, তেন্তে ইতিহাসে তেওঁক নতুন প্ৰজন্মৰ বৈপ্লৱিক যাত্ৰাৰ এক হেঙাৰ হিচাপেহে চিহ্নিত কৰিব। গগৈয়ে আশা প্ৰকাশ কৰে যে ড°গোহাঁয়ে 'সংকীৰ্ণ প্ৰতিশোধ' আৰু 'কংগ্ৰেছ প্ৰীতি'ৰ চশমা খুলি সময়ৰ গতিশীল বাস্তৱতা আৰু ৰাইজৰ দলৰ নবীন বিকল্পক বিচাৰ-বুদ্ধিৰে অনুধাৱন কৰিব।

অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ

তেওঁ কয়, "বাজপেয়ী মহোদয়েই উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয় (DoNER) গঠন কৰি এই অঞ্চলৰ প্ৰতি এক নৱযুগৰ আৰম্ভণি ঘটাইছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূবক 'অষ্টলক্ষ্মী' বুলি আখ্যা দি এই অঞ্চলৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰিছে। সাম্প্ৰতিক বাজেটত DoNER মন্ত্ৰণালয়ৰ বাবে ৬,৮০০ কোটি টকাতকৈও অধিক ব্যয় দিয়া হৈছে, যাৰ ফলত উন্নয়ন কাৰ্যসূচীসমূহক গতিশীল কৰা সম্ভৱ হৈছে।" অৰুণাচল প্ৰদেশৰ প্ৰাকৃতিক আৰু অৰ্থনৈতিক বিশেষত্বৰ বিষয়ে আলোকপাত কৰি ৰাধাকৃষ্ণণে উল্লেখ কৰে, "প্লাষ্টিকমুক্ত আৰু সেউজীয়া অৰুণাচল সদায় দেশৰ বাবে গৌৰৱৰ কাৰণ। ৰাজ্যখনৰ প্ৰায় ৭৯ শতাংশ অঞ্চল বনাঞ্চলেৰে আবৃত, যাৰ ফলত ই দেশৰ পৰিৱেশ সুৰক্ষাৰ এক প্ৰধান স্তম্ভ। চহকী জৈৱ বৈচিত্ৰ্য, অসংখ্য নদী আৰু ঘন অৰণ্যই এই ৰাজ্যক এক অনন্য স্থান দিছে। অৰুণাচলেই দেশৰ প্ৰথম ৰাজ্য য'ত বাণিজ্যিকভাৱে কিৱি ফল উৎপাদন আৰম্ভ কৰা হৈছে। বিগত বছৰবোৰত ৰাজ্যখনৰ জনমূৰি আয় পূৰ্বৰ তুলনাত দুগুণতকৈও অধিক বৃদ্ধি পাইছে, যি উন্নয়নৰ সুস্পষ্ট সূচক।" উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বিধায়কসকলক উদ্দেশ্যি কয়, "বিধানসভাৰ প্ৰশ্নোত্তৰ কালত সকলো সদস্যই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগে। কেৱল মুক্ত আলোচনা আৰু মতবিনিময়ৰ মাধ্যমেহে সমস্যাৰ সমাধানৰ পথ উজাৰ হয়।" অন্তত ভাষণৰ সামৰণিত উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে অৰুণাচলৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰি কয় যে উন্নয়নৰ এই যাত্ৰাত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সুসম্বন্ধই অঞ্চলটোক অধিক সমৃদ্ধিশালী কৰি তুলিব।

নগাঁও উপ-নিৰ্বাচনৰ অধিসূচনা

কৰা হৈছে। মনোনয়ন পত্ৰ গ্ৰহণৰ বাবে অতিৰিক্ত আয়ুক্ত পল্লৱী গগৈক সহকাৰী ৰিটাৰ্ণিং বিষয়া হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। আগন্তুক ১৬ ছেপ্টেম্বৰলৈ পুৱা ১১ বজাৰ পৰা আবেলি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। পিছদিনা মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব আৰু ১৯ ছেপ্টেম্বৰৰ আবেলি ৩ বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰৰ সুযোগ থাকিব। ইফালে, জিলা আয়ুক্তে জাৰি কৰা আন এটা আদেশ অনুসৰি মনোনয়ন দাখিল কৰিবলৈ অহা ব্যক্তিসকলৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত সৰ্বাধিক তিনিখন গাড়ীহে প্ৰৱেশ কৰিব পাৰিব। এজন প্ৰাৰ্থীৰ হৈ মনোনয়ন দাখিল কৰিবলৈ সৰ্বাধিক পাঁচজন ব্যক্তিহে কাৰ্যালয়ত প্ৰৱেশ কৰিব পাৰিব। সুকলমে মনোনয়ন গ্ৰহণৰ সুবিধাৰ্থে আৰু নিৰাপত্তাজনিত কাৰণত ১৪ ছেপ্টেম্বৰৰ পৰা ১৭ ছেপ্টেম্বৰলৈ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত ব্যক্তিগত যানবাহনৰ প্ৰৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। সমাগত উপ-নিৰ্বাচনক লৈ নগাঁও জিলা প্ৰশাসনে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। এই প্ৰস্তুতিৰ অংশস্বৰূপে কালি সন্ধিয়া জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ নিৰ্বাচনী পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে গণতান্ত্ৰিক মৰ্যাদা অক্ষুণ্ণ ৰাখি নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ, অন্তৰ্ভুক্তিমূলক, শান্তিপূৰ্ণ আৰু ভোটাৰ অনুকূল কৰি তোলাটোৱেই মূল লক্ষ্য বুলি প্ৰকাশ কৰে। নিৰ্বাচন আয়োগৰ ঘোষণা অনুসৰি অহা ৬ অক্টোবৰত ভোটগ্ৰহণ আৰু ৯ অক্টোবৰত ভোটগণনা সম্পন্ন হ'ব। বৈঠকত নিৰ্বাচনী বিধি অনুসৰি গ্ৰহণ কৰিবলগীয়া আটাইবোৰ কাৰ্যৰ ওপৰত বিস্তাৰিত আলোচনা কৰা হয়। জিলা আয়ুক্তই আগন্তুক উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচনৰ আদৰ্শ আচৰণ বিধি কঠোৰভাৱে পালন কৰিবলৈ সকলো প্ৰশাসনিক, আৰক্ষী আৰু বিভাগীয় বিষয়াক স্পষ্ট নিৰ্দেশ দিয়ে। লগতে নিৰ্বাচনৰ লগত জড়িত প্ৰতিটো বিভাগক নিজৰ দায়িত্বসমূহ সঠিকভাৱে পালন কৰি আগতীয়াকৈ আৱশ্যকীয় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আয়ুক্তগৰাকীয়ে আহ্বান জনায়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি. ভি. ৰাকেশ ৰেড্ডীয়ে বৈঠকত অৱগত কৰে যে সমাগত উপ-নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হ'ব। সকলো স্তৰতে আইন-শৃংখলা পৰিস্থিতি অক্ষুণ্ণ ৰাখিবলৈ আৰক্ষী প্ৰশাসন সম্পূৰ্ণৰূপে সাজু আছে বুলি উল্লেখ কৰি তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ নিৰাপত্তা আৰু সংবেদনশীল অঞ্চলসমূহত অতিৰিক্ত বাহিনী নিয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই গুৰুত্বপূৰ্ণ বৈঠকত ৰহা সম-জিলাৰ আয়ুক্ত ড° অংকিতা বৰা, অতিৰিক্ত জিলা আয়ুক্ত পল্লৱী গগৈ, কমল জিং শৰ্মা, গোপাল শৰ্মা, মৃদুল বড়ো, দিপাংকৰ বৰ্মন, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰৌজি তালুকদাৰ, নিৰ্বাচন বিষয়া প্ৰতিশা দত্ত, সহকাৰী আয়ুক্ত শেখৰণ ফুকন, জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, চি.আৰ.পি.এফ., চক্ৰ বিষয়াসকল, খণ্ড উন্নয়ন বিষয়াসকল আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। নিৰ্বাচনী আচৰণবিধি বলবৎ হোৱাৰ লগে লগে নগাঁও জিলাৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ পাঁচটা বিধানসভা সমষ্টিত বিজ্ঞাপন তথা প্ৰচাৰ সামগ্ৰী অপসাৰণৰ এক ব্যাপক অভিযান আৰম্ভ কৰা হৈছে। এই সমষ্টিকেইটা হৈছে ৫৫নং ধিং, ৫৬নং ৰূপহীহাট, ৫৮নং চামগুৰি, ৬০ নং নগাঁও-বটদ্ৰৱা আৰু ৬১ নং ৰহা (অনুসূচীত জাতি) সমষ্টি। নিৰ্বাচনী আইন আৰু নিৰ্দেশনাৱলী কঠোৰভাৱে পালন কৰাৰ উদ্দেশ্যে প্ৰশাসনৰ তৰফৰ পৰা এই অভিযানৰ অংশস্বৰূপে ৰাজনৈতিক ব্যক্তি আৰু বিভিন্ন ৰাজনৈতিক দলৰ দ্বাৰা প্ৰদৰ্শিত বেনাৰ, প'ষ্টাৰ, হোৰ্ডিং আৰু ফ্লেগসমূহ তৎপৰতাৰে আঁতৰাই পেলোৱা হয়।

মাছ ধৰিবলৈ গৈ খেৰকটীয়া নৈত

৮ বজাত কেইগৰাকীমান মহিলাৰ সৈতে খেৰকটীয়া নৈত মাছ মাৰিবলৈ গৈছিল। মাছ মাৰি থকা অৱস্থাতে হঠাৎ দ পানীত পিছলি পৰে ময়ূৰী। বিপদৰ উমান পাই তেওঁ 'মোক বচাওক, মোক বচাওক' বুলি চিঞৰিছিল যদিও লগত থকা মহিলাসকলে তেওঁক উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। পিছত পানীৰ প্ৰবল সোঁতে ময়ূৰীক উটুৱাই নিয়ে। ঘটনাৰ খবৰ পোৱাৰ পিছতে এছ ডি আৰ এফ বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ সমগ্ৰ দিনটো উদ্ধাৰ অভিযান চলায় যদিও সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোতে শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। ইফালে মাতৃক বিচাৰি ডেৰ বছৰীয়া সন্তানে হাহাকাৰ কৰিছে।

নগাঁৱৰ উপ-নিৰ্বাচনৰ পূৰ্বে ধিঙত

১০,০০০ৰো অধিক লোক উপস্থিত থাকে, যাৰ ফলত ধিং অঞ্চলত বিজেপিৰ প্ৰচাৰ অভিযানে এক শক্তিশালী ৰূপ লাভ কৰে। সভাত মন্ত্ৰী পীযুষ হাজৰিকা, নগাঁও বিধায়ক ৰূপক শৰ্মা, শিবু মিশ্ৰ, নগাঁৱৰ প্ৰাক্তন সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু নগাঁও লোকসভা উপ-নিৰ্বাচনৰ বাবে বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী দেবাশীষ শৰ্মা উপস্থিত থাকে। বিজেপিয়ে এই সভাৰ মাধ্যমেৰে কেৱল নিজৰ সাংগঠনিক ভেটি সম্প্ৰসাৰিত কৰাই নহয়, সংখ্যালঘু ভোটাৰসকলৰ কাষ চাপিবলৈ এক কৌশলগত পদক্ষেপো গ্ৰহণ কৰে। উপ-নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে নগাঁও সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে, বিশেষকৈ যিবোৰ অঞ্চলত সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা পালন কৰে, তাত সাংগঠনিক শক্তি বৃদ্ধি কৰাৰ লক্ষ্য লৈছে। ধিঙৰ এই সভাই কংগ্ৰেছৰ বাবে এক ডাঙৰ চিন্তাৰ কাৰণ হৈ পৰিছে, কাৰণ দলটোৰ পৰা এনেকুৱা গুৰুত্বপূৰ্ণ যোগদানে বিজেপিৰ গ্ৰহণযোগ্যতা আৰু ভোটাৰৰ নিৰ্বাচনী মনোভাৱৰ পৰিৱৰ্তনৰ ইংগিত বহন কৰিছে।

BRICS সন্মিলনৰ সময়ত

(FTO) তিনিদিন ধৰি উৰণ কাৰ্যকলাপ চলাব নোৱাৰিব। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে এই কথা জনাইছে। সকলো ফ্লায়িং ট্ৰেইনিং অৰ্গেনাইজেনলৈ প্ৰেৰণ কৰা এক জাননীত অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে উল্লেখ কৰিছে যে, ৰাজধানী দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সন্মিলন ২০২৬ৰ প্ৰতি লক্ষ্য ৰাখি ৰৰ ছেপ্টেম্বৰৰ পুৱা ৭ বজাৰ পৰা ১৩ ছেপ্টেম্বৰৰ নিশা ১১ বজালৈ এই নিষেধাজ্ঞা বাহাল থাকিব। নিৰ্দেশটোত স্পষ্টকৈ কোৱা হৈছে যে, নিৰ্ধাৰিত সময়ছোৱাত উত্তৰ প্ৰদেশত অৱস্থিত কোনো ফ্লায়িং ট্ৰেইনিং অৰ্গেনাইজেচনৰ পৰা কোনো ধৰণৰ বিমান উৰণ কৰিব নোৱাৰিব। ইয়াৰ ভিতৰত লাইট বা মাইক্ৰ'-লাইট বিমান, হেং-গ্লাইডাৰ, হেলিকপ্টাৰ আদি সকলো ধৰণৰ উৰণযান অন্তৰ্ভুক্ত কৰা হৈছে। ৭ ছেপ্টেম্বৰত জাৰি কৰা অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ জাননী অনুসৰি, এই নিষেধাজ্ঞা পঞ্জাব, হাৰিয়ানা, মধ্যপ্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান আৰু হিমাচল প্ৰদেশত অৱস্থিত ফ্লায়িং ট্ৰেইনিং অৰ্গেনাইজেনসমূহৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে জনোৱা মতে, ব্ৰিকছ সন্মিলন ২০২৬ৰ পৰিপ্ৰেক্ষিতত সক্ষম কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে নিৰাপত্তাজনিত কাৰণত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি, নিৰ্ধাৰিত সময়ছোৱাত দিল্লীৰ ৩০০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত লাইট আৰু মাইক্ৰ'-লাইট বিমান, মানৱবিহীন আকাশযান (UAV) আৰু একেধৰণৰ দীৰ্ঘ-পৰিসৰৰ আকাশযানৰ চলাচল নিষিদ্ধ কৰা হৈছে। একেদৰে দিল্লীৰ ১০০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত হেং-গ্লাইডাৰ, পেৰা-গ্লাইডাৰ, পেৰা-মটৰ, এৰ'-মডেল, সকলো ধৰণৰ ড্ৰোন আৰু একেধৰণৰ স্বল্প-পৰিসৰৰ আকাশযান চলাচলতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই জাননীৰ সৈতে প্ৰেৰণ কৰা এক ই-মেইলত উৰণ প্ৰশিক্ষণ সঞ্চালকালয়ে কয় যে, এই ব্যৱস্থাসমূহ "সাৱধানতামূলক নিৰাপত্তা ব্যৱস্থা" হিচাপে গ্ৰহণ কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে ব্ৰিকছ সন্মিলন ২০২৬ যাতে "নিৰাপদ আৰু সুচাৰুৰূপে" অনুষ্ঠিত কৰিব পৰা যায়, সেয়া নিশ্চিত কৰা। সংশ্লিষ্ট সকলো পক্ষক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে ১৮সংখ্যক ব্ৰিকছ সন্মিলন ১১ ছেপ্টেম্বৰৰ পৰা ১৩ ছেপ্টেম্বৰলৈ নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব।

নগাঁৱৰ প্ৰাৰ্থিত্বৰ দৌৰত কোন?

উপনিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে কংগ্ৰেছ, বিজেপি আৰু এ আই ইউ ডি এফৰ নিৰ্বাচনী তৎপৰতা তীব্ৰতৰ হৈ পৰিছে। সম্ভাব্য প্ৰাৰ্থিত্বক কেন্দ্ৰ কৰি সমষ্টিটোত বিশেষভাৱে চৰ্চালৈ আহিছে এ আই ইউ ডি এফৰ সম্পাদক ৰেজাউল কৰিম চৰকাৰ আৰু বিজেপিৰ দেৱাশিস শৰ্মাৰ নাম। কংগ্ৰেছৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে শিৰামণি বৰাৰ নামো বিভিন্ন মহলত উচ্চাৰিত হৈছে। প্ৰায় ১৯ লাখ ভোটাৰৰ এই সমষ্টিটোৰ ৰাজনৈতিক ফলাফল নিৰ্ণয়ত আটাইকেইটা বিধানসভা সমষ্টিৰ ভিন্ন ৰাজনৈতিক সমীকৰণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ সম্ভাৱনা আছে। ২০২৬ চনৰ ১০ ফেব্ৰুৱাৰীত প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি নগাঁও লোকসভা সমষ্টিত মুঠ ভোটাৰ ১৮, ৯৮, ৯৯২ জন। ইয়াৰে পুৰুষ ভোটাৰ ৯, ৪০, ৫৪৪ জন, মহিলা ভোটাৰ ৯, ৩৭, ৯২৮ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ৫৮ জন। সমষ্টিটো গঠিত হৈছে জাগীৰোড (এছ চি), লাহৰীঘাট, মৰিগাঁও, ধিং, ৰূপহীহাট, চামগুৰি, নগাঁও-বটদ্ৰৱা আৰু ৰহা (এছ চি)-এই আঠটা বিধানসভা সমষ্টিৰে। ইয়াৰে লাহৰীঘাটত সৰ্বাধিক ৩, ০৯, ১৪১জন ভোটাৰ থকাৰ বিপৰীতে নগাঁও-বটদ্ৰৱাত ১, ৯৭, ২৮৪জন ভোটাৰ আছে। জাগীৰোডত ২, ৫১, ৭৫৫, মৰিগাঁৱত ২, ০৬, ০১৯, ধিঙত ২, ৩৫, ৪৮১, ৰূপহীহাটত ২, ৩১, ৫৮৪, চামগুৰিত ২, ২৪, ৮২৬ আৰু ৰহাত ২, ৪২, ৯০২জন ভোটাৰ আছে। খালী আসনৰ পৰা উপনিৰ্বাচনৰ পথ ২০২৪ চনৰ লোকসভা নিৰ্বাচনত নগাঁও সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ দ্বিতীয়বাৰৰ বাবে সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। তেওঁ ৭, ৮৮, ৮৫০টা ভোট লাভ কৰি বিজয়ী হোৱাৰ বিপৰীতে বিজেপিৰ সুৰেশ বৰাই ৪, ৭৬, ৬১৯টা আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে ১, ৩৭, ৩৪০টা ভোট লাভ কৰিছিল। কিন্তু ২০২৬ চনৰ মাৰ্চ মাহত প্ৰদ্যুৎ বৰদলৈয়ে লোকসভাৰ সাংসদ পদৰ পৰা পদত্যাগ কৰে। লোকসভাৰ অধ্যক্ষই ২০ মাৰ্চ ২০২৬ৰ পৰা তেওঁৰ পদত্যাগ গ্ৰহণ কৰাত নগাঁও লোকসভা আসনখন খালী হয়। ফলত উপনিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। নিৰ্বাচন আয়োগৰ সূচী অনুসৰি জ্ঞ ছেপ্টেম্বৰৰ পৰা মনোনয়ন দাখিল আৰম্ভ হৈছে। ১৬ ছেপ্টেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন। ৰজ্জছেপ্টেম্বৰত মনোনয়ন পৰীক্ষা, ১৯ ছেপ্টেম্বৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন। ৬ অক্টোবৰত ভোটগ্ৰহণ আৰু ৯ অক্টোবৰত ভোটগণনা অনুষ্ঠিত হ'ব। সংখ্যালঘু অধ্যুষিত অঞ্চলত ৰেজাউলৰ চৰ্চা, সমষ্টিটোৰ ৰাজনৈতিক সমীকৰণত সংখ্যালঘু অধ্যুষিত ধিং, লাহৰীঘাট, ৰূপহীহাট আৰু চামগুৰি বিধানসভা সমষ্টি বিশেষ গুৰুত্বপূৰ্ণ। এই সমষ্টিসমূহত এ আই ইউ ডি এফে সাংগঠনিক কাম-কাজ আৰু নিৰ্বাচনী প্ৰচাৰ তীব্ৰ কৰি তুলিছে। দলটোৰ সম্পাদক তথা আমছুৰ প্ৰাক্তন সভাপতি ৰেজাউল কৰিম চৰকাৰৰ নাম এই অঞ্চলসমূহত সম্ভাব্য প্ৰাৰ্থী হিচাপে বিশেষভাৱে চৰ্চিত হৈছে। ইফালে ৰাইজৰ দলৰ দখলত থকা ধিং বিধানসভা সমষ্টিত কংগ্ৰেছৰ সাংগঠনিক স্থিতিক লৈও বিভিন্ন আলোচনা চলিছে। লাহৰীঘাটতো শেহতীয়াকৈ কংগ্ৰেছৰ একাংশ কৰ্মীয়ে দলত্যাগ কৰি বিজেপিত যোগদান কৰাৰ চৰ্চা ৰাজনৈতিক মহলত গুৰুত্ব লাভ কৰিছে। বিজেপিৰ শক্তি পৰীক্ষা দেৱাশিসক লৈআনহাতে বিজেপিৰ দখলত থকা জাগীৰোড, মৰিগাঁও, নগাঁও-বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টিত দেৱাশিস শৰ্মাৰ নাম সম্ভাব্য প্ৰাৰ্থী হিচাপে শক্তিশালীভাৱে উচ্চাৰিত হৈছে। এই অঞ্চলসমূহত দলটোৰ সাংগঠনিক শক্তি আৰু বিধানসভাভিত্তিক ভোটৰ সমীকৰণ উপনিৰ্বাচনত বিজেপিৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰে। বৰ্তমান জাগীৰোড, মৰিগাঁও, নগাঁও-বটদ্ৰৱা আৰু ৰহা বিজেপিৰ দখলত। আনহাতে লাহৰীঘাট, ৰূপহীহাট আৰু চামগুৰি কংগ্ৰেছৰ দখলত থকাৰ বিপৰীতে ধিং ৰাইজৰ দলৰ দখলত আছে। সেয়ে লোকসভা উপনিৰ্বাচনত বিধানসভা সমষ্টিভিত্তিক এই ভিন্ন ৰাজনৈতিক সমীকৰণে ফলাফলত কিমান প্ৰভাৱ পেলায়, সেয়া হ'ব লক্ষণীয়। কংগ্ৰেছৰ প্ৰাৰ্থিত্বক লৈও জল্পনা, কংগ্ৰেছৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে শিৰামণি বৰাৰ নাম বিভিন্ন ঠাইত চৰ্চিত হৈছে। একে সময়তে এ আই টি চিৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে আব্দুল ছালামৰ নামো সামাজিক মাধ্যমত প্ৰচাৰ লাভ কৰিছে। অৱশ্যে কোন দলৰ পৰা কোনে চূড়ান্ত প্ৰাৰ্থিত্ব লাভ কৰে, সেই বিষয়ত এতিয়াও অপেক্ষাৰ অন্ত পৰা নাই। গাঁও লোকসভা সমষ্টিৰ ৰাজনৈতিক ইতিহাসো যথেষ্ট পুৰণি। ১৯৫২ চনৰ প্ৰথম লোকসভা নিৰ্বাচনৰ সময়তে সমষ্টিটো গঠন হৈছিল। তেতিয়া সমষ্টিটো 'NOWGONG' নামেৰে পৰিচিত আছিল। কংগ্ৰেছৰ দেৱকান্ত বৰুৱাৰ পৰা আৰম্ভ কৰি লীলাধৰ কটকী, অসম গণ পৰিষদৰ মুহিৰাম শইকীয়া, বিজেপিৰ ৰাজেন গোহাঁই আৰু পৰৱৰ্তী সময়ত কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈলৈকে বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে সমষ্টিটোক প্ৰতিনিধিত্ব কৰিছে। এতিয়া ২০২৬ৰ উপনিৰ্বাচনে নগাঁৱৰ ৰাজনীতিত নতুন সমীকৰণৰ সৃষ্টি কৰাৰ সম্ভাৱনা দেখা দিছে। প্ৰায় ১৯ লাখ ভোটাৰৰ ৰায়ে কোন শক্তিক দিল্লীলৈ পঠিয়াব, সেয়া ৯ অক্টোবৰৰ ভোটগণনাৰ পাছতেই স্পষ্ট হ'ব। কিন্তু তাৰ পূৰ্বে প্ৰাৰ্থিত্ব ঘোষণা, দলীয় সংগঠন, ভোটৰ সমীকৰণ আৰু নিৰ্বাচনী প্ৰচাৰে নগাঁও লোকসভা উপনিৰ্বাচনক ৰাজ্যৰ ৰাজনীতিৰ কেন্দ্ৰবিন্দুলৈ লৈ যোৱাটো ইতিমধ্যে স্পষ্ট হৈ পৰিছে।

ৰে'ল কৰিড'ৰ আধুনিকীকৰণৰ

ঝাৰছুগুড়া প্ৰকল্পটোৰ দৈৰ্ঘ্য ৩৬৭ কিলোমিটাৰ আৰু ইয়াৰ বাবে প্ৰায় ৬, ৫২৮ কোটি টকা ব্যয় হ'ব। আনহাতে, আৰক্কোনম-ৰেণিগুণ্টা অংশত তৃতীয় আৰু চতুৰ্থ ৰেল লাইন নিৰ্মাণ কৰা হ'ব, যাৰ দৈৰ্ঘ্য ৭৭ কিলোমিটাৰ আৰু ব্যয় ধাৰ্য কৰা হৈছে প্ৰায় ১, ৯৩৬ কোটি টকা। মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে দেশৰ প্ৰায় ১১ হাজাৰ কিলোমিটাৰ উচ্চ-ঘনত্ব ৰেল কৰিড'ৰ ভিতৰত এই সাতটা গুৰুত্বপূৰ্ণ কৰিড'ৰত ৰেলৱেৰ প্ৰায় ৪০ শতাংশ যান-চলাচল সংঘটিত হয়। ইয়াৰে প্ৰায় ২, ০০০ কিলোমিটাৰ অংশৰ চাৰিটা লাইন ইতিমধ্যে সম্পূৰ্ণ হৈছে। প্ৰায় ৫, ০০০ কিলোমিটাৰ অংশত কাম চলি আছে অথবা অনুমোদন লাভ কৰিছে, আনহাতে বাকী প্ৰায় ৪, ০০০ কিলোমিটাৰৰ বাবে বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতৰ কাম চলি আছে। এই সাতটা কৰিড'ৰ ভিতৰত দিল্লী-মুম্বাই, মুম্বাই-চেন্নাই, চেন্নাই-কলকাতা আৰু কলকাতা-দিল্লী মিলি 'গ'ল্ডেন কোৱাড্ৰিলেটাৰেল' গঠন কৰে। ইয়াৰ উপৰি দিল্লী-চেন্নাই, মুম্বাই-কলকাতা আৰু দিল্লী-গুৱাহাটী কৰিড'ৰকো উচ্চ-ঘনত্ব নেটৱৰ্কৰ অংশ হিচাপে উন্নীত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ মতে, অনুমোদিত প্ৰকল্পসমূহৰ জৰিয়তে পশ্চিমবংগ, ঝাৰখণ্ড, ওড়িশা, মধ্য প্ৰদেশ আৰু ছত্তীশগড়-এই পাঁচখন ৰাজ্যৰ ১৪খন জিলাত প্ৰায় ৬৫৬ কিলোমিটাৰ ৰেল নেটৱৰ্ক বৃদ্ধি পাব। ইয়াৰ ফলত প্ৰায় ৪, ৭৯০খন গাঁও আৰু ৫৬ লাখ লোক উন্নত ৰে'ল যোগাযোগৰ সুবিধা লাভ কৰিব। লগতে এই প্ৰকল্পসমূহে স্থানীয় পৰ্যায়ত নিয়োগ আৰু স্ব-নিয়োজনৰ নতুন সুযোগ সৃষ্টি কৰাৰ আশা কৰা হৈছে। উন্নত ৰেল যোগাযোগৰ ফলত তাৰাতাৰিণী মন্দিৰ, ঝাৰছুগুড়াৰ জগন্নাথ মন্দিৰ, বান্ধৱগড় টাইগাৰ ৰিজাৰ্ভ, অমৰকণ্টক, আচানকামাৰ টাইগাৰ ৰিজাৰ্ভ, খুটাঘাট বান্ধ আৰু ৰতনপুৰ মহামায়া মন্দিৰৰ দৰে গুৰুত্বপূৰ্ণ ধৰ্মীয় আৰু পৰ্যটনস্থলীলৈ যাতায়াত অধিক সহজ হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিছে।

ৰিয়া তালুকদাৰ হত্যাকাণ্ডৰ চিন

ব্যক্তিজনৰ পৰিচয় উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, 'চুগাৰ ডেডী'ৰ গুৱাহাটীৰ ফাঁচীবজাৰ অঞ্চলত ব্যৱসায়িক প্ৰতিষ্ঠান আছে। তদন্তকাৰী আৰক্ষীয়ে তদন্তৰ স্বাৰ্থত তেওঁক সোধা-পোছাৰ বাবে আটক কৰাৰ সম্ভাৱনা আছে। আৰক্ষী সূত্ৰই জনোৱা মতে, প্ৰথমে অভিযুক্ত ৰামানুজ গোস্বামীক জে'ললৈ প্ৰেৰণ কৰাৰ পাছত 'চুগাৰ ডেডী'ক তলব কৰি তেওঁৰ বক্তব্য গ্ৰহণ কৰিব পাৰে। কিন্তু এতিয়ালৈকে হত্যাকাণ্ডৰ সৈতে 'চুগাৰ ডেডী'ৰ জড়িত থকাৰ কোনো নিশ্চিত প্ৰমাণ পোহৰলৈ অহা নাই। ইফালে আজি কিছুসময় পূৰ্বে তদন্তকাৰী আৰক্ষীয়ে অভিযুক্ত ৰামানুজ গোস্বামীক লগত লৈ ঘটনাস্থলীত চিন ৰিক্ৰিয়েচন কৰে। ৰিয়া তালুকদাৰ হত্যা হোৱা ফ্লেটত প্ৰকৃততে কি ঘটিছিল-তাৰ সঠিক ক্ৰম আৰু পৰিস্থিতি বুজিবলৈ এই ৰিক্ৰিয়েচন কৰা হয়। ঘাতক দিনা ফ্লেটৰ ভিতৰৰ পৰিৱেশ, সামগ্ৰীৰ অৱস্থান আৰু ৰামানুজৰ গতিবিধি পুনৰ নিৰীক্ষণ কৰি তদন্তকাৰীসকলে নতুন সূত্ৰ সংগ্ৰহ কৰে। চিন ৰিক্ৰিয়েচনৰ সময়তে আৰক্ষীয়ে ৰামানুজৰ ফ্লেটৰ পৰা কেইবাটাও গুৰুত্বপূৰ্ণ সামগ্ৰী জব্দ কৰে। ইয়াৰ ভিতৰত ফ্ৰীজটো অন্যতম, যাৰ ভিতৰত বা আশে-পাশে কি আছে পৰীক্ষা কৰা হ'ব। লগতে মজিয়াত পৰি থকা তেজৰ চেঁকুৰাৰ নমুনা সংগ্ৰহ কৰা হয়, যিয়ে হত্যাকাণ্ডৰ সময়ৰ দৃশ্যকল্প স্পষ্ট কৰাত সহায় কৰিব পাৰে। লগতে ৰামানুজে ঘটনাৰ দিনা পিন্ধা কাপোৰযোৰ আৰক্ষীয়ে জব্দ কৰিছে। এই নমুনাসমূহ অতি সোনকালে ফৰেনছিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিব পৰা গৈছে। আৰক্ষী সূত্ৰই কয় যে জব্দ কৰা সামগ্ৰী আৰু তেজৰ নমুনাৰ ল্যাবৰেটৰী পৰীক্ষাৰ ফলাফলে ঘটনাৰ প্ৰকৃত কাৰণ আৰু ক্ৰম উদঘাটনত বহু পৰিমাণে সহায় কৰিব। ফৰেনছিক তদন্ত আৰু চিন ৰিক্ৰিয়েচনৰ জৰিয়তে হত্যাকাণ্ডৰ সৈতে জড়িত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি তদন্তকাৰী দলটোৱে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে দেওবাৰে নিশা গুৱাহাটীৰ বেলতলা-বশিষ্ঠপুৰৰ ৪ নম্বৰ উপপথৰ 'অঞ্জলি গৃহ' নামৰ অট্টালিকাৰ তৃতীয় মহলাৰ নিজা ফ্লেটৰ পৰা ৰিয়া তালুকদাৰৰ মৃতদেহ উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। একে নিশাই ৰামানুজ গোস্বামীক হত্যাকাণ্ডৰ অভিযুক্ত হিচাপে গ্ৰেপ্তাৰ কৰা হয়। এতিয়া তদন্তকাৰী আৰক্ষীয়ে নমুনা পৰীক্ষা, সাক্ষী সাক্ষাৎকাৰ আৰু সম্ভাব্য 'চুগাৰ ডেডী'ৰ সোধা-পোছাৰ যোগে গোচৰটো সম্পূৰ্ণ গভীৰতাৰে লৈ যাবলৈ সাজু হৈছে।

দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা

কৰাৰ লক্ষ্যৰে আজি মেঘালয়ৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী কনৰাড চাংমাৰ সৈতে মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমন ডাঙৰীয়ানীৰ সৈতে হোৱা সাক্ষাতে নতুন সমৃদ্ধি প্ৰদান কৰিলে।" বৈঠকখনত অসম আৰু মেঘালয়ত বাহ্যিক সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ গতি ত্বৰান্বিত কৰি আন্তঃগাঁথনি আৰু সামাজিক খণ্ডত নতুন বিনিয়োগৰ পথ মুকলি কৰাৰ বিষয়টোকে প্ৰধানকৈ গুৰুত্ব দিয়া হয়। মুখ্যমন্ত্ৰীদ্বয়ে ৰাজ্য দুখনৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ বাবে বিত্তীয় সহায় আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিত্তমন্ত্ৰীক অৱগত কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰামনে সাক্ষাতত ইতিবাচক সঁহাৰি জনাই উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। তেওঁ অসম আৰু মেঘালয়ৰ উন্নয়নমূলক প্ৰকল্পসমূহক প্ৰয়োজনীয় অৰ্থসাহায্য আৰু নীতি-সহায়তা দিয়াৰ প্ৰতিশ্ৰুতিও পুনৰবাৰ দৃঢ় কৰে। উল্লেখযোগ্য যে, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আন্তঃগাঁথনি উন্নয়ন, যোগাযোগ, শিক্ষা, স্বাস্থ্যকে ধৰি বিভিন্ন খণ্ডত কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহ দ্ৰুতগতিত আগবঢ়োৱাই চৰকাৰী প্ৰাধান্যৰ অন্যতম দিশ। এই সাক্ষাতৰ ফলত অসম আৰু মেঘালয়ৰ উন্নয়নমূলক কাম-কাজলৈ নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ

কোৱাৰ্টাৰ ব্লক আৰু দুটা ডৰ্মিটৰীৰ ব্যৱস্থা কৰা হৈছে। অতিথিশালাটোত এয়াৰ কণ্ডিচনাৰ, টেলিভিছন আৰু উন্নতমানৰ আচবাবকে ধৰি বিভিন্ন আধুনিক সুবিধা সংযোজন কৰা হৈছে, যাৰ ফলত অতিথিসকলে সম্পূৰ্ণ আৰামদায়ক পৰিৱেশ পাব। শিক্ষা, চৰকাৰী কাম-কাজ, চিকিৎসা আৰু ব্যক্তিগত প্ৰয়োজনত গুৱাহাটীলৈ অহা ছিকিম চৰকাৰৰ বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, ৰোগীৰ পৰিয়ালৰ সদস্য আৰু অন্যান্য লোকৰ বাবে এই অতিথিশালাটো 'ঘৰৰ পৰা আঁতৰত আন এখন ঘৰ' হিচাপে সেৱা আগবঢ়োৱাৰ উদ্দেশ্যেই ইয়াক উন্নীত কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী তামাঙে নৱীকৃত অতিথিশালাটো ছিকিমবাসীৰ নামত উৎসৰ্গা কৰিবলৈ পাই আনন্দ প্ৰকাশ কৰে। তেওঁ বিষয়া-কৰ্মচাৰী আৰু অতিথিসকলক অতিথিশালাটোক নিজৰ সম্পত্তি হিচাপে গণ্য কৰি ইয়াৰ সঠিক যত্ন ল'বলৈ আহ্বান জনায়। লগতে তেওঁ অতিথিশালাটোত প্ৰামাণিক ছিকিমী খাদ্য পৰিৱেশনৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে অসমত থকা ছিকিমৰ লোকসকলে ঘৰৰ খাদ্যৰ সোৱাদ লাভ কৰাৰ লগতে আন ৰাজ্যৰ লোকসকলেও ছিকিমৰ পৰম্পৰাগত খাদ্যৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পায়। মুখ্যমন্ত্ৰী তামাঙে উল্লেখ কৰে যে গুৱাহাটীৰ মূল ছিকিম অতিথিশালাটো তেওঁৰ পূৰ্বৰ কাৰ্যকালত, ২০০৪ চনৰ পৰা ২০০৯ চনলৈ বিল্ডিং আৰু হাউছিং মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰাৰ সময়তে পৰিকল্পনা আৰু নিৰ্মাণ কৰা হৈছিল, আৰু ২০১১ চনত ই উদ্বোধন হৈছিল। ২০১৯ চনত তেওঁৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত অতিথিশালাটোত থকাৰ বাবে চাহিদা যথেষ্ট বৃদ্ধি পায়, যাৰ পৰিপ্ৰেক্ষিততে ৰাজ্য চৰকাৰে ভৱনটোৰ উলম্ব সম্প্ৰসাৰণ আৰু ব্যাপক নৱীকৰণৰ কাম হাতত লয়। অনুষ্ঠানৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত অধ্যয়ন কৰি থকা ছিকিমী ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকক এখন ছাত্ৰ সংগঠন গঠন কৰিবলৈ উৎসাহিত কৰে। লগতে অতিথিশালাটোত নৱাগত আদৰণি অনুষ্ঠান আৰু বিদায় সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰিব পাৰি বুলি পৰামৰ্শ দিয়ে, যাৰ ফলত ব্যক্তিগত স্থান ভাড়া কৰাৰ ক্ষেত্ৰত হোৱা অতিৰিক্ত খৰচো ৰাহি হ'ব বুলি তেওঁ উল্লেখ কৰে। জৰুৰীকালীন পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশাসনিক সহায় আগবঢ়োৱাৰো আশ্বাস দিয়ে মুখ্যমন্ত্ৰী তামাঙে। অন্তত তেওঁ আশা প্ৰকাশ কৰে যে নৱীকৃত অতিথিশালাটোৱে ছিকিম আৰু অসমৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্ব, সহযোগিতা আৰু পাৰস্পৰিক উন্নয়নৰ সম্পৰ্কক অধিক শক্তিশালী কৰাত সহায় কৰিব। অসমৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়েও এই উদ্বোধনক আদৰণি জনাই কয় যে নৱীকৃত অতিথিশালাটো উত্তৰ-পূৰ্বাঞ্চলৰ দুয়োখন ৰাজ্যৰ মাজত থকা দীৰ্ঘদিনীয়া সহযোগিতা আৰু সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ এক উজ্জ্বল প্ৰতিফলন।

১৭ ছেপ্টেম্বৰৰ পৰা বিজেপিৰ সেৱা

এক নতুন কাহিনী ৰচিত হয়। উদ্যোগ, কৃষি, পৰ্যটন আৰু জ্যোতিগ্ৰাম যোজনাৰ মাধ্যমেৰে গুজৰাটে বিকাশৰ নতুন দিগন্ত স্পৰ্শ কৰে, নৰ্মদাৰ পানী আৰু বান্ধসমূহে খৰাং অঞ্চলক উৎপাদনশীল কৰি তোলে আৰু কৃষি বৃদ্ধিৰ হাৰ বাৰ্ষিক ৯.২'%লৈ উন্নীত হয়। ২০১৪ চনত এই গুজৰাট মডেল সমগ্ৰ ভাৰতৰ বাবে প্ৰেৰণা হৈ পৰে। মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে যে মোদী চৰকাৰৰ কাৰ্যকালত ২৪.৮২ কোটি লোক বহুমাত্ৰিক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে; ১৫.৯১ কোটি গ্ৰাম্য পৰিয়ালে খোৱাপানী, ১২ কোটি শৌচাগাৰ আৰু ১০.৫ কোটি উজ্জ্বলা গেছ সংযোগ লাভ কৰিছে; ৪ কোটি পৰিয়ালে পিএমআৱাস যোজনাৰ অধীনত ঘৰ পাইছে আৰু ৪৫ কোটি আয়ুষ্মান কাৰ্ডে দৰিদ্ৰ ৰোগীসকলক স্বাস্থ্যসেৱাৰ নিশ্চয়তা প্ৰদান কৰিছে। অৱকাঠামোৰ ক্ষেত্ৰতো দেশে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে-ঘাইপথ আৰু বিমানবন্দৰৰ সংখ্যা দ্বিগুণতকৈও অধিক বৃদ্ধি পাইছে, ৰেলৱেত ৫০ হাজাৰ নতুন ডবা আৰু ৰ হাজাৰ কিলোমিটাৰ পথ সংযোজিত হৈছে, আৰু ইউপিআই লেনদেনে মাহিলি ২৯.৫৩ লাখ কোটি টকা অতিক্ৰম কৰিছে। হিমন্ত বিশ্ব শৰ্মাই এই পৰিসংখ্যাক কেৱল তথ্য নহৈ লাখ লাখ জীৱনৰ ৰূপান্তৰৰ কাহিনী বুলি অভিহিত কৰে। তেওঁ কয় যে এগৰাকী মাতৃয়ে পানীৰ বাবে দূৰলৈ যাব নালাগে, এগৰাকী মহিলাই ধোঁৱাত খাদ্য ৰান্ধিব নালাগে, এটা পৰিয়ালে নিজা ঘৰত শান্তিৰে টোপনি যাব পাৰে-এইবোৰেই প্ৰধানমন্ত্ৰী মোদীৰ দৰ্শনৰ বাস্তৱ প্ৰতিফলন। লগতে ৩৭০ অনুচ্ছেদ বাতিল, অযোধ্যাত ৰামলাল্লাৰ প্ৰাণপ্ৰতিষ্ঠা, কাশী বিশ্বনাথ আৰু মহাকাল ধামৰ পুনৰুদ্ধাৰকে ধৰি সাংস্কৃতিক পুনৰুজ্জীৱনৰ কথাও মুখ্যমন্ত্ৰীজনে উল্লেখ কৰে। উত্তৰ-পূবাঞ্চলৰ প্ৰতি মোদী চৰকাৰৰ বিশেষ দৃষ্টিভংগীৰ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে দশক দশক ধৰি উপেক্ষিত এই অঞ্চল এতিয়া উন্নয়নৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। 'এক্ট ইষ্ট' নীতিয়ে উত্তৰ-পূবক ভাৰতৰ দুৱাৰমুখ কৰি তুলিছে; বড়ো, কাৰ্বি, ডিমাছা, আলফা আৰু ব্ৰু-ৰিয়াং চুক্তিয়ে হাজাৰ হাজাৰ যুৱকক মূলসুঁতিলৈ অনাত সহায় কৰিছে; বিদ্ৰোহৰ ঘটনা ৮২' হ্ৰাস পাইছে। ৰেলৱেৰ বিত্তীয় বিনিয়োগ ৫০০' বৃদ্ধি পোৱাৰ লগতে ভাৰতমালা প্ৰকল্পে পাহাৰীয়া অঞ্চলত ১৮০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰিছে। অসমৰ জাগীৰোডত ২৭, ০০০ কোটি টকাৰ অৰ্ধপৰিবাহী প্লাণ্ট স্থাপিত হোৱাৰ ফলত স্থানীয় যুৱক-যুৱতীয়ে নিজৰ ঘৰতে বিশ্বমানৰ কৰ্মসংস্থাপন লাভ কৰিব পাৰিব। মা কামাখ্যা কৰিড'ৰলৈ প্ৰধানমন্ত্ৰী মোদীৰ সমৰ্থনে অসমৰ সাংস্কৃতিক পৰিচয়কো গৌৰৱান্বিত কৰিছে। বিশ্বমঞ্চতো মোদীৰ প্ৰভাৱ সুস্পষ্ট-চন্দ্ৰযান-ৰ সফল অৱতৰণ, ফ্ৰান্সৰ লিজিয়ন অৱ অনাৰ, ভূটান আৰু উজবেকিস্তানৰ সৰ্বোচ্চ সন্মানৰ জৰিয়তে তেওঁ ভাৰতৰ গৌৰৱ বিশ্ববাসীৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামৰণিত কয় যে গুজৰাটৰ চাহ দোকানৰ পৰা বিশ্ব নেতৃত্বলৈ মোদীৰ এই যাত্ৰা কেৱল উদযাপনৰ বিষয় নহয়; ই সেৱাৰ প্ৰতীক। সেইবাবেই বিজেপিৰ 'সেৱা সংকল্প অভিযান'ত ৰক্তদান, শিক্ষা, বৃদ্ধসকলৰ যত্ন, আৰু সমাজ গঢ়াৰ দৰে কামত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা জনাবলৈ তেওঁ সকলোকে আহ্বান জনাইছে। বিকশিত ভাৰত ২০৪৭ৰ সপোন বাস্তৱায়িত কৰাত এই অভিযান এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

উচ্চতম ন্যায়ালয়ত অসমৰ বিদেশী

Tribunal)ৰ কাৰ্যবিধিৰ পৰা উদ্ভৱ হোৱা আপিল সংক্ৰান্তিয় প্ৰায় ১১৭টা গোচৰৰ এক বৃহৎ গোটৰ ওপৰত শুনানি গ্ৰহণ কৰে। শুনানিৰ সময়ত ন্যায়ালয়ে সংশ্লিষ্ট ন্যায়াধিকৰণসমূহৰ গঠন, আইনী ভিত্তি আৰু কাৰ্যপদ্ধতিৰ বিষয়ে গভীৰভাৱে পৰ্যালোচনা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি, যিবোৰ অধিসূচনা বা আদেশৰ ভিত্তিত বিদেশী ন্যায়াধিকৰণসমূহে গোচৰ ৰেফাৰেন্স পঞ্জীয়ন কৰি কাৰ্যবিধি আৰম্ভ কৰিছিল, সেইসমূহ সম্পূৰ্ণ নথি-পত্ৰসহ ন্যায়ালয়ৰ সন্মুখত দাখিল কৰিব লাগিব। শুনানিত উপস্থিত জ্যেষ্ঠ অধিবক্তা শ্ৰী চন্দৰ উদয় সিঙে উল্লেখযোগ্য যুক্তি আগবঢ়ায় যে ন্যায়াধিকৰণসমূহৰ গঠন আৰু অনুসৰণ কৰা কাৰ্যপদ্ধতি আইনসিদ্ধ ভিত্তিত যথাযথ প্ৰক্ৰিয়া মানি কৰা হৈছিল নে নাই, সেই সম্পৰ্কে ন্যায়িক পৰ্যালোচনা অত্যন্ত জৰুৰী। তেওঁ লগতে কয় যে বহু ক্ষেত্ৰত অধিসূচনা বা আদেশৰ সঠিক ব্যাখ্যা আৰু প্ৰয়োগৰ বিষয়টো স্পষ্ট নহয়, যাৰ ফলত গোচৰীয়াসকলে সঠিক আইনী সুবিধা নাপাবও পাৰে। সেয়েহে মাননীয় ন্যায়ালয়ে চৰকাৰী নথি-পত্ৰৰ ভিত্তিত বিষয়বোৰ পৰীক্ষা কৰাৰ বাবে সংশ্লিষ্ট মূল অধিসূচনা, আদেশ আৰু অন্যান্য প্ৰাসংগিক নথি দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। এই উদ্দেশ্যে ন্যায়ালয়ে Nodal Counselসকলক নিৰ্দেশ দিয়ে যে তেওঁলোকে সংশ্লিষ্ট বিদেশী ন্যায়াধিকৰণ আৰু গোচৰসমূহৰ FT reference/registration সম্পৰ্কীয় অধিসূচনা আৰু আদেশসমূহ সংগ্ৰহ, সমন্বয় আৰু সুসংহতভাৱে ন্যায়ালয়ৰ নথিত দাখিল কৰক। অসমৰ বিদেশী ন্যায়াধিকৰণ ব্যৱস্থাৰ আইনী আৰু প্ৰক্ৰিয়াগত ভিত্তি এতিয়া ন্যায়ালয়ৰ পৰ্যালোচনাৰ আওতালৈ অহাত আজিৰ এই শুনানিয়ে বিশেষ তাৎপৰ্য বহন কৰে। ন্যায়াধিকৰণসমূহে কেতিয়া, কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ কোন অধিসূচনাৰ জোৰত কাম কৰি আছে, সেই তথ্য ন্যায়ালয়ত উপস্থাপন কৰিলেহে আইনী বৈধতাৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিব পৰা যাব বুলি ন্যায়ালয়ে ইংগিত দিয়ে। উল্লেখযোগ্য যে এই গোচৰসমূহ বৰ্তমানো ন্যায়ালয়ৰ বিচাৰাধীন (sub judice) আৰু শুনানিৰ সময়ত অধিবক্তাসকলে আগবঢ়োৱা যিকোনো যুক্তি বা বক্তব্যকে মাননীয় উচ্চতম ন্যায়ালয়ৰ কোনো চূড়ান্ত মতামত, সিদ্ধান্ত বা আইনী ঘোষণা হিচাপে গণ্য কৰা অনুচিত। ন্যায়ালয়ে সকলো দলৰ যুক্তি শুনি আগন্তুক শুনানিত বিষয়টোৰ গভীৰ পৰীক্ষা-নিৰীক্ষা অব্যাহত ৰাখিব বুলি জানিব পৰা গৈছে।

পুনৰ প্ৰতিযোগিতামূলক ক্ৰিকেটলৈ

নিৰ্ভৰ কৰিব তেওঁৰ মেচ ফিটনেছৰ ওপৰত। বৰ্তমান এই কথাটোৱেই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। শক্তিশালী অলৰাউণ্ডাৰগৰাকী শেষবাৰৰ বাবে প্ৰতিযোগিতামূলক ক্ৰিকেটত দেখা গৈছিল ২০২৬ চনৰ আই পি এলত। তাৰ পাছত আঘাত আৰু ফিটনেছ সমস্যাৰ বাবে তেওঁ খেলপথাৰৰ পৰা আঁতৰি থাকিব লগা হৈছিল। কিন্তু এতিয়া বিচিচিআয়ে (BCCI) অষ্ট্ৰেলিয়া 'এ'-ৰ বিৰুদ্ধে ৰেড-বল আৰু হোৱাইট-বল দুয়োটা ফৰ্মেটৰ বাবে ইণ্ডিয়া 'এ' দলসমূহ ঘোষণা কৰাৰ লগে লগে পাণ্ডিয়াৰ পুনৰ আগমনে উৎসাহৰ সৃষ্টি কৰিছে। হোৱাইট-বল শৃংখলাৰ বাবে ইণ্ডিয়া 'এ' দলটো অত্যন্ত ভাৰসাম্যপূৰ্ণ আৰু আক্ৰমণাত্মক। ঋতুৰাজ গাইকোৱাড়ৰ নেতৃত্বত এই দলত হাৰ্দিক পাণ্ডিয়াৰ লগতে দেৱদত্ত পাডিক্কল, সাই সুদৰ্শন, ৰজত পাটিদাৰ, প্ৰিয়াংশ আৰ্য, নমন ধীৰ আৰু প্ৰভচিমৰন সিংকে ধৰি বহু প্ৰতিভাশালী খেলুৱৈক স্থান দিয়া হৈছে। বলিং শক্তি বৃদ্ধি কৰিবলৈ নিশাত সিন্ধু, বিপ্ৰাজ নিগম, আৰ্শিন কুলকাৰ্ণী, আৰ্শদ খান আৰু গুৰজাপনেত সিংহকো সুযোগ প্ৰদান কৰা হৈছে। অন্যফালে ৰেড-বল ফৰ্মেটৰ বাবে ইণ্ডিয়া 'এ' দলৰ নেতৃত্ব দিব কৰ্ণাটকৰ বাঁওহতীয়া বেটছমেন দেৱদত্ত পাডিক্কলে। আঘাতৰ বাবে শ্ৰীলংকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ পৰা বাহিৰ হৈ থকা বি সাই সুদৰ্শন এই দলত উপ-অধিনায়ক হিচাপে প্ৰত্যাৱৰ্তন কৰিছে। দুয়োখন অনাফিচিয়েল টেষ্ট মেচ পুডুচেৰীৰ ক্ৰিকেট খেলপথাৰত অনুষ্ঠিত হ'ব-প্ৰথমখন চচ-চপ্ত ছেপ্টেম্বৰ আৰু দ্বিতীয়খন ২৯ ছেপ্টেম্বৰ—২ অক্টোবৰত। ইয়াৰ পিছতেই তিনিখন এদিনীয়া শৃংখলা আৰম্ভ হ'ব, যিবোৰ খেলা হ'ব ৬, ৯ আৰু ১১ অক্টোবৰত। এই শৃংখলা কেৱল উদীয়মান খেলুৱৈসকলৰ বাবে জাতীয় দললৈ যোৱাৰ দুৱাৰ নহয়, হাৰ্দিক পাণ্ডিয়াৰ বাবেও নিজৰ সামৰ্থ্য পুনৰ প্ৰমাণ কৰাৰ এক সুবৰ্ণ সুযোগ।

চাহ বাগিছাসমূহৰ চাহ শ্ৰমিকৰ বিভিন্ন জ্বলন্ত সমস্যাক লৈ সৰুপথাৰৰ বৰপথাৰত চাহ শ্ৰমিকৰ প্ৰতিবাদ

অসম বাৰ্তা, সৰুপথাৰ, ৯ ছেপ্টেম্বৰ ঃ গোলাঘাট জিলাৰ চাহ বাগিচাসমূহৰ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাসমূহ সমাধানৰ দাবীত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ (আটছা) গোলাঘাট জিলা সমিতিৰ নিৰ্দেশ মৰ্মে বৰপথাৰ আৰু সৰুপথাৰ শাখাৰ যুটীয়া উদ্যোগত সৰুপথাৰ সমজিলাৰ বৰপথাৰত এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাভজান চাহ বাগিচাৰ পৰা আৰম্ভ হোৱা এই প্ৰতিবাদী সমদলত দুই শতাধিক চাহ শ্ৰমিক আৰু ছাত্ৰ কৰ্মীয়ে অংশগ্ৰহণ কৰি বন্ধ হৈ থকা বগীধলা চাহ বাগিচা পুনৰ মুকলি কৰা, শ্ৰমিকসকলক ন্যায্য মজুৰি, উন্নত চিকিৎসা, শিক্ষা, সুৰক্ষিত বাসগৃহ, বিশুদ্ধ খোৱাপানী, যাতায়াতৰ সুচল ব্যৱস্থা, বকেয়া পি এফ (PF) আৰু মাটিৰ পাট্টা প্ৰদান কৰাৰ লগতে চৰকাৰী উন্নয়নমূলক কামৰ অনুমতি প্ৰদানৰ তীব্ৰ দাবী জনায়। ধাৰাবাহিক প্ৰতিবাদৰ পিছতো জিলা প্ৰশাসন, চৰকাৰ আৰু বাগানৰ মালিক পক্ষই শ্ৰমিকৰ সমস্যাক লৈ কোনো ধৰণৰ গুৰুত্ব নিদিয়া বুলি ক্ষোভ প্ৰকাশ কৰি সংগঠনটোৱে কাৰ্যসূচীৰ অন্তত সৰুপথাৰ সমজিলা আয়ুক্তৰ জৰিয়তে গোলাঘাটৰ জিলা আয়ুক্তলৈ দাবীসমূহ সম্বলিত এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। তেওঁলোকে স্মাৰক পত্ৰযোগে কৰা দাবীসমূহঃ ১। গোলাঘাট জিলাৰ অন্তৰ্গত বিগত ৮ বছৰে বন্ধ হৈ থকা বগীধলা চাহ বাগিচা শীঘ্ৰে স্থায়ী সমাধান কৰি শ্ৰমিকসকলৰ জীৱন-জীৱিকাৰ আৰু ভৱিষ্যৎ সুৰক্ষিত কৰা, ২। চাহ শ্ৰমিকসকলৰ মজুৰি, ৰেচন, চিকিৎসা, শিক্ষা, বাসগৃহ আৰু অন্যান্য ন্যায্য প্ৰাপ্যসমূহ নিশ্চিত কৰা, ৩। চাহ বাগিচাসমূহত শ্ৰমিকসকলৰ বাবে বিশুদ্ধ খোৱাপানী, উন্নত চিকিৎসা ব্যৱস্থা, পথ-যোগাযোগ আৰু অন্যান্য মৌলিক সুবিধা নিশ্চিত কৰা, ৪। চাহ বাগিচাসমূহত শ্ৰমিকৰ অধিকাৰ আৰু কল্যাণমূলক ব্যৱস্থাসমূহ কঠোৰভাৱে ৰূপায়ণ কৰি শ্ৰমিকসকলৰ ওপৰত চলি অহা বঞ্চনা আৰু অৱহেলা বন্ধ কৰা, ৫। পাভজান চাহ বাগিচাৰ শ্ৰমিকসকলৰ পযেকীয়া মজুৰি নিয়মিতভাৱে প্ৰদান কৰা, ৬। পাভজান চাহ বাগিচাৰ শ্ৰমিকসকলৰ পি. এফ. গ্ৰেচুইটি আৰু অন্যান্য বকেয়া ধন সমূহ অতি শীঘ্ৰে মুকলি কৰা ব্যৱস্থা কৰা, ৭। ৰাধাকৃষ্ণ চাহ বাগিচাত অসম চৰকাৰৰ অভিলাষী আঁচনিৰ অধীনত মডেল অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰাৰ বাবে NOC ৰ ব্যৱস্থা কৰা, ৮। ৰাধাকৃষ্ণ চাহ বাগিচাত অসম চৰকাৰৰ অভিলাষী আঁচনিৰ অধীনত জগন্নাথ মন্দিৰ ও দক্ষতা কেন্দ্ৰ স্থাপনৰ বাবে NOC প্ৰদানৰ ব্যৱস্থা কৰা। চাহ জনজাতি ছাত্ৰ সন্থাৰ সৰুপথাৰৰ সম্পাদক সোণাৰাম গঞ্জুৱে সংবাদ মাধ্যমযোগে কয়, “আমি আজি অসম চাহ জনজাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ নিৰ্দেশ মৰ্মে সৰুপথাৰ আৰু বৰপথাৰ শাখা যুটীয়াভাৱে বৰপথাৰ নগৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছোঁ। এই প্ৰতিবাদী কাৰ্যসূচী এইকাৰণেই ৰূপায়ণ কৰিবলগীয়া হৈছে যিহেতু সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বিভিন্ন চাহ বাগিচা আছে আৰু সেই চাহ বাগিচাসমূহত বিভিন্ন ধৰণৰ জ্বলন্ত সমস্যা আছে। সেই জ্বলন্ত সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলগীয়া হৈছে। যিহেতু চাহ শ্ৰমিকসকলৰ বিভিন্ন ধৰণৰ প্ৰাপ্য আছে, ধৰক পি.এফ. (PF), গ্ৰেচুইটিৰ পৰা অন্যান্য যিবিলাক সা-সুবিধা আছে, সেই সা-সুবিধাখিনিৰ পৰা তেওঁলোক বৰ্তমানলৈকে বঞ্চিত হৈ আছে। কিন্তু আমি এই প্ৰতিবাদস্থলীৰ পৰাই এটা কথা দাবী জনাব বিচাৰিছো, মালিকপক্ষই হওক বা চৰকাৰলৈকে হওক, আমি চাহ জনজাতি ছাত্ৰ সন্থাই দাবী উত্থাপন কৰিছো যে আমি যিবিলাক দাবী কৰিছো, সেই দাবীসমূহ যদি শীঘ্ৰে পূৰণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়া কিন্তু আমি ইয়াতকৈ জংগী আন্দোলন গঢ়ি তুলিবৰ কাৰণে বাধ্য থাকিম।” লগতে কয়, “আমি বাৰম্বাৰ স্মাৰক পত্ৰৰ জৰিয়তে জিলা উপায়ুক্ত মহোদয়লৈ হওক বা চৰকাৰলৈকে হওক, আমি বাৰম্বাৰ স্মাৰক পত্ৰ প্ৰদান কৰি আহিছোঁ, কিন্তু কোনো ধৰণৰ গুৰুত্ব প্ৰদান কৰা আমি দেখা পোৱা নাই। আমাৰ জনগোষ্ঠীৰ যিবিলাক মন্ত্ৰী, এম.এল.এ. (MLA) আছে, যিবিলাক ৰাজনৈতিক নেতা আছে, সেই নেতাসমূহকো আমি বিভিন্ন সময়ত এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত অৱগত কৰো, কিন্তু তেখেতসকলো কিন্তু কোনো ধৰণৰ গুৰুত্ব আৰোপ নকৰে। আমি এটা কথাই কব বিচাৰিছো যে নিৰ্বাচনৰ সময়ত তেখেতসকলে চাহ শ্ৰমিকসকলক হওক বা চাহ জনগোষ্ঠীৰ লোকসকলক হওক, বিভিন্ন ধৰণৰ মিছা প্ৰলোভন দি তেওঁলোকে ভোটবোৰ আদায় কৰে। কিন্তু সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব আৰোপ কৰা দেখা পোৱা নাই। সেই যিবিলাক সমস্যা সমাধান নোহোৱাৰ ফলত আজি ৰাইজ ক্ষোভিত হৈছে, আমি চাহ জনজাতি ছাত্ৰ সন্থা ক্ষোভিত হৈছো আৰু তাৰ কাৰণে আজি আমি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছো। ৰূপায়ণ কৰাৰ পাছত যদি সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়া কিন্তু ইয়াতকৈ ভয়ংকৰ আন্দোলন গঢ়ি তুলিবৰ কাৰণে আমি প্ৰস্তুত থাকিম।”

সুধাকণ্ঠলৈ গীতে-মাতে শ্ৰদ্ধাৰ্ঘ্য নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ

ক্ষুদ্ৰ আলোচনী “মাহিলি” উন্মোচন



অসম বাৰ্তা, পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত আজি বিয়লি নগাঁও চহৰস্থিত দ্ৰোণাচাৰ্য উচ্চ মাধ্যমিক বিদ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণী অনুষ্ঠানৰ সৈতে সঙ্গতি ৰাখি “গানৰ দিন” শীৰ্ষক এক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে দ্ৰোণাচাৰ্য উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চন্দ্ৰকান্ত বৰাই। ইয়াৰ পিছতে নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখনি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে। তেওঁ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি কয় যে, ভূপেন হাজৰিকাৰ কিছুমান গীত মানসিক থেৰাপী হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। তেওঁ ভূপেন হাজৰিকাৰ গীতসমূহ চৰ্চা কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে যুৱ-প্ৰজন্মৰ প্ৰতি বিশেষভাৱে আহ্বান জনায়। সন্মিলনীৰ সম্পাদিকা নিজৰা শইকীয়াই আঁত ধৰা এই অনুষ্ঠানত নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ ক্ষুদ্ৰ আলোচনী “মাহিলি” উন্মোচন কৰি বিশিষ্ট চিকিৎসক ডাঃ চিন্তামণি হাজৰিকাই কয় যে, ভূপেন হাজৰিকা আছিল এজন বিশ্ববৰেণ্য সংগীত শিল্পী, যিগৰাকী ব্যক্তিক সমগ্ৰ বিশ্বই শ্ৰদ্ধা জনাইছিল। অসমৰ নাম যদি বিশ্বৰ কোনো স্থানত উজ্জ্বলাই তুলিব পাৰিছে তাৰ বেছিভাগ অৰিহণা ড° ভূপেন হাজৰিকাৰ বাদে আন কোনো হ’ব নোৱাৰে। সভাৰ আৰম্ভণিতে মৃদুমণি বৰাই এটি গীত পৰিৱেশনেৰে শুভাৰম্ভ কৰে। অনুষ্ঠানত মামণি ভট্টাচাৰ্য, জেউতি হাজৰিকা, সীমান্ত বৰা, মুকুতা ৰাজা, নীলোৎপল বৰা, ধৰ্মপ্ৰসাদ গোস্বামী আদিয়ে সুধাকণ্ঠৰ গীত পৰিৱেশনেৰে মুখৰিত কৰি তোলে লগতে বিশিষ্ট কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, কিশোৰ দাস, গুণকান্ত শৰ্মা, প্ৰীতি চৌধুৰী, প্ৰবৃত্তি ভঁৰালী, সীমা বৰাই কবিতা পাঠেৰে উজ্জীৱিত কৰি তোলে। লেখিকা জয়ন্তী বৰা, জ্যেষ্ঠ সাংবাদিক ক্ৰমে নীলৰঞ্জন শৰ্মা, জয়ন্ত বৰা, দীপেন শইকীয়া প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তিৰ উপৰি যথেষ্ট সংখ্যক শিক্ষাৰ্থীৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানত ৰাতুল নেওগ, স্মৃতা বৰা প্ৰমুখ্যে কেইবাগৰাকী লোকে ভাষণ প্ৰদান কৰে।

শিৱসাগৰত সাংস্কৃতিক মহাসভাৰ উদ্যোগত ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকী সফল সামৰণি

ড° প্ৰকাশ কটকীক “শিৱসাগৰ সমাজ ৰত্ন” বটাঁ প্ৰদান



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৯ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকা জন্ম শতবাৰ্ষিকী আজি সফল সামৰণি পৰে। পুৱা ১১ বজাত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত এক মাংগলিক অনুষ্ঠান আৰু সংগীত শিল্পী ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াই ভূপেন হাজৰিকা এটি কালজয়ী গীতৰ মাজেৰে বন্তি প্ৰজ্বলন কৰে সভাপতি প্ৰেম গগৈয়ে। ইয়াৰ পিছতে শিৱসাগৰ কেপি এম হলত ক্ৰমে শিৱসাগৰ লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু ভৱনৰ প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰী সহ, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সমন্বিতে “মানুহে মানুহৰ বাবে ....” জনপ্ৰিয় গীতটো পৰিৱেশনৰ পিছতে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা দুটাকৈ কেক কাটি সমগ্ৰ অনুষ্ঠানটো জীপাল কৰি তোলে। একেটা অনুষ্ঠানতে বাদ্য শিল্পী দেৱজ্যোতি দত্তই সুধাকণ্ঠৰ এটা কালজয়ী গীত পৰিৱেশন কৰে। দিনৰ তিনি বজাত সভাপতি প্ৰেম গগৈ সভাপতিত্বত বহু গণ্য মান্য ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হোৱা গাম্ভীৰ্য পূৰ্ণ মুকল সভা খনৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই। গীত আৰু কথাৰে আদৰণি ভাষণ প্ৰদান কৰে উদযাপন সমিতিৰ সভাপতি ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়াই। সভাত ভাৰত ৰত্ন গৰাকীৰ শতবৰ্ষ ওপজা দিনত মানৱ দৰদী, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ (বৰ্তমান শিৱসাগৰ বিশ্ববিদ্যালয়) ড° প্ৰকাশ কটকীক “শিৱসাসাগৰ সমাজ ৰত্ন বটাঁ” প্ৰদান কৰে। বটাঁ গ্ৰহণ কৰি আৱেগিক হৈ তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে। নিবন্ধকাৰ ক্ৰমে ড° সৌমাৰ জ্যোতি মহন্ত, ড° প্ৰশান্ত কুমাৰ চুতীয়া, বিশিষ্ট অতিথি তথা সমাজ কৰ্মী ৰজনী চাংকাকতি, অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী জুনু মনি ফুকন, সাংবাদিক পেষ্ণনাৰ অনিল গুপ্তা, প্ৰধান শিক্ষক ৰণজিৎ চুতীয়া, শিল্পী চিত্তৰঞ্জন শইকীয়া আদিয়ে বক্তব্য প্ৰদান কৰাৰ লগতে সংগীত শিল্পী ডাঃ প্ৰবুদ্ধ প্ৰসাদ চেতিয়া আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰা জয়ন্ত দত্তই একোটাকৈ ভূপেন হাজৰিকাৰ কাল জয়ী গীত পৰিৱেশন কৰি সভাখন জীপাল কৰি তোলে। তদুপৰি সভাত সাংবাদিক খাইৰুদ্দিন আহমেদ, দিপা কলিতা, অঞ্জলি দিহিঙ্গীয়া, বীনা গোস্বামী উপৰিও বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল। আজি এই পবিত্ৰ অনুষ্ঠানত বীৰ লাচিত সেনাৰ প্ৰশাসনিক সচিব শিখল চলিহা আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি উদ্দাত্ত কণ্ঠৰে বক্তব্য প্ৰদান কৰে। সমগ্ৰ অনুষ্ঠানটো আটঁ ধৰে উদযাপন সমিতিৰ প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই। তদুপৰি ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষ উপলক্ষে ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা ভূপেন্দ্ৰ সংগীতৰ লগতে সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ বিচাৰকৰ আসন অলংকৃত কৰে নৃত্য শিল্পী অধ্যাপ্ৰিয়া দত্ত, বিতু হাজৰিকা আৰু চিত্ৰশিল্পী মুকুল গগৈয়ে। বিজয়ী প্ৰতিযোগী সকলৰ পুৰস্কাৰ সমূহ বটাঁ বিতৰণী সভাত বিশিষ্ট ব্যক্তি সকলে প্ৰদান কৰে।

বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত ভূপেন্দ্ৰ জয়ন্তী পালন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ ছেপ্টেম্বৰ ঃ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদযাপন সমিতিৰ উদ্যোগত, তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থা, চলিহা-বৰদলৈ নগৰ বাসিন্দা সন্থা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তিনিচুকীয়া শাখা আৰু তিনিচুকীয়া চৰকাৰী পেঞ্চনাৰ সন্থাৰ সহযোগত ড° ভূপেন হাজৰিকাৰ ১০১ সংখ্যক জন্মদিৱসৰ কাৰ্যসূচী দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলন কৰে সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড° মদন শৰ্মাই। উদযাপন সমিতিৰ সম্পাদক পূৰ্ণ কাকতিয়ে আঁত ধৰা অনুষ্ঠানটোত পতাকা উত্তোলন কৰি দিয়া ভাষণত ড° মদন শৰ্মাই ড° ভূপেন হাজৰিকাৰ ভাষাজ্ঞান উচ্ছাৰণ ভাৱধাৰাই তেখেতক অমৰ কৰি ৰাখিব বুলি কয়। অনুষ্ঠানৰ সন্মুখত প্ৰতিষ্ঠাপিত ড° ভূপেন হাজৰিকাৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কাৰ্যকৰী সভাপতি ড° জ্যোতিপ্ৰসাদ চলিহাই, একাদিক্ৰমে ভূপেন হাজৰিকাৰ গুৰু জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভাৰ প্ৰতিমূৰ্তিত সহযোগী সংগঠনসমূহৰ হৈ উদ্ধৱ চন্দ্ৰ শৰ্মা, ভদ্ৰেশ্বৰ বৰুৱা, অমূল্য খাটনিয়াৰ, জিতেন শৰ্মা, চন্দ্ৰকান্ত দত্ত, লোকেশ্বৰ দিহিঙীয়া, মৰমী বৰবৰা, নগেন বৰদলৈ, উদযাপন সমিতিৰ উপসভাপতি প্ৰণতি দেৱী শৰ্মা, সহকাৰী সম্পাদক ড° মামণী ফুকন বৰগোহাঁই, সুভাষ সেন, লীনু চক্ৰৱৰ্তী, ইলাক্ষী চক্ৰৱৰ্তী, বিভা ভট্টাচাৰ্য, চুনু ৰং, ড° অপূৰ্ব ভাস্কৰ গগৈ, অমিয় কুমাৰ লাহন, জয়নাল আৱেদিন ভূএগ, দিগন্ত গগৈ, নিৰলা দত্ত, আবু ছমিম, হাচনাহানা শইকীয়া সোণোৱাল, শকুন্তলা ৰঘুবংশীয়ে শ্ৰদ্ধাঞ্জলি জনায় আৰু তাতে ভূপেন্দ্ৰ সংগীত পৰিৱেশ কৰে। বিয়লি ৫ বজাত ‘গীতে-মাতে ভূপেন্দ্ৰ জয়ন্তী’ত ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে ‘অসম আমাৰ ৰূপহী’ বৃন্দগানেৰে আৰম্ভ হয়। আৰম্ভণি ভাষণত উদ্ধৱ চন্দ্ৰ শৰ্মাই ভূপেন হাজৰিকাৰ জীৱন পৰিক্ৰমাৰ বিশেষত্বসমূহৰ বিষয়ে বিৱৰি কয়। তাৰ পাছতে ছাত্ৰ-ছাত্ৰী আৰু বিভিন্নজনে গীত-মাত আৰু কবিতা পাঠ কৰে। সভাত তিনিচুকীয়া পেঞ্চনাৰ সন্থাৰ সভাপতি প্ৰদীপ দাস, অমূল্য খাটনিয়াৰ, আব্দুল চোভান আৰু ড° জ্যোতিপ্ৰসাদ চলিহাই বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ আদৰ্শ, সমন্বয়ৰ প্ৰতীকী কৰ্ম আৰু উচ্ছাৰণ, ভাষা-জ্ঞান, সাংগীতিক প্ৰতিভা সম্পৰ্কে বিষয়ে দুআষাৰ কয়। গীত-মাত, কবিতা পাঠেৰে অনুষ্ঠান সৰস কৰি তোলাসকল হৈছে- সপ্তশিখা শৰ্মা, অংকিত দাস, বাৰ্বি গগৈ, চাকিব হক, স্নিগ্ধা লামা, পূৰব নাগ, অনিন্দিতা খনিকৰ হাজৰিকা, শ্ৰেয়াংশ বৰকটকী, পৰিস্মিতা চেতিয়া, অমিয় কুমাৰ লাহন, দিগন্ত গগৈ, পাৰ্থ প্ৰতিম শৰ্মা, চাব্ৰিনা য়াচমিন, মৰমী বৰবৰা, লিপিকা শইকীয়া বৰুৱা, প্ৰণতি দেৱী শৰ্মা, মণিষা ভাগৱতী, শিল্পী শৰ্মা, মৌচুমী ভঁৰালী। অনুষ্ঠানৰ আঁত ধৰে প্ৰণতি দেৱী শৰ্মা আৰু ইলাক্ষী চক্ৰৱৰ্তীয়ে, বাদ্য সংগতত আছিল মিণ্টু চক্ৰৱৰ্তী আৰু পিনাকী বালা। শেষত মানুহে মানুহৰ বাবে আৰু আমি একেখন নাৱৰ যাত্ৰী গীতেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

পশ্চিম দৰঙৰ দুনী সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন

অসম বাৰ্তা, দেওমৰনৈ, ৯ ছেপ্টেম্বৰ ঃ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি দৰঙৰ দুনী কৃষ্টি সংঘৰ প্ৰাঙ্গণত এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত হয়। ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশীৰ উদ্যোগত অনুষ্ঠিত হয় এই বিশেষ অনুষ্ঠান। অনুষ্ঠানৰ আঁত ধৰে ভাৰতীয় জনতা পাৰ্টীৰ পথৰুঘাট মণ্ডলৰ সভাপতি তথা ছিপাঝাৰ বিধানসভা সমষ্টিৰ সাংস্কৃতিক বিভাগৰ নমিনি তপন চহৰীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সৈতে কটোৱা বহু অন্তৰংগ মুহূৰ্তৰ স্মৃতি ৰোমন্থন কৰে। ভূপেন হাজৰিকাৰ সান্নিধ্যৰ বিভিন্ন অভিজ্ঞতা আৰু তেওঁৰ সৃষ্টিশীল জীৱনৰ বহু অজানা কথাও বিধায়কগৰাকীয়ে স্মৰণ কৰে। আনহাতে, অভিনেতা তথা চলচিত্ৰ পৰিচালক, প্ৰযোজক হবিবৰ ৰহমানে ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰ ওপৰত গীত আৰু কথাৰে মনোগ্ৰাহী বক্তব্য আগবঢ়ায়। অনুষ্ঠানত চহা শিল্পী বিপুল ৰাজবংশী, ৰিচিৰাজ শইকীয়া, গোপাল কৃষ্ণ ডেকা, পৰিস্মিতা ভাৰতী, ভুৱন চন্দ্ৰ ডেকা, কাব্যশ্ৰী বৰুৱা আদিয়ে সুধাকণ্ঠৰ কালজয়ী গীত পৰিৱেশন কৰি অনুষ্ঠানটো অধিক আকৰ্ষণীয় কৰি তোলে। শিল্পীসকলৰ কণ্ঠত ভূপেন দাৰ অমৰ গীতসমূহ শুনি উপস্থিত ৰাইজে নষ্টালজিক হৈ পৰাৰ লগতে অনুষ্ঠান উপভোগ কৰে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টি আৰু মানৱতাবাদী আদৰ্শক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁৰ সংগীত আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰাৰ এক সুন্দৰ প্ৰয়াস হিচাপে অনুষ্ঠানটোৱে বিশেষ তাৎপৰ্য বহন কৰে।

কিডজী গোলাঘাটত সংস্কৃতি আৰু পৰম্পৰাৰ উৎসাহপূৰ্ণ উদ্‌যাপন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৯ ছেপ্টেম্বৰ ঃ কলেজ তিনিআলিস্থিত কিডজী, গোলাঘাটত শিশুসকলক ভাৰতীয় তথা অসমীয়া সংস্কৃতি, পৰম্পৰা আৰু নৈতিক মূল্যবোধৰ সৈতে পৰিচয় কৰোৱাৰ উদ্দেশ্যে বিভিন্ন গুৰুত্বপূৰ্ণ উৎসৱ উলহ-মালহ আৰু ভক্তিভাৱেৰে উদ্‌যাপন কৰা হয়। যোৱা ২৮ আগষ্টত বিদ্যালয়খনত ৰক্ষাবন্ধন উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষা নৱনীতা হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক ৰক্ষাবন্ধনৰ তাৎপৰ্যৰ বিষয়ে অৱগত কৰে। তেওঁ প্ৰেম, স্নেহ, যত্ন, সন্মান তথা ভাতৃ-ভগ্নীৰ পৱিত্ৰ সম্পৰ্কৰ গুৰুত্ব শিশুসকলক সহজ ভাষাত বুজাই দিয়ে। ইয়াৰ পিছত ৪ ছেপ্টেম্বৰত জন্মাষ্টমী উদযাপন কৰা হয়। অধ্যক্ষা নৱনীতা হাজৰিকাই শিশুসকলক ভগৱান শ্ৰীকৃষ্ণৰ জন্ম আৰু জন্মাষ্টমীৰ তাৎপৰ্যৰ বিষয়ে অৱগত কৰে। তেওঁ শিশুসকলক দয়া, সত্য, প্ৰেম আৰু ধৰ্মৰ পথত চলিবলৈ অনুপ্ৰাণিত কৰে। ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে অনুষ্ঠানত অংশগ্ৰহণ কৰাত সমগ্ৰ পৰিৱেশ আনন্দমুখৰ আৰু জ্ঞানবৰ্ধক হৈ পৰে। আনহাতে, ৭ ছেপ্টেম্বৰত পৱিত্ৰ ভাদ মাহ উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক এখন নামঘৰলৈ লৈ যোৱা হয়। এই পদক্ষেপৰ জৰিয়তে শিশুসকলে অসমীয়া সমাজৰ সাংস্কৃতিক আৰু আধ্যাত্মিক পৰম্পৰাক ওচৰৰ পৰা জানিবলৈ আৰু বুজিবলৈ সুযোগ লাভ কৰে। অধ্যক্ষা নৱনীতা হাজৰিকাই শিশুসকলক ভাদ মাহৰ গুৰুত্ব তথা অসমীয়া সংস্কৃতি, ভক্তি, সামূহিক একতা আৰু নৈতিক মূল্যবোধ সংৰক্ষণত নামঘৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে অৱগত কৰে। কিডজী, গোলাঘাটে আয়োজন কৰা এই অনুষ্ঠানসমূহৰ মূল উদ্দেশ্য হৈছে শিশুসকলৰ মাজত কম বয়সৰ পৰাই সাংস্কৃতিক সচেতনতা গঢ়ি তোলা আৰু তেওঁলোকক নিজৰ সমৃদ্ধ ঐতিহ্য আৰু পৰম্পৰাক বুজিবলৈ, সন্মান কৰিবলৈ তথা সংৰক্ষণ কৰিবলৈ অনুপ্ৰাণিত কৰা। বিদ্যালয়ৰ শিক্ষয়িত্ৰী আলপনা দুৱৰা, কনকনা দুৱৰা, জুনমণি হাজৰিকা, ৰিমা পল আৰু নিশাত-এ সকলো অনুষ্ঠানতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ লগতে শিশুসকলক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়ায়। এনে অৰ্থপূৰ্ণ অনুষ্ঠান আৰু অভিজ্ঞতাৰ জৰিয়তে কিডজী গোলাঘাট, কলেজ তিনিআলিয়ে শিশুসকলৰ শিক্ষাক অধিক সমৃদ্ধ আৰু অৰ্থপূৰ্ণ কৰি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিছে। শিক্ষাৰ লগতে সংস্কৃতি, পৰম্পৰা আৰু সমাজৰ নৈতিক মূল্যবোধৰ সৈতে শিশুসকলক সংযোগ কৰাৰ ক্ষেত্ৰত বিদ্যালয়খনৰ এই পদক্ষেপ বিশেষভাৱে প্ৰশংসনীয়।

গড়মূৰত সমবায়ৰ গুদামঘৰত কেইবাটাও বান্দৰৰ ৰহস্যজনক মৃত্যু

চাউল ভক্ষণৰ পাছতে মৃত্যুৰ সন্দেহ; বন বিভাগ-আৰক্ষীৰ তদন্ত আৰম্ভ

অসম বাৰ্তা, উজনী মাজুলী, ৯ ছেপ্টেম্বৰ ঃ মাজুলীৰ গড়মূৰত আজি এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। গড়মূৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ কাৰ্যালয়ৰ গুদামঘৰত ৰহস্যজনকভাৱে কেইবাটাও বান্দৰৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাথমিকভাৱে বান্দৰকেইটাই গুদামঘৰত থকা চাউল ভক্ষণ কৰাৰ পাছতেই মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে যদিও মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও নিশ্চিত হোৱা নাই। জানিব পৰা মতে, যোৱা ৩১ আগষ্টত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ চাউল বিতৰণ কৰাৰ পাছত সমবায় সমিতিৰ বিষয়ববীয়াসকলে গুদামঘৰটো বন্ধ কৰি থৈছিল। সেই সময়ছোৱাত কোনো প্ৰকাৰে গুদামঘৰত প্ৰৱেশ কৰা বান্দৰকেইটাই ভিতৰত থকা চাউল ভক্ষণ কৰিছিল বুলি প্ৰাথমিকভাৱে সন্দেহ কৰা হৈছে। বন্ধ হৈ থকা গুদামঘৰৰ ভিতৰত কেইবাদিনো ধৰি পৰি থকাৰ ফলত বান্দৰকেইটাৰ মৃতদেহ পচিবলৈ আৰম্ভ কৰে আৰু তীব্ৰ দুৰ্গন্ধই সমগ্ৰ পৰিৱেশ দূষিত কৰি তোলে। পাছত স্থানীয় ৰাইজৰ মাজতো গুদামঘৰৰ ভিতৰত মৃত জীৱ-জন্তু থকাৰ লগতে আন কোনো অঘটন সংঘটিত হোৱাৰ সন্দেহৰ সৃষ্টি হয়। আজি পুৱা গুদামঘৰটোত নতুনকৈ ৰং কৰাৰ বাবে অহা একাংশ শ্ৰমিকে ভিতৰত মৃত বান্দৰকেইটা প্ৰত্যক্ষ কৰাৰ পাছতেই ঘটনাটো পোহৰলৈ আহে। এই ঘটনাৰ পাছতে অঞ্চলটোত সৃষ্টি হয় তীব্ৰ চাঞ্চল্যৰ। ইফালে ঘটনাটোক গুৰুত্বসহকাৰে লৈছে মাজুলী জিলা বন বিভাগে। জানিব পৰা মতে, সমবায় সমিতিৰ বিষয়ববীয়াসকলে গাঁতত পুতি থোৱা বান্দৰকেইটাৰ মৃতদেহ বন বিভাগে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। বান্দৰকেইটাৰ মৃত্যুৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ বাবে বন বিভাগে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে প্ৰয়োজনীয় তথ্য-পাতি সংগ্ৰহৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইফালে, ঘটনাটোৰ স্পৰ্শকাতৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি মাজুলী আৰক্ষীয়েও নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছে। বান্দৰকেইটাৰ মৃত্যু চাউলত কোনো বিষক্ৰিয়াৰ ফলত হৈছে নে আন কোনো ৰহস্যজনক কাৰণত অথবা কোনো ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে, সেয়া মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু বন বিভাগ-আৰক্ষীৰ তদন্তৰ পাছতহে স্পষ্ট হ’ব। উল্লেখযোগ্য যে, মাজুলীৰ প্ৰাকৃতিক পৰিৱেশ আৰু জীৱ-বৈচিত্ৰ্যৰ সৈতে বান্দৰৰ এক বিশেষ সম্পৰ্ক আছে। এনে পৰিস্থিতিত গুদামঘৰৰ ভিতৰত একেলগে কেইবাটাও বান্দৰৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই প্ৰকৃতিপ্ৰেমীসকলৰ মাজতো উদ্বেগৰ সৃষ্টি কৰিছে। ঘটনাটোৰ আঁৰত প্ৰকৃততে কি ৰহস্য লুকাই আছে আৰু বান্দৰকেইটাৰ মৃত্যুৰ কাৰণ কি, সেয়া বন বিভাগ আৰু আৰক্ষীৰ তদন্তৰ পাছতহে পোহৰলৈ আহিব।

ডুমডুমাত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱৰ আয়োজন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ ছেপ্টেম্বৰ ঃ বিগত বছৰসমূহৰ দৰে এই বছৰো ডুমডুমাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ উদযাপনৰ আয়োজন কৰিছে। ডুমডুমা নামঘৰ সমিতিৰ উদ্যোগত অহা ২১, ২২ আৰু ২৩ ছেপ্টেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে ডুমডুমা নামঘৰ প্ৰাংগণত জন্মোৎসৱ উদযাপনৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি ২১ ছেপ্টেম্বৰৰ পুৱা ঊষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, আই আৰু বাপুসকলৰ নাম-প্ৰসঙ্গ, সন্ধিয়া নামঘৰ প্ৰাংগণত আৰু ঘৰে ঘৰে বন্তি প্ৰজ্বলন আৰু দুটা শাখাত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। ‘ক’ শাখা (নৱম শ্ৰেণীৰ উৰ্ধৰ সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে) আৰু ‘খ’ শাখা (অষ্টম শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীৰ বাবে)ত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। ২২ ছেপ্টেম্বৰৰ দিনা দিনৰ ১১ বজাৰ পৰা মহিলাসকলৰ মাজত দিহা-নামৰ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব আৰু সন্ধিয়া দুটা শাখাত সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। ‘ক’ শাখা (সপ্তম শ্ৰেণীৰ উৰ্ধৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে) আৰু ‘খ’ শাখা (দ্বিতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ)। ২৩ ছেপ্টেম্বৰৰ পুৱা ৯-৩০ বজাৰ পৰা নাম-প্ৰসঙ্গ, দিনৰ ১১ বজাৰ পৰা ভাগৱতসহ শোভাযাত্ৰা আৰু সন্ধিয়া ৭-৩০ বজাৰ পৰা ‘শঙ্কৰদেৱ শিল্পী সমাজ, শিৱসাগৰ’ৰ দ্বাৰা “বিপ্ৰ দামোদৰ” ভাওনা প্ৰদৰ্শন কৰা হ’ব। জন্মোৎসৱৰ আটাইকেইদিনৰ প্ৰতিটো কাৰ্যসূচীত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে ডুমডুমা নামঘৰ সমিতিৰ সভাপতি গোবিন্দ ফুকন আৰু সাধাৰণ সম্পাদক অজিত কুমাৰ পাঠকে।

১৭-১৯ ছেপ্টেম্বৰত সোণাপুৰত স্মৃতিচাৰণ

এই কাৰ্যসূচী চলিব। জুবিনে সদায় সৰলতা আৰু ব্যক্তিগত স্বাধীনতাক গুৰুত্ব দিছিল; সেয়েহে যিকোনো মানুহেই নিজৰ ধৰণে প্ৰাৰ্থনা, গীত-সংগীত বা শ্ৰদ্ধা নিবেদন কৰিব পাৰিব।” ১৮ ছেপ্টেম্বৰৰ কাৰ্যসূচী পুৱা ৯ বজাত আৰম্ভ হৈ গোটেই দিনটো চলি থাকিব আৰু বিয়লি ৬-৭ বজালৈকে সাংস্কৃতিক অনুষ্ঠানসমূহ অব্যাহত থাকিব। ১৯ ছেপ্টেম্বৰত ধাৰ্মিক কাৰ্যসূচী হিচাপে ভাগৱত নাম অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া প্ৰায় ৬.৩০ বজাত ভাওনা প্ৰদৰ্শন আৰম্ভ হৈ ৰাতি ৯-৯.৩০ বজালৈ চলিব বুলি গৰিমা শইকীয়া গাৰ্গে নিশ্চিত কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ তিথি নিমিলাৰ বাবেই ১৩ মাহত ৰচ মহীয়া নীতি-নিয়মসমূহ পালন কৰা সিদ্ধান্ত লোৱা হৈছে। এই প্ৰসংগত অসমৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই পূৰ্বতে ৮ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ ষ্টুডিঅ’ পৰিদৰ্শন কৰি পৰিয়ালৰ সৈতে তিনিদিনীয়া কাৰ্যসূচীৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰে আৰু চৰকাৰী পৰ্যায়ৰ পৰা প্ৰয়োজনীয় সকলো সহায়ৰ আশ্বাস প্ৰদান কৰে। জুবিন গাৰ্গৰ প্ৰতি থকা অসমীয়া ৰাইজৰ অপৰিসীম মৰম আৰু শ্ৰদ্ধাৰ প্ৰতিফলন ঘটোৱা এই স্মৃতিচাৰণ কাৰ্যসূচী আগন্তুক ১৭ ছেপ্টেম্বৰৰ পৰা সোণাপুৰত আৰম্ভ হ’ব।

কাছাৰত নিচা বিৰোধী যুটীয়া

ট্ৰাকখনৰ গোপন চেম্বাৰৰ পৰা মুঠ ৰ লাখ ৫০ হাজাৰ য়াবা টেবলেট উদ্ধাৰ কৰে। অসম ৰাইফলছে জনোৱা অনুসৰি, এই টেবলেটসমূহৰ বজাৰ মূল্য প্ৰায় ৪৫ কোটি টকা। নিচাজাতীয় সামগ্ৰী সৰবৰাহৰ অভিযোগত দলটোৱে এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰাৰ লগতে সৰবৰাহত ব্যৱহৃত ট্ৰাকখনো জব্দ কৰে। প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ বাবে জব্দকৃত টেবলেট আৰু গ্ৰেপ্তাৰ কৰা ব্যক্তিজনক শুল্ক বিভাগৰ হাতত গতাই দিয়া হয়। উল্লেখ্য যে, অসম-মনিপুৰ সীমান্তৱৰ্তী অঞ্চলবোৰ নিচা সৰবৰাহৰ বাবে সঘনাই ব্যৱহৃত হয় আৰু এই অভিযানে নিচা বিৰোধী বিধি কঠোৰভাৱে ৰূপায়ণ কৰাৰ প্ৰতি আৰক্ষী আৰু অন্যান্য সংস্থাৰ সজাগতা প্ৰকাশ কৰে।

পশ্চিম নলবাৰীৰ বনগাঁৱত উদ্‌যাপন কৰা হ'ব প্ৰতিবেদক লাইভৰ ষষ্ঠ বৰ্ষপূৰ্ণ

এইবেলি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মীৰা ৰাণী ডেকালৈ আগবঢ়োৱা হ'ব ভগৱান বৈশ্য স্মাৰক প্ৰতিবেদক লাইভ বঁটা-২০২৬

অসম বাৰ্তা, চামতা, ৯ ছেপ্টেম্বৰ ঃ প্ৰতিবেদক লাইভ— পোহৰৰ দিশে এখোজ। এটি ওৱেব প'ৰ্টেল নিউজ চেনেল। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতি সেৰা সন্মান জনাই বৌদ্ধিক, সাংস্কৃতিক তথা সামাজিক সমস্যাৰ সঠিক প্ৰতিফলনৰ চিন্তা-চৰ্চাৰে ইতিবাচক আৰু গঠনমূলক প্ৰতিবেদন প্ৰকাশৰ সদিচ্ছাৰে ২০২০ চনৰ ১৭ ছেপ্টেম্বৰত জন্মলাভ কৰা এই চেনেলটি জন্মলগ্নৰে পৰা নীৰৱচ্ছিন্নভাৱে পাঠক, দৰ্শক-শ্ৰোতাৰ অভূতপূৰ্ব সঁহাৰিৰ বাবে ক্ৰমাৎ প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হৈছে। তথাকথিত ভাইৰেলজাতীয় প্ৰতিবেদন প্ৰকাশৰ বিপৰীতে ধীৰ আৰু সুস্থিৰভাৱে মাৰ্থো সমাজলৈ ইতিবাচক তথা গঠনমূলক বাৰ্তাহে প্ৰেৰণ কৰি গৈ আছে প্ৰতিবেদক লাইভ নামৰ এই চেনেলটিয়ে। আজি প্ৰতিবেদক লাইভ ছয়বছৰীয়া হ'বৰ হ'ল। এই নিউজ চেনেলটিয়ে আজি কৃতকাৰ্যতাৰে ষষ্ঠ বৰ্ষ অতিক্ৰম কৰি সপ্তম বৰ্ষত আকৌ এখোজ পেলাব। সেই উপলক্ষে ১৭ ছেপ্টেম্বৰত পশ্চিম নলবাৰীৰ বনগাঁওস্থিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গাতে লাগি থকা ২২ নং বনগাঁও গাঁও পঞ্চায়তস্থিত জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ সভাগৃহত এখন গাম্ভীৰ্যপূৰ্ণ সভাৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ দিয়ে প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান, কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই। প্ৰতিবছৰৰ দৰে উক্ত সভাতেই এইবেলি ভগৱান বৈশ্য স্মাৰক প্ৰতিবেদক লাইভ বঁটা' ২০২৬ প্ৰদান কৰা হ'ব স্ত্ৰীশিক্ষাক উন্নীত কৰা বৰনদ্দী ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তথা পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়িকা মীৰা ৰাণী ডেকাক। উল্লেখ্য যে বিগত বৰ্ষ পাঁচটিত উক্ত বঁটা প্ৰদান কৰা হৈছিল ক্ৰমে শিক্ষাক্ষেত্ৰখনৰ ফালৰ পৰা পকোৱা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ দত্ত, স্বাস্থ্যখণ্ডৰ ফালৰ পৰা নিজ পকোৱা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ সামূহিক স্বাস্থ্য বিষয়া প্ৰিয়ম কুমাৰ ছাগ্ৰাৱালী, শিক্ষা, সাহিত্যখণ্ডৰ ফালৰ পৰা দৈনিক অগ্ৰদূত কাকতৰ নিয়মীয়া স্তম্ভলেখক, অৱসৰপ্ৰাপ্ত মহা প্ৰবন্ধক প্ৰবীণ চৌধুৰী, বৰ্ষীয়ান শিক্ষাবিদ ধীৰেন্দ্ৰ নাথ শৰ্মা আৰু বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক দেৰাজুদ্দিন আহমেদক। ১৭ ছেপ্টেম্বৰৰ বিয়লি ৩.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া বিভিন্ন কাৰ্যসূচী সন্নিৱিষ্ট সভাখনত এইবেলি শিক্ষাবিদ, বৰনদ্দী ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, পশ্চিম নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়িকা, জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ মুখ্য পৰিচালন সঞ্চালক তথা লেখিকা মীৰা ৰাণী ডেকাক বঁটাটি প্ৰদান কৰিবলৈ ওলোৱাটো পৰম সৌভাগ্যৰ কথা বুলি আনন্দেৰে নিজৰ মনোভাৱ ব্যক্ত কৰে চেনেলটিৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই। স্মৰ্তব্য যে, সম্পাদক প্ৰধানগৰাকীৰ প্ৰয়াত পিতৃ কৃতী শিক্ষক, সমাজহিতৈষী ভগৱান বৈশ্য পূৰ্বতে পকোৱা হাইস্কুলৰ প্ৰধান শিক্ষক হোৱাৰ পিচত তেতিয়াৰ বনগাঁও হাইস্কুলৰ ঘাইকৈ গণিত, হিন্দী, সমাজ অধ্যয়ন, বুৰঞ্জী আৰু ভূগোল বিষয়ৰ উপৰি নীতিশিক্ষাকে আদি কৰি আটাইকেইটা বিষয়তে বিচক্ষণভাৱে শিক্ষকতা কৰাৰ লগতে বৰনদ্দী ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী এইগৰাকী মীৰা ৰাণী ডেকাৰ শিক্ষাগুৰুও আছিল। সেয়েহে, উক্ত স্মৃতি ৰক্ষাৰ্থে এগৰাকী গুৰুৰ নামত উচৰ্গিত বঁটাটি এগৰাকী যোগ্য শিষ্যালৈ আগবঢ়াবলৈ পোৱাটো সঁচাকৈয়ে যেন এক পুণ্যৰ কাম বুলিও সম্পাদক প্ৰধান ৰূপক বৈশ্যই জানিবলৈ দিয়ে। উল্লেখ্য যে, বৰ সৰলমনা জ্যেষ্ঠ সমাজকৰ্মী পবিত্ৰ কুমাৰ ডেকাৰ পত্নী আৰু দুগৰাকীকৈ পুত্ৰ সন্তানৰ মাতৃ অতি নম্ৰ, ভদ্ৰ, নিৰ্জু, সদা হাস্যমুখী লগতে অসমীয়া সাহিত্য-সংস্কৃতিৰ অনুৰাগী তথা সংস্কাৰমুখী এইগৰাকী শিক্ষাবিদক এইবেলি প্ৰতিবেদক লাইভ নামৰ এই প'ৰ্টেল নিউজ চেনেলটিয়ে ভগৱান বৈশ্য স্মাৰক প্ৰতিবেদক লাইভ বঁটা' ২০২৬প্ৰদান কৰিবলৈ ওলোৱা খবৰটি পাই ইতিমধ্যে বিদ্বৎমহলে আনন্দ প্ৰকাশ কৰিছে বুলি জানিবলৈ পোৱা গৈছে। উল্লেখ্য যে, ১৯৬৫ চনৰ মে' মাহৰ ১২ তাৰিখে নলবাৰী জিলাৰ শিক্ষা-সংস্কৃতি, ধৰ্ম তথা আধ্যাত্মিক পৰিবেশে বিৰাজ কৰা সমন্বয়-সম্প্ৰীতিৰ নিদৰ্শনেৰে ইতিহাস ৰচনা কৰা ঐতিহ্যমণ্ডিত বৰনদ্দী গাঁৱৰ পূজাখোলা চুবুৰিৰ বাসিন্দা প্ৰয়াত পিতৃ মুকুন্দ ৰাম ডেকা আৰু মাতৃ চাৰুবালা ডেকাৰ সুপুত্ৰী মীৰা ৰাণী ডেকাই এটি মধ্যবিত্ত পৰিয়ালত জন্মলাভ কৰি বৰনদ্দী বালিকা মজলীয়া স্কুলত প্ৰাইমাৰী শিক্ষা জীৱনৰ পাতনি মেলি বৰনদ্দী ছোৱালী হাইস্কুলৰ পৰা হাইস্কুলীয়া শিক্ষাগ্ৰহণ কৰে। মীৰা ৰাণী ডেকাই ১৯৮২ চনত বৰনদ্দী ছোৱালী হাইস্কুলৰ পৰা সাধাৰণ গণিত বিষয়ত লেটাৰসহ ৭৮ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৮২ চনতে তেতিয়াৰ নলবাৰী মহকুমাৰ ভিতৰত থকা মহাবিদ্যালয়সমূহৰ পিইউৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ নম্বৰমৰ্মে ডেকাই নলবাৰী জিলা লায়ন্স ক্লাবে আগবঢ়োৱা মেধাভিত্তিক তিৰোভা সোঁৱৰণী বঁটা লাভ কৰে। ডেকাই ১৯৮৪ চনত নলবাৰী মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত প্ৰথম বিভাগত পিইউ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু পদাৰ্থ বিজ্ঞান বিষয়ত মেজৰসহ ১৯৮৭ চনত স্নাতক ডিগ্ৰী লাভ কৰে। তাৰপিচত ১৯৮৮ চনৰ ২৬ এপ্ৰিলত অসম চৰকাৰৰ দ্বাৰা অনুষ্ঠিত নিযুক্তি প্ৰক্ৰিয়ামৰ্মে বৰনদ্দী ছোৱালী হাইস্কুলত সহকাৰী বিজ্ঞান শিক্ষয়িত্ৰী হিচাপে ডেকাই যোগ দিয়ে। ২০০৩ চনত গুৱাহাটীস্থিত ড° বাণীকান্ত কাকতি বিএড কলেজৰ পৰা বিএড ডিগ্ৰী লাভ কৰে আৰু ২০১৪ চনৰ ২৯ এপ্ৰিলত অসম চৰকাৰৰ নিযুক্তিমৰ্মে প্ৰধান শিক্ষয়িত্ৰী হিচাপে উক্ত হাইস্কুলতে ডেকাই পদোন্নতি লাভ কৰে। ২০১৪ চনৰ ৫ ছেপ্টেম্বৰৰ শিক্ষক দিৱসত জিলা প্ৰশাসনৰ পৰা মীৰা ৰাণী ডেকাই কৃতী শিক্ষকৰ বঁটা গ্ৰহণ কৰে। সুদীৰ্ঘ ৩৭ বছৰ শিক্ষকতা কৰাৰ পিচত ২০২৫ চনৰ ৩১ মে'ত অৱসৰ গ্ৰহণ কৰা ডেকাই সম্প্ৰতি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে উত্তৰ পকোৱা সাহিত্য সভা, মৈত্ৰেয়ী লেখিকা সমাজৰ সৈতে জড়িত হৈ থকাৰ উপৰি স্ত্ৰীশক্তি জাগৰণ সমিতিৰ সভানেত্ৰী তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ মুখ্য পৰিচালন সঞ্চালক হিচাপে সেৱা আগবঢ়াই আছে। চেনেলটিয়ে প্ৰথমবাৰৰ বাবে এনে এগৰাকী যোগ্যা মহিলালৈ আগবঢ়াবলৈ ওলোৱা বঁটাটি প্ৰদানৰ প্ৰাকমুহূৰ্তত সিদিনাৰ প্ৰথম কাৰ্যসূচী হিচাপে আদিতেই ভগৱান বৈশ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত সহধৰ্মিনী হৰেশ্বৰী বৈশ্যৰ হৈ এগচি বন্তি জ্বলোৱাৰ লগতে পুষ্পমাল্য অৰ্পনেৰে শ্ৰদ্ধা জনাব কনিষ্ঠ পুত্ৰ ৰূপক বৈশ্য, বোৱাৰী ডলি ডেকা বৈশ্য আৰু নাতিনী হৃদি বৈশ্য ৰিমে। প্ৰয়াত ভগৱান বৈশ্যৰ নাতিনী কণমানি হৃদি বৈশ্য ৰিম-এ ককাকৰ স্মৃতি সুঁৱৰি ইতিমধ্যে লিপিবদ্ধ কৰি ৰখা মনৰ কথা আৰু দেউতাক ৰূপক বৈশ্য মুন ৰচিত কবিতা এটিও পাঠ কৰিব। লগতে বহুকেইগৰাকী সহকৰ্মী তথা ছাত্ৰই স্মৃতিচাৰণ কৰিবলগীয়া তথা শিক্ষক জয়ন্ত ডেকাই আঁতধৰিবলগীয়া উক্ত ব্যতিক্ৰমী সভাখনত প্ৰয়াত শিক্ষাগুৰু ভগৱান বৈশ্যৰ শিষ্য তথা সহকৰ্মী, হাইস্কুলখনৰ প্ৰাক্তন ছাত্ৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাউকন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া চেনেলটিৰ ষষ্ঠ বৰ্ষপূৰ্ণ উপলক্ষে অনুষ্ঠিতব্য গাম্ভীৰ্যপূৰ্ণ সভাখনত ভগৱান বৈশ্য স্মাৰক বক্তৃতা প্ৰদান কৰিব বৰভাগ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক তথা সুলেখক ড° সুশান্ত কুমাৰ কাশ্যপে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব কামৰূপ মহাবিদ্যালয়, চামতাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° কবিতা দত্ত চৌধুৰী। নিমন্ত্ৰিত অতিথি হিচাপে চামতা ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰভাত দাস, ভগৱান বৈশ্যৰ শিষ্য তথা বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, জ্যোতি-কলা কেন্দ্ৰ(জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মা, সাহিত্যিক পেঞ্চনপ্ৰাপ্ত কবি কমলকুমাৰ জৈন, সমাজকৰ্মী পবিত্ৰ কুমাৰ ডেকাকে আদি কৰি বহুকেইগৰাকী গুণী তথা জ্ঞানী লোকৰ লগতে অন্যান্য কেইবাগৰাকীও অধ্যাপক, শিক্ষক-শিক্ষয়িত্ৰী, সংবাদসেৱী আদি উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে চেনেলটিৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই। প্ৰতিবেদক লাইভৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত বৰ্মনে উক্ত অনুষ্ঠানত শুভাকাংক্ষীসকলৰ উপস্থিতি কামনা কৰিছে।

অৰুণোদয়, প্ৰধানমন্ত্ৰীৰ আৱাস, অনাময় আঁচনিৰ পৰা বঞ্চিত

বৰক্ষেত্ৰীৰ বৰ্ণিবাৰীৰ শকুন্তলা কৈৱৰ্ত্তৰ জীৱন জীয়াৰ কঠোৰ সংগ্ৰাম

কন্যাৰ সহযোগত ভিক্ষা মাগি প্ৰৱৰ্তাইছে পেট

অসম বাৰ্তা, দৌলাশাল, ৯ ছেপ্টেম্বৰ ঃ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ কল্যাণৰ অৰ্থে চৰকাৰে সময়ে সময়ে প্ৰস্তুত কৰি অহা আঁচনিসমূহত প্ৰকৃত হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্ত হয়নে? কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা এনেবোৰ আঁচনিৰ জৰিয়তে প্ৰকৃত তথা যোগ্য হিতাধিকাৰীয়ে উপকৃত হয় নে? এনেবোৰ প্ৰশ্নই এতিয়া স্বাভাৱিকতে উত্থাপিত হৈছে। নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ এগৰাকী মহিলাৰ ক্ষেত্ৰত এনেবোৰ প্ৰশ্ন উত্থাপন কৰিছে নিৰ্দিষ্ট অঞ্চলটোৰ ৰাইজে। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰ্ণিবাৰী গাঁৱৰ এগৰাকী বিশেষভাৱে সক্ষম মহিলাক চৰকাৰী আঁচনিসমূহৰ পৰা বঞ্চিত কৰি অহা হৈছে। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫৫নং ককয়া-বৰ্ণিবাৰীৰ গাঁও পঞ্চায়তৰ বৰ্ণিবাৰী বনমাজা গাঁৱৰ কৈৱৰ্ত্ত চুবুৰীৰ শকুন্তলা কৈৱৰ্ত্তক চৰকাৰী আঁচনিসমূহৰ পৰা বঞ্চিত কৰি আহিছে। যাৰ বাবে পঞ্চাছ উৰ্ধৰ শকুন্তলা কৈৱৰ্ত্তই জীৱন জীয়াবৰ বাবে ভিক্ষা মাগিবলগীয়া হৈছে। এফালে দৰিদ্ৰতা, আনফালে জীৱন সংগ্ৰাম। বৰক্ষেত্ৰীৰ বৰ্ণিবাৰীৰ শকুন্তলা কৈৱৰ্ত্তৰ জীৱন যেন এতিয়া এক নিৰন্তৰ সংগ্ৰামৰ নাম। দুবেলা দুমুঠি আহাৰৰ বাবেই প্ৰতিদিনে কঠিন পৰিস্থিতিৰ সৈতে যুঁজিবলগীয়া হৈছে তেওঁ। জানিব পৰা অনুসৰি শকুন্তলা কৈৱৰ্ত্তই ত্ৰিছ বছৰ পূৰ্বে নলবাৰীৰ চামতা গাঁৱৰ এগৰাকী যুৱকৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। পৰৱৰ্তী সময়ত শকুন্তলা কৈৱৰ্ত্তৰ সংসাৰত দুগৰাকী কন্যা সন্তানৰ জন্ম হয়। কনিষ্ঠ কন্যাৰ পানীকেঁচুৱা অৱস্থাতেই স্বামীৰ আতিশয্যৰ বলি হৈ শকুন্তলা কৈৱৰ্ত্তই স্বামীগৃহ ত্যাগ কৰি পিতৃগৃহলৈ গুচি আহে। পিতৃৰ এডোখৰ ভূমিত সৰু জুপুৰি এটা সাজি দুই কন্যা সন্তানক লগত লৈ শকুন্তলা কৈৱৰ্ত্তই চলাই গৈছিল কঠোৰ জীৱন সংগ্ৰাম। আনৰ ঘৰত কাম কৰাৰ সমান্তৰালকৈ বিৱাহ সবাহৰ অভ্যৰ্থনা অনুষ্ঠানত চাফাই কৰ্মী হিচাপে কাম কৰি দুই সন্তানক ডাঙৰ দীঘল কৰি দুয়োগৰাকীৰে বিবাহ কাৰ্য সম্পন্ন কৰিছিল শকুন্তলা কৈৱৰ্ত্তই। দুয়োগৰাকী কন্যাৰ বিবাহৰ পাছতো দিন হাজিৰা কৰি স্বাভাৱিক জীৱন চলাই আছিল অঞ্চলটোৰ সৰ্বজন পৰিচিত শকুন্তলা কৈৱৰ্ত্তই। ৮বছৰ পূৰ্বে শকুন্তলা কৈৱৰ্ত্তৰ জীৱনলৈ হঠাতে নামি আহে অমানিশা। হঠাত অস্বাভাৱিক হৈ পৰে শকুন্তলাৰ স্বাভাৱিক জীৱন যাত্ৰা। চিকিৎসাৰ বাবদ দিন হাজিৰা কৰি সাঁচি ৰখা ধন আৰু পোহনীয়া ছাগলী, হাঁহ, কুকুৰা আদি বিক্ৰী কৰে যদিও সুস্থ হৈ নুঠিল মহিলাগৰাকী। অচিন ৰোগত আক্ৰান্ত হৈ শকুন্তলা কৈৱৰ্ত্তৰ চলন- ফুৰণত বাধা আহি পৰাত ঘৰতে বন্দী হৈ থাকিবলগীয়া হয়। ক্ৰমাৎ হাত, ভৰি অস্বাভাৱিক হৈ পৰাত নিজেই খাদ্য গ্ৰহণ কৰা আৰু কাপোৰ পিন্ধাত জটিলতাৰ সৃষ্টি হয়। পাছত ৰুগীয়া মাতৃৰ আলৈ-আথানি সহ্য কৰিব নোৱাৰি জ্যেষ্ঠ কন্যাই স্বামীগৃহৰ পৰা মাতৃগৃহলৈ গুচি আহি মাতৃৰ আলপৈচানত নিয়োজিত হয়। সম্প্ৰতি পৰিয়ালটোৰ অৰ্থৰ অভাৱত ৰান্ধনিশালত জুই নজ্বলা অৱস্থাৰ সৃষ্টি হৈছে। পৰিয়ালটোৰ সদস্যৰ পেটৰ ভাত মুঠি মোকোলাৰ বাবে মাতৃয়ে বিবাহিত কন্যাৰ সহযোগত ভিক্ষা মাগিবলৈ আৰম্ভ কৰিছে। জ্যেষ্ঠ কন্যাই মাতৃ শকুন্তলা কৈৱৰ্ত্তক এখন হুইলচেয়াৰত বহাই লৈ প্ৰতিদিনাই বৰক্ষেত্ৰীৰ বিভিন্ন অঞ্চলত ভিক্ষা মাগি পেটৰ ভাতমুঠি যোগাৰ কৰাৰ বাবে কঠোৰ সংগ্ৰাম অব্যাহত ৰাখিছে। দৰিদ্ৰতাৰ এই কঠিন বাস্তৱত কন্যাগৰাকীয়েও মাতৃৰ সৈতে সহায়ৰ হাত আগবঢ়াইছে। কিন্তু ভিক্ষাৰ ওপৰত নিৰ্ভৰ কৰি কিমান দিন এনেদৰে জীৱন চলিব—সেই প্ৰশ্নই এতিয়া চিন্তিত কৰি তুলিছে পৰিয়ালটোক। এটা সৰু ঘৰ, দুবেলা দুমুঠি আহাৰৰ চিন্তা আৰু ভৱিষ্যতৰ অনিশ্চয়তা—এই সকলোবোৰৰ মাজতে শকুন্তলা কৈৱৰ্ত্তৰ জীৱন সংগ্ৰাম অব্যাহত আছে। উল্লেখযোগ্য যে এইগৰাকী বিশেষভাৱে সক্ষম মহিলাই চৰকাৰী আঁচনি লাভৰ বাবে উপেক্ষিত হৈ আহিছে। মহিলাগৰাকীয়ে চৰকাৰৰ খাদ্য সুৰক্ষা আঁচনিৰ বাহিৰে অন্য কোনো আঁচনিয়েই লাভ কৰিবলৈ সক্ষম নহ'ল। স্থানীয় পঞ্চায়ত প্ৰতিনিধি, নেতা-পালিনেতাই মহিলাগৰাকীক সৰ্বদিশতে বঞ্চিত কৰি অহাৰ অভিযোগ উঠিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিশেষভাৱে সক্ষম, বিধবা, অবিবাহিত মহিলাক অগ্ৰাধিকাৰ দি প্ৰস্তুত কৰা অৰুণোদয় আঁচনিৰ পৰাও বঞ্চিত হৈছে মহিলাগৰাকী। প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ গৃহ আৰু অনাময় আঁচনিৰ শৌচাগাৰ লাভ কৰাৰ পৰাও মহিলাগৰাকী বঞ্চিত হ'বলগীয়া হৈছে। তদ্ৰূপ এনেবোৰ আঁচনিৰ আওঁতাত নপৰা বহু যুৱতী - মহিলাই আঁচনিৰ সুবিধা লাভ কৰি আহিছে। ভুক্তভোগী মহিলাগৰাকীয়ে আজি সংবাদ মাধ্যমৰ জৰিয়তেই অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাৰ পৰা সহায় ভিক্ষা মাগি আঁচনি সমূহত অন্তৰ্ভুক্ত কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে। একেদৰে মহিলাগৰাকীয়ে চিকিৎসাৰ বাবেও চৰকাৰৰ পৰা বিচাৰিছে অৰ্থসাহায্য।

১২ ছেপ্টেম্বৰত তিনিচুকীয়া জিলাত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় লোক আদালত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ ছেপ্টেম্বৰ ঃ ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১২ ছেপ্টেম্বৰত সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে বৰগুৰিস্থিত তিনিচুকীয়া আদালত চৌহদৰ লগতে মাৰ্ঘেৰিটা আৰু শদিয়া আদালত চৌহদতো পুৱা ১০.০০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰিব। উল্লেখ্য যে, এই লোক আদালতত আইনৰ দীঘলীয়া প্ৰক্ৰিয়া বাদ দি এৰা-ধৰাৰ জৰিয়তে খৰচ বিহীনভাৱে তাৎক্ষণিক গোচৰ নিষ্পত্তি কৰিব পাৰি। এই লোক আদালতত ইতিমধ্যে আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰযোগ্য বিবাদৰো এজন ন্যায়িক বিষয়া আৰু এজন বা ততোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতিক্ৰমে সৌহাৰ্দ্যপূৰ্ণভাৱে আপোচ মীমাংসা কৰিব। লোক আদালতৰ হোৱা ৰায় আপীল অযোগ্য আৰু এই লোক আদালতৰ মাধ্যমৰ দ্বাৰা খৰতকীয়া ন্যায় পোৱা যায়। উক্ত লোক আদালতত উপস্থাপন হ'বলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জাননী প্ৰেৰণ কৰা হৈছে বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিব ডিম্বেশ্বৰ টায়ে-এ জানিবলৈ দিছে। উল্লেখযোগ্য যে, এই লোক আদালতত দেৱানী, আপোচযোগ্য ফৌজদাৰী, মটৰ দুৰ্ঘটনা সংক্ৰান্তিয় ৰাজহ, বৈৱাহিক সম্বন্ধীয় গোচৰ, N.I. Act ৰ অধীনৰ গোচৰ, বিদ্যুৎ বিভাগৰ বিল সম্পৰ্কীয় আপত্তি, BSNL ৰ বিল সম্পৰ্কীয় আপত্তি আৰু বেঙ্কৰ লোণ সম্পৰ্কীয় ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব।

জন্ম শতবৰ্ষ উপলক্ষে ভূপেন হাজৰিকাক স্মৰণ গোসাঁইগাঁও শাখা সাহিত্য সভাৰ

অসম বাৰ্তা, গোসাঁইগাঁও, ৯ ছেপ্টেম্বৰ ঃ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সমগ্ৰ ৰাজ্যৰ লগতে গোসাঁইগাঁৱতো গোসাঁইগাঁও স্বৰ্ণ দল শাখা সাহিত্য সভাই যোৱা ৮ ছেপ্টেম্বৰত মহান শিল্পীজনাক শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে এটি অনুষ্ঠানৰ আয়োজন কৰে। সন্ধিয়া স্থানীয় কমল নাথ ক্লাৱ কাম লাইব্ৰেৰীত আয়োজিত অনুষ্ঠানটিৰ আদিতে মহান শিল্পী গৰাকীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পনেৰে অনুষ্ঠানৰ শুভাৰম্ভণি কৰে শাখা সভাৰ উপদেষ্টা খনীন্দ্ৰ নাথ দাসে। ইয়াৰ পিছতে সমবেত সকলোৱে শিল্পী গৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে। শাখা সভাৰ সভাপতি প্ৰদীপ কুমাৰ দাসৰ পৌৰোহিত্যত আয়োজিত স্মৃতিচাৰণ সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে এইবেলি গুৱাহাটী কাৰ্য্যালয়ত অসম সাহিত্য সভাই শিক্ষক দিৱস উপলক্ষে অনুষ্ঠিত কৰা গুৰু প্ৰণাম অনুষ্ঠানত কোকৰাঝাৰ জিলা সাহিত্য সভাক প্ৰতিনিধিত্ব কৰা গোসাঁইগাঁৱৰ প্ৰাক্তন শিক্ষক যোগেন্দ্ৰ অধিকাৰী আৰু অসমৰ ৰাজ্যপালৰ বৰিষ্ঠ শিক্ষকৰ সম্বৰ্ধনা প্ৰাপক গোসাঁইগাঁও স্থিত কেশৱ ডেকা মেমোৰিয়েল প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক ৰত্নেশ্বৰ দেৱনাথ। সভাৰ আদিতে দুয়োগৰাকী অৱসৰী শিক্ষকক শাখা সভাৰ ফালৰ পৰা একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সভাত দুই সম্বৰ্ধনা প্ৰাপক অতিথিয়ে নিজ নিজ অভিজ্ঞতাৰ বৰ্ণনা কৰি ভাষণ প্ৰদান কৰে। প্ৰাক্তন বিষয় শিক্ষক গিৰিশ ডেকা, গোসাঁইগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষা ডঃ লাৱণ্য লহকৰ, গোসাঁইগাঁও মহাবিদ্যালয়ৰ শিক্ষক ড° সত্যৰঞ্জন প্ৰধানীয়ে হাজৰিকাদেৱক সুঁৱৰি একোটিকৈ ভূপেন্দ্ৰ সংগীত পৰিৱেশন আৰু "বীৰাংগনা"ৰ সভানেত্ৰী মৃণালিনী ডেকা কলিতাই এটি কবিতা আবৃত্তিৰে পৰিৱেশ ৰসাল কৰি তোলে। আনহাতে শাখা সভাৰ উপদেষ্টা খনীন্দ্ৰ নাথ দাস, প্ৰাক্তন শিক্ষক জয়নাথ সৰকাৰ, সাগৰ ৰায়, সমাজসেৱী চিন্ময় কুমাৰ বলেও হাজৰিকা দেৱৰ জীৱন দৰ্শনৰ ওপৰত সাৰুৱা বক্তব্য ৰাখে। জ্যেষ্ঠ সাংবাদিক শংকৰ চৌধুৰীয়ে যোগেন্দ্ৰ অধিকাৰীক প্ৰদান কৰা অভিনন্দন পত্ৰখন পাঠ কৰি দিয়ে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়াই পত্ৰিকা সম্পাদক শংকৰ চন্দ্ৰ দাসে।

বিশ্ব ফিজিঅ'থেৰাপী দিৱস উপলক্ষে অভয়াপুৰীত এনাজৰী ফাউণ্ডেচনৰ বিনামূলীয়া ফিজিঅ'থেৰাপী স্বাস্থ্য শিবিৰ

অসম বাৰ্তা, লেংটিছিঙা, ৯ ছেপ্টেম্বৰ ঃ অভয়াপুৰীত আজি বিশ্ব ফিজিঅ'থেৰাপী দিৱস উপলক্ষে এক বিশেষ বিনামূলীয়া ফিজিঅ'থেৰাপী স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। এনাজৰী ফাউণ্ডেচনৰ উদ্যোগত আৰু ROLEX PHYSIO THERAPY AND REHABILITATION CENTRE, ABHAYAPURI-ৰ সহযোগত আয়োজন কৰা হয় এই স্বাস্থ্য শিবিৰ। শিবিৰত উপস্থিত হোৱা লোকসকলৰ বিভিন্ন শাৰীৰিক সমস্যা পৰ্যবেক্ষণ কৰাৰ লগতে ফিজিঅ'থেৰাপী সম্পৰ্কীয় পৰামৰ্শ আৰু শাৰীৰিক সুস্থতা সন্দৰ্ভত সজাগতা প্ৰদান কৰা হয়। বিশেষকৈ কঁকাল, আঁঠু, কান্ধ, ডিঙি, হাত-ভৰি আদিৰ বিভিন্ন বিষ তথা চলাফিৰাৰ সমস্যাৰ ক্ষেত্ৰত ফিজিঅ'থেৰাপীৰ ভূমিকা সম্পৰ্কে ৰাইজক অৱগত কৰা হয়। বয়স বৃদ্ধিৰ লগে লগে বহু লোকেই বিভিন্ন শাৰীৰিক সমস্যাৰ সন্মুখীন হয়। এনে সমস্যাৰ পৰা সকাহ লাভ কৰাৰ লগতে দৈনন্দিন জীৱনত সুস্থ আৰু সক্ৰিয় হৈ থাকিবলৈ নিয়মীয়া শাৰীৰিক ব্যায়াম আৰু প্ৰয়োজন অনুসৰি ফিজিঅ'থেৰাপী গ্ৰহণৰ গুৰুত্বৰ বিষয়ে শিবিৰত বিশেষভাৱে সজাগ কৰা হয়। শিবিৰত ফিজিঅ'থেৰাপিষ্টসকলে ৰোগীসকলৰ শাৰীৰিক অৱস্থা পৰ্যবেক্ষণ কৰি তেওঁলোকৰ প্ৰয়োজন অনুসৰি উপযুক্ত পৰামৰ্শ আগবঢ়ায়। লগতে বয়স আৰু শাৰীৰিক সক্ষমতা অনুসৰি কৰিব পৰা সহজ ব্যায়াম, সঠিকভাৱে চলাফিৰা কৰাৰ পদ্ধতি, দৈনন্দিন জীৱনত ল'বলগীয়া সাৱধানতা আদিৰ বিষয়েও পৰামৰ্শ প্ৰদান কৰা হয়। এনাজৰী ফাউণ্ডেচনৰ এনে সামাজিক আৰু স্বাস্থ্যসেৱামূলক পদক্ষেপে স্থানীয় ৰাইজৰ মাজত বিশেষ সঁহাৰি লাভ কৰে। বিনামূলীয়া স্বাস্থ্য শিবিৰৰ জৰিয়তে সাধাৰণ ৰাইজক স্বাস্থ্যৰ প্ৰতি অধিক সচেতন কৰি তোলাৰ লগতে সমাজৰ প্ৰতি দায়িত্বশীল ভূমিকা পালন কৰাৰ প্ৰয়াস অব্যাহত ৰাখিব বুলি আয়োজকসকলে জানিবলৈ দিয়ে।

মাজুলীত জিলা প্ৰশাসনৰ উদ্যোগত ১১ সংখ্যক জিলা দিৱস আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষ সামৰণি অনুষ্ঠান সম্পন্ন

অসম বাৰ্তা, মাজুলী, ৯ ছেপ্টেম্বৰ ঃ মাজুলীৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল ক্ষণ— ৮ ছেপ্টেম্বৰ। ২০১৬ চনৰ এই ঐতিহাসিক দিনটোতে মাজুলীক আনুষ্ঠানিকভাৱে ভাৰতৰ প্ৰথমটো নদীদ্বীপ জিলা হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছিল। সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত অতি মৰ্যাদাপূৰ্ণভাৱে উদযাপিত হয় "একাদশ মাজুলী জিলা প্ৰতিষ্ঠা দিৱস" আৰু বিশ্ববৰেণ্য সংগীতজ্ঞ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ পৱিত্ৰ জন্ম জয়ন্তী। কাৰ্যসূচীৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি গভীৰ শ্ৰদ্ধাঞ্জলি তথা মাল্যাৰ্পণ কৰে মাজুলী জিলাৰ মাননিয় জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক মহোদয়ে। দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ কণকণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক প্ৰদৰ্শনীমূলক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰৱৰ্তী মুকলি সভাত মাননিয় জিলা আয়ুক্ত মহোদয়ে নিজৰ ভাষণত ২০১৬ চনৰ ৮ ছেপ্টেম্বৰৰ সেই ঐতিহাসিক ক্ষণটো স্মৰণ কৰি জিলা হিচাপে মাজুলীয়ে বিগত বছৰবোৰত অৰ্জন কৰা প্ৰশাসনিক গতিশীলতা, যোগাযোগৰ অভূতপূৰ্ব উন্নয়ন আৰু ঐতিহ্য সংৰক্ষণৰ দিশসমূহ উল্লেখ কৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ মাননিয় উপাচাৰ্য মহোদয়ে লোক-কলা আৰু ড° ভূপেন হাজৰিকাৰ মানৱতাবাদী দৰ্শন সম্পৰ্কে আলোকপাত কৰে। সভাত উপস্থিত মাজুলীৰ বিশিষ্ট জ্যেষ্ঠ নাগৰিকসকলেও নদীদ্বীপটোৰ ঐতিহ্য আৰু ভৱিষ্যত সম্ভাৱনাক লৈ নিজৰ মনৰ ভাব ব্যক্ত কৰে। সুধাকণ্ঠৰ কালজয়ী গীত, নৃত্য আৰু আধুনিক কলাৰ সংমিশ্ৰণেৰে গঠিত সাংস্কৃতিক কাৰ্যসূচীয়ে সমগ্ৰ অনুষ্ঠানটোক অনন্য মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানটো অতি সুচাৰুৰূপে আঁত ধৰে সহকাৰ আয়ুক্ত ৰিমঝিম কোঁৱৰ আৰু শ্ৰী বিবেক দত্তই। কাৰ্যসূচীত মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীবৃন্দ, শিক্ষাবিদ, বিশিষ্ট নাগৰিক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ৰঙিয়া অতিৰিক্ত সত্ৰ ও জিলা ন্যায়াধীশ আদালতৰ গুৰুত্বপূৰ্ণ ৰায়দান। ৬ জনক যাৱজ্জীৱন কাৰাদণ্ড। অসম বাৰ্তাৰ সেৱা, ৰঙিয়া, ৯ চেপ্তেম্বৰ। ১৯৯৫ চনত সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডত দোষী সাব্যস্ত হোৱা ৬ অভিযুক্তক আজি যাৱজ্জীৱন কাৰাদণ্ড বিহে ৰঙিয়াৰ অতিৰিক্ত জিলা ও সত্ৰ ন্যায়াধীশ মুকুল চেতিয়াৰ আদালতে। ঘটনা অনুসৰি বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বৰডাঙেৰীকুছি গাঁৱৰ মাৰিয়া বড়ো নামৰ লোকজনক একেখন গাঁৱৰে এই অভিযুক্ত কেইজনে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ ডাইনী সন্দেহত নৃশংস ভাৱে হত্যা কৰিছিল। উক্ত অমানৱীয় ঘটনাত জড়িত আছিল সোণেশ্বৰ বড়ো, জংগল বড়ো, সুৰজ বড়ো, কান্দুৰা বড়ো, হৰেশ্বৰ বড়োআৰু ধনলা বড়ো নামৰ স্থানীয় ছয় গৰাকী লোক। সুদীৰ্ঘ কাল ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত উক্ত হত্যাকাণ্ডৰ গোচৰৰ ৬ অভিযুক্তক আজি ভাৰতীয় দণ্ডবিধিৰ১৪৭, ১৪৮, ১৪৯, ৩০২, ৪৪৮ আৰু ২০১ ধাৰাৰ অধীনত যাৱজ্জীৱন কাৰাদণ্ড বিহে ন্যায়াধীশ মুকুল চেতিয়াৰ আদালতে।

ডিব্ৰুগড়ৰ দুটা সাংস্কৃতিক অনুষ্ঠান মঞ্চৰূপা আৰু মধুমিতা সংঘৰ যৌথ উদ্যোগত ভাৰতৰত্ন সুধাকণ্ঠ ড° হাজৰিকাক স্মৰণ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানত "মঞ্চৰূপা"ৰ প্ৰতিষ্ঠাপক প্ৰয়াত হাছান শ্বৰীফ আহমেদৰ মৃত্যু তিথিত তেখেতক সুঁৱৰি মধুমিতা সংঘৰ কাৰ্য্যালয়ত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে আঁত ধৰা অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰে মধুমিতা সংঘৰ উপদেষ্টা কুমকুম দত্তই। বন্তি প্ৰজ্বলন কৰে "মঞ্চৰূপা"ৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী সংগীতা বৰুৱা, সহযোগ কৰে মধুমিতা সংঘৰ সভানেত্ৰী ৰূপালী ভট্টাচাৰ্য্য, সম্পাদিকা ৰুলী বৰঠাকুৰ, কাৰ্য্যকৰী সভানেত্ৰী মিনতি চলিহা, উপ সভানেত্ৰী ৰেণু খাউণ্ড, মনোৰমা বৰা আগৰৱালা, "মঞ্চৰূপা"ৰ কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ড, সম্পাদক অৰুণ চেতিয়া, সহকাৰী সম্পাদিকা জুলী দিহিঙ্গীয়া, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা তথা মঞ্চৰূপাৰ প্ৰাক্তন সভানেত্ৰী ড° ভাৰতী দত্ত, চন্দন মজুমদাৰ, সত্ৰীয়া কলা কৃষ্টি কেন্দ্ৰৰ অধ্যাপক মোহন তামোলীয়ে। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্য্যসূচী পৰিচালনা কৰে জুলী দিহিঙ্গীয়াই। অনুষ্ঠানৰ আৰম্ভণিতে ভাষণ প্ৰদান কৰে মধুমিতা সংঘৰ উপদেষ্টা কুমকুম দত্তই। ড° ভাৰতী দত্তই মঞ্চৰূপাৰ প্ৰতিষ্ঠাপক হাছান শ্বৰীফ আহমেদে কেনেদৰে "মঞ্চৰূপা"ক গঢ় দিছিল, কেনেদৰে আগবঢ়াই নিছিল সেই বিষয়ে বিস্তৃত ব্যাখ্যা প্ৰদান কৰে। 'মঞ্চৰূপা' আৰু 'মধুমিতা সংঘ'ৰ সকলো সদস্য সদস্যাই ড° ভূপেন হাজৰিকাৰ "মানুহে মানুহৰ বাবে" গীতটি পৰিবেশন কৰে। অনুষ্ঠানটি গীতেৰে সজাই তোলে জুলী দিহিঙ্গীয়া, নিভা কোঁৱৰ, কুমুদ দাস, ৰিতুপৰ্ণা চাংকাকতি, অঞ্জুমনি দত্ত (অঁনাতাৰ শিল্পী), অনুপম দত্ত, জিণ্টিমনি শইকীয়া, ৰঞ্জন হাজৰিকা, কশ্মিনা দেউৰী, অৰুণ চেতিয়া, স্বৰ্ণ দেউৰীয়ে। বেহেলা পৰিবেশন কৰে তৰুলতা নেওগে। নৃত্য পৰিবেশন কৰে ময়ূৰাক্ষী বৰুৱা, মৌচুমী ভট্টাচাৰ্য্যৰ তত্ত্বাৱধান কুমকুম চৌহান আৰু আদ্ৰিকা ভগতে। বাদ্যযন্ত্ৰত সহযোগ কৰে বিনন্দ কাকতি(তবলা), দেৱজ্যোতি গগৈ (মেণ্ডুলীন), ৰোহিনী গগৈ(কি বৰ্ড)। শলাগৰ শৰাই আগবঢ়াই অৰুণ চেতিয়াই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন